# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ০১/০২/২০১৯ শুকুৰবাৰ

**আজি ইং ০১-০২-২০১৯ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্বৰ নিৰ্ধাৰিত সময়-সূচী মতে ৰাতিপুৱা ৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** Question No. 21- Md. Nurul Huda. Minister please.

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, জলসিঞ্চন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় সদস্য মোঃ নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দিয়া উত্তৰটোত এই বিভাগৰ নগ্ন ছবি প্ৰতিফলিত হৈছে। অধ্যক্ষ মহোদয়, ছাছা কমিটিৰ প্ৰতিবেদনত উল্লেখ আছে যে, ভাৰতৰ সংখ্যালঘুসকল শিক্ষা, সাহিত্য, জনমূৰি আয়, এইবোৰ ক্ষেত্ৰত অনুসূচিত জাতি-জনজাতি সকলোতকৈও পিছ পৰা আৰু এই পিছ পৰা সম্প্ৰদায়ৰ মানুহখিনিক আৰ্থ সামাজিক উন্নয়নৰ বাবে চৰকাৰে কোনো ধৰণৰ দায়িত্ব লোৱো নাই । এই উত্তৰটোৱে এটা হতাশ জনক পৰিস্থিতি দেখুৱাইছে। অধ্যক্ষ মহোদয়, ২০১৬-১৭ বিত্তীয় বৰ্ষত কোনো আঁচনি আৰু আৱণ্টিত ধন সংখ্যালঘু বিভাগত নাছিল। ২০১৭-১৮ বৰ্ষত কেইটামান আঁচনি লোৱা হৈছিল কিন্তু পুঁজি মোকলাই নিদিয়াৰ বাবে আৱণ্টিত ধন ব্যৱহাৰ কৰিব পৰা নগ'ল। ২০১৮-১৯ বৰ্ষত কেইটামান আঁচনি দেখাইছে যদিও তাত কোনো পুঁজি আৱণ্টন দিয়া নাই। অধ্যক্ষ মহোদয়, সমাজৰ এই দুৰ্বল শ্ৰেণীটোক যদি এনেকৈ পিছ পেলাই ৰখা হয়, তেন্তে আমাৰ সমাজখন কেনেকৈ আগবাঢ়ি যাব? আজি হায়াৰ ছেকেণ্ডাৰী স্কুল বা কলেজত ২৫% বা তাতকৈ অধিক সংখ্যালঘু ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে সেই হায়াৰ ছেকেণ্ডাৰী স্কুল বা কলেজে চৰ উন্নয়ন বিভাগৰ Nodal officer ৰ পৰা affiliation ল'ব লাগে। Affiliation লোৱাৰ পিছত এটা Code No. দিয়া হয় আৰু scholarship ৰ বাবে যদি আবেদন কৰা হয় তেতিয়া সেই Code No. টোৰ প্ৰয়োজন হয়। আমাৰ বহুতো হায়াৰ ছেকেণ্ডাৰী স্কুল বা কলেজ সমূহে affiliation পাইছে যদিও Code No. টো নিদিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে scholarship ৰ বাবে আবেদন কৰিব পৰা নাই। গতিকে, চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে, মন্ত্ৰী মহোদয়ে জনাব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, জলসিঞ্চন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বিভাগটো ব্যৰ্থ হোৱা বুলি কৈছে। অধ্যক্ষ মহোদয়, ২০১৬-১৭ বৰ্ষত এই বিভাগটোত আৱণ্টিত পুঁজি নাই, কিন্তু ২০১৭-১৮ বৰ্ষত বিভাগৰ তৰফৰ পৰা যিবোৰ আঁচনি লোৱা হৈছিল তাত ceiling দিয়া হৈছিল আৰু ইতিমধ্যে কিছু পইচা তাত মোকলাই দিয়া হৈছে। ২০১৭-১৮ বৰ্ষত লোৱা আঁচনিবোৰৰ beneficiary selection কৰাত দেৰি হোৱাৰ বাবে আমি বস্তু খিনি দিব পৰা নাছিল। কিন্তু সেই ২০১৭-১৮ বৰ্ষৰ আঁচনিসমূহ commuted liablities হিচাপে আমি ২০১৮-১৯ বৰ্ষত কৰি আছো। ২০১৮-১৯ বৰ্ষত আমি সংখ্যালঘু উন্নয়ন বোৰ্ডৰ পৰা ANM, GNM, B.Sc. Nursing, DMLT, BMLT, DPT, Dialysis tech-

nician, e-rickshaw, solar street light ইত্যাদিৰ বাবে tender ৰ কাম প্ৰায় ৭০% সম্পূৰ্ণ হৈ গৈছে। ইয়াৰ বাবে ceiling টো বাজেটত move কৰিবলৈ বিত্ত বিভাগলৈ দিয়া হৈছে। ceiling ৰোৰ আহি যোৱাৰ লগে লগে আমি কাম সমূহো কৰিব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, ANM, GNM, B.Sc. Nursing ৰ নিযুক্তি আমি মেধা ভিত্তিত দিছো। ২০১৮-১৯ বৰ্ষত যিখিনি GNM nurse ৰ appointment দিয়া হৈছিল সেইখিনিৰ lowest percentage আছিল ৬৩.৬%। গতিকে ইয়াত কোনো ধৰণৰ কেলেংকাৰী হোৱা নাই আৰু মই ক'ব পাৰো যে আমি দায়িত্ব লোৱাৰ পিছত এই বিভাগটো নিকা আৰু স্বচ্ছ ভাৱে চলি আছে। আগৰ চৰকাৰৰ সময়ত যেতিয়া ছাত্ৰ-ছাত্ৰী সকলে ANM, GNM nurse ৰ বাবে নামভৰ্তি কৰিছিল তেতিয়া এক বিশেষ সম্প্ৰদায়ৰ লোকে তাত seat পাইছিল। কিন্তু এই বিভাগটোৱে আমি দায়িত্ব লোৱাৰ পিছত ইয়াত অকল minority -মুছলিম ছাত্ৰ-ছাত্ৰীয়েই নহয়, Christian, Buddhist ছাত্ৰ-ছাত্ৰীসকলেও নামভৰ্তি কৰিবলৈ সুবিধা পাইছে। অধ্যক্ষ মহোদয়, আমি ২০১৮-১৯ বৰ্ষত যিমানখিনি ANM, GNM nurse লৈছো সেইক্ষেত্ৰত আমি ceiling ৰ বাবে ইতিমধ্যে move কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নকৰ্তা হুদা ডাঙৰীয়াৰ Huda Group of Institutions, Samaguri নামৰ শিক্ষানুষ্ঠানখনত প্ৰশিক্ষণ কেন্দ্ৰ এটা আছে আৰু সেই কেন্দ্ৰতো আমি ২০১৫-১৬ বৰ্ষত ২০ জন ছাত্ৰক B.Pharamacist পঢ়িবৰ বাবে সুবিধা প্ৰদান কৰিছিলো। ধন্যবাদ।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কলে যে স্বচ্ছ ভাৱে কামখিনি চলি আছে, কিন্তু কোনো কামেই কৰা নাই। এই চৰকাৰে দায়িত্ব লোৱাৰ পাছত সংখ্যালঘু বিভাগত কোনো কামেই কৰা নাই। এইটো আপোনালোকৰ উত্তৰতেই দেখা গৈছে। এইটো মোৰ মুখৰ কথা নহয়।

**মাননীয় অধ্যক্ষ ঃ** এই উত্তৰটো মই withdraw কৰিছো।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁলোকে কামবোৰ স্বচ্ছভাৱে কৰিছে, মেধাৰ ভিত্তিত কৰিছে। interview পাতি selection টো কৰিব লাগিছিলে। কিন্তু ৫২ শতাংশ পোৱা ছাত্ৰীয়ে admission পাইছে, ৭৫ শতাংশ পোৱা বা ৬৮শতাংশ পোৱা ছাত্ৰীয়ে admission পোৱা নাই। গতিকে এইটো স্বচ্ছভাৱে হোৱা নাই। মেধাৱীসকলক ইয়াৰ পৰা বঞ্চিত কৰা হৈছে। মই ইয়াত উল্লেখ কৰি দিছো যে, ৭৫ শতাংশ পোৱা ছাত্ৰী ছামছুৰ নাহাৰ, দক্ষিণ মাক্ৰা, চিৰাং জিলা। মোৰ হাতত তেখেতৰ application আৰু marksheet আছে। সেইকাৰণে মই আজি marksheet বিলাক বিচাৰিছিলো। কিন্তু আজি সদনত marksheet খিনি দিবৰ কাৰণে মন্ত্ৰী মহোদয়ে সাহস গোটাব নোৱাৰিলে। এই admission বিলাক তেওঁলোকে নিজস্বভাৱে কৰিছে। গতিকে এইবিলাক স্বচ্ছভাৱে হ'ব লাগে। জুলফিয়া মমতাজ নামৰ ছাত্ৰী গৰাকীয়ে ৫২.২ শতাংশ নম্বৰ, আছমিনা খাতুন ৫২শতাংশ, ফৰিদা বেগম ৫২ শতাংশ, ৰেজিয়া নেহাৰ ৫১ শতাংশ পায়েই admission পাইছে। গতিকে অধ্যক্ষ মহোদয়, মই এইটোৱে ক'ব বিচাৰিছো যে আজি এই ৩ টা বছৰে সংখ্যালঘু সকলৰ উন্নয়নৰ ক্ষেত্ৰত কোনো কাম হোৱা নাই।

সমাজত এটাই পিছপৰা শ্ৰেণী আছে, সেইটো হৈছে সংখ্যালঘু সম্প্ৰদায়। এই দুৰ্বল শ্ৰেণীটো আগুৱাই নিবৰ কাৰণে চৰকাৰে যদি পদক্ষেপ নলয় আমাৰ সমাজ ব্যৱস্থাটো কেনেকৈ আগুৱাই যাব। মন্ত্ৰী মহোদয়ে মোক আঙুলিয়াই দি কৈছে যে Huda Group of Institu-

tion ৰ ২০১৫-১৬ চনত ২০ জন ছাত্ৰক Institution ত দিছে। সেইটো এই চৰকাৰে দিয়া নাই। পূৰ্বৰ চৰকাৰেহে দিছে। গতিকে আমাৰ এই পিছপৰা শ্ৰেণীটোক আগুৱাই নিবৰ কাৰণে চৰকাৰে পদক্ষেপ ল'ব লাগে। এইটো মই অনুৰোধ জনাইছো। ইয়াৰ উপৰিও আমাৰ যিটো Auqaf Board আছে তাৰ ২০১৭ চনতে ম্যাদ উকলি যোৱাৰ পিছতো আজিলৈকে এইবোৰ্ডখন গঠন কৰা হোৱা নাই। ইয়াৰ লগতে MSDP আচনিখন বাস্তৱ ৰূপত পৰিণত কৰিব লাগে আৰু যিখিনি পুঁজিৰ ধন আছে সেইখিনি মোকলাই দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সংখ্যালঘু বিভাগত একো কৰা নাই বুলি কৈছে। কিন্তু আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছত MSDP আঁচনিটো যিটো এতিয়া PMGVKY ত ৩০ কোটি ৪২ লাখ টকা সাপেক্ষে আমি ২১ খন স্কুল অসমৰ বিভিন্ন জিলাত স্থাপন কৰিবলৈ গৈ আছো। Tender হৈ গৈছে। তাৰ পিছত আমি আধাৰশিলাৰ কাম আৰম্ভ কৰিম। ইয়াৰ লগতে আপুনি এই যি selection প্ৰক্ৰিয়াৰ কথা কৈছে, আপোনালোকক উত্তৰ দিয়া আছে, সেইটো চাব। এই বাচনি প্ৰক্ৰিয়া অসম nursing council ৰ guideline মতে কৰা হৈছে। আগতে আপোনালোকৰ চৰকাৰৰ দিনত application লয়, interview পাতে আৰু লিখিত পৰীক্ষা হয় আৰু এইখিনিতে দূৰ্নীতি হয়। কিন্তু আমাৰ চৰকাৰৰ দিনত আমি কোনো interview পতা নাই, marksheet চাইছো councelling ত মতা হৈছে আৰু তাৰ পৰাই selection কৰা হৈছে। আপোনালোকৰ চৰকাৰৰ দিনত কাৰ্বি আংলং আৰু ডিমা হাচাওৰ খ্ৰীষ্টান ছোৱালীযে কেতিয়াও seat পোৱা নাছিলে। কিন্তু আমাৰ চৰকাৰৰ দিনত আমি কাৰ্বি আংলং আৰু ডিমা হাচাওৰ খ্ৰীষ্টান আৰু বৌদ্ধ ধৰ্মীয় ছোৱালীক ANM আৰু GNM ত selection কৰিছো। গতিকে "সবকা সাথ সবকা বিকাশ" এই নীতি লৈ আমাৰ চৰকাৰে কাম কৰি গৈ আছে। আমি guideline মতে কাম কৰিছো। আগতে ১০০ শতাংশ বিনামূলীয়াকৈ শিক্ষা দিয়া হৈছিল কিন্তু এইবাৰ আমি ৯০ আৰু ১০ শতাংশ কৰিছো। ৯০ শতাংশ আমি অসম চৰকাৰে বহন কৰিম আৰু ১০ শতাংশ ছাত্ৰী গৰাকীৰ contribution হ'ব। আমি ছাত্ৰীগৰাকীক দায়বদ্ধ কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, MSDP আঁচনিৰ কাছাৰ কমিটিৰ report ৰ পৰিপ্ৰেক্ষিতত সংখ্যালঘু সম্প্ৰদায়ৰ যিখিনি মানুহ অৰ্থনৈতিক ভাবে বা শৈক্ষিকভাৱে পিছপৰি আছে তেওঁলোকক আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে গঠন কৰা হৈছে। কিন্তু ইয়াত যি nature of scheme দিয়া হৈছে, ইয়াৰ দ্বাৰা community development ৰ গতি ক্ষিপ্ৰভাৱে নহয়, খুব মন্থৰ গতিতহে হ'ব। দ্বিতীয়তে, অঙ্গনবাড়ী স্কুলৰ additional class room বা কিছুমান IAY ঘৰ বনাওঁতেও এই MSDP ৰ টকা ব্যৱহাৰ কৰা হৈছে। MSDP ৰ অধীনত polytechnic তথা science বিশেষকৈ girls residential school minority অধ্যুষিত অঞ্চলবিলাকত বনাব লাগে। মই তেলেংগানাত দেখি আহিছো তেওঁলোকে বহু school modern facility ৰ সৈতে বনাইছে। তেনেকুৱা scheme আমাৰ MSDP ৰ under ত ধৰা হৈছে নে নাই? যদি ধৰা হোৱা নাই, পৰবৰ্তী দিনত ধৰিব নেকি? প্ৰতিখন যি minority dominated block আছে সেই block বিলাকত চৰকাৰে তেনে school নিৰ্মাণ কৰাৰ সিদ্ধান্ত ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে MSDP ৰ আঁচনিৰ স্কুলৰ কথা কৈছে, শিক্ষাৰ কথা কৈছে, আমি ইতিমধ্যে কৈছো যে, ২১ খন model residential school আমি অসমৰ ২১ টা বিভিন্ন block ত স্থাপন কৰিবলৈ গৈ আছো। ইতিমধ্যে tender হৈ গৈছে আৰু খুব সোনকালে আমি কাম আৰম্ভ কৰিম। যিবিলাক আপুনি ক'লে অংগনবাদী চেণ্টাৰ IAY ৰ ঘৰ Additional class room সেই বিলাক আমাৰ চৰকাৰ অহাৰ পাছত লোৱা হোৱা নাছিল। এই বিলাক ১১-১২ ত প্লেনত সেই scheme বিলাক আছিল IAY ৰ ঘৰ। ৩৬০০০ টকাৰ ঘৰ আছিল। Additional class room ৪ লাখ বা ৫লাখ টকাৰ ভিতৰত সৰ্বশিক্ষা মিচনৰ যিটো আৰ্হি, সেই আইন মতে Additional class room আছিল। তেনেকৈ খোৱা পানীৰ ব্যৱস্থা সেই NSDP ৰ শিতানৰ পৰা লোৱা হৈ আছিল। কিন্তু সেই বিলাক কাম কিমানদূৰ হৈছে, সেই বিলাক আপোনালোক সন্মানীয় বিধায়ক সকলে আপোনালোকৰ সমষ্টি বিলাকত আপোনালোকে চাব। আৰু সেই বিলাক কাম আমি জিলা উপায়ুক্তৰ যোগেদি সেই বিলাকৰ পূঁজি মোকলাই দিছো। কিন্তু এতিয়া আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পাছত আমি Residential school ৰ কাৰণে গৈ আছো। আমি প্ৰত্যেক টো block head quarter ত আমি এটা সম্ভৰনা মণ্ডপ NSDP ৰ যিবিলাক block আছে, সম্ভৰনা মণ্ডপ তৈয়াৰ কৰিবৰ কাৰণে গৈ আছো। আৰু ভাৰত চৰকাৰে আমাক কৈছে যে অকল NSDP ৰ related block নহয়, যিবিলাক অঞ্চলত, যিবিলাক গাওঁত ২৫% বা যিবিলাক পঞ্চায়তত ২৫% ৰ ওপৰত minority লোক আছে, minority মানে মুছলমান, খ্ৰীষ্টান, জৈন, বৌদ্ধিক যি সকল লোক আছে, তেওঁলোকৰ ২৫% ৰ ওপৰত যদি population হয়, তেতিয়াহ'লেও সেই ব্লক বিলাকে NSDP ৰ ব্লক বিলাকৰ অধীনত যদি নপৰে পঞ্চায়ত বিলাকতো আমি NSDP আঁচনি, প্ৰধান মন্ত্ৰীৰ জন বিকাশ কাৰ্য্যক্ৰমৰ যোগেদি আমি আঁচনিখন ল'ব পাৰিম।

মাননীয়অধ্যক্ষ ঃ-কথাটো হয়, মই সেই কাৰণে আপোনালোকক কৈছিলো, Minority Development Board ৰ পৰা গৈ NSDPপালেগৈ। কথাবিলাক মন্ত্ৰীয়েও উত্তৰ দিছে কাৰণে আপোনালোকেও প্ৰশ্ন কৰিছে। আমি যদি প্ৰশ্ন বিলাক Suplementary বিলাক Question specific নহয়, তেতিয়া হ'লে বাকী Member সকলৰ বাবে বহুত অসুবিধা। মই সেই কাৰণে এই কথাবিলাক একো কোৱা নাই। মন্ত্ৰী সকলেও সেইটো নকৰিলেও মই একো আপত্তি নকৰো। খালেক ডাঙৰীয়া, Thank you.আপুনি কৈছে কথাটো। But it should be minority Board specific. অন্য নকৰিব।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, সদস্য ঃ**- মোৰ এটা suggestion আছিল।

**মাননীয় অধ্যক্ষ ঃ**- Minority Board specific.

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, সদস্য ঃ**- যিহেতু NSDPৰ কথাটো ওলাইছে।

**মাননীয় অধ্যক্ষ ঃ**- নকৰিব। মই সেই কাৰণে কৈ দিলো। এতিয়া ৰূপজ্যোতি।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো, যোৱাবাৰ অধিবেশনত এই কথাটো ওলাইছিল, যে NSDP এটা নিৰ্দিষ্ট কেইটামান block ৰ মাজতে সামৰিছে। কিন্তু উজনি অসমৰ যোৰহাটকে ধৰি গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া, লক্ষীমপুৰ এই অঞ্চলবোৰত minority development board ৰ যোগেদিহে আমাৰ যি সকল সংখ্যালঘু লোক আছে, তেওঁলোকে কিবা এটা আঁচনি বা সা-সুবিধা পাই আছিল। কিন্তু য'ত ৩ বছৰ হ'বলৈ হ'ল যোৱাবাৰো মন্ত্ৰী মহোদয়ে অধিবেশনত কথা দিছিল

যে development board টো অতি শীঘ্ৰেই গঠন কৰা হ'ব আৰু ইয়াৰ যোগেদি আঁচনিবোৰ প্ৰদান কৰা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে development board টো গঠন কৰা হ'ল নেকি ? যদি গঠন কৰা হ'ল, তেতিয়া কিবা আঁচনি আমাক প্ৰদান কৰিছে নেকি ? NSDP block ৰ অধীনত সংখ্যালঘু লোক সকলে পাই আছে। আমাৰ সেই অঞ্চল সমূহৰ কিন্তু সংখ্যালঘু লোক সকলে এই development board ৰ সা-সুবিধা পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, Minister please.

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ওপৰোক্ত বক্তা, আমাৰ প্ৰশ্নকৰ্তা ৰূপজ্যোতি কুৰ্মীয়ে কলে, আপুনি minority development board ৰ কথা কৈছে নে, NSDP ৰ কথা কৈছে ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্যঃ-**minority development board ৰ

**শ্ৰীৰঞ্জিত দত্ত, মন্ত্ৰীঃ-** minority development board কিয় কৰা হোৱা নাই, ইতিমধ্যে আমাৰ প্ৰক্ৰিয়া চলি আছে। আমাৰ জিলা পৰ্য্যায়ত বা Sub-division পৰ্য্যয়ত যিবিলাক minority development board গঠন কৰিবলগীয়া আছে, সোনকালে কৰা হ'ব। আগতে আপোনালোকৰ চৰকাৰৰ যি নিয়ম আছে, সেই নিয়ম মতেই কৰা হ'ব। খুব সোনকালে গঠন কৰিবলৈ গৈ আছো।

**মাননীয় অধ্যক্ষ ঃ** Question No.22 দুৰ্গা ভূমিজ, Minister Social Welfare.

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী দুৰ্গা ভূমিজ, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসমত ডাইনী হত্যা ইমানেই হৈছে, কিন্তু আজি প্ৰশ্নৰ উত্তৰত আমি ইয়াৰ পদক্ষেপ চৰকাৰৰ তৰফৰ পৰা কি লৈছে, আমি ইয়াত দেখা পোৱা নাই যোৱা কালিও বোধকৰো চিৰাং জিলাত ডাইনী হত্যাকাণ্ড হৈছে। মই শুধিছিলো যে ডাইনী হত্যাকাণ্ডৰ যি সকল হত্যাকাৰী তেওঁলোকৰ কাৰণে কেনে ব্যৱস্থা লৈছে? আৰু যি সকল Victim family তেওঁলোকক চৰকাৰৰ তৰফৰ পৰা কিবা আৰ্থিক সাহায্য দিব নেকি ? বিবেচনা কৰি থকা হৈছে বুলি কৈছে, পৰীক্ষা কৰি থকা হৈছে বুলি কৈছে, গতিকে আৰু কিমান দিন পৰীক্ষা কৰি থাকিব ? কিমান ডাইনী মৰিয়েই থাকিব ? গতিকে পোনপটীয়াকৈ ইয়াত আমি বিচাৰিছো যে Victim family বিলাকৰ এনেকুৱা অত্যাচাৰ হয় যে সেই গাওঁখনত থাকিব নোৱাৰে। অকল তেওঁক হত্যা কৰি ক্ষান্ত নাথাকে হত্যাকাৰীসকলে, তেওঁলোকক সেই গাঁৱৰ পৰা খেদি পঠায়। মাটিবাৰীবোৰ তেওঁৰ লুণ্ঠন কৰা হয়। গতিকে ইয়াৰ বৃহৎ পদক্ষেপ নল'লৈ, এই ডাইনী হত্যা ৰোধ কৰাটো সম্ভৱ নহয়। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে শেহতীয়াকে কিবা তেওঁলোকে পদক্ষেপ লৈছে নেকি ? Victim family ক মই আশা কৰে ৫ লাখ টকা দিয়াৰ উপৰিও চৰকাৰী চাকৰি দিব লাগিব। এনেধৰণে কৰিলে নিশ্চয় মানুহে অলপ সকাহ পাব। ইয়াৰ উপৰিও, হত্যাকাৰী সকলক যিটো ধাৰা দিয়া হৈছিল, সেইটোত ১৫ দিন ২০ দিনতে তেওঁলোকে জামিন পাই যায়। গতিকে হত্যাকাৰীৰ কাৰণে এনেধৰণৰ ধাৰা হ'ব লাগে যাৰ যাৱজ্জীৱন কাৰাদণ্ড বা তেওঁ যথেষ্ট শাস্তিৰ সন্মুখীন হ'ব। তেনেকুৱা এটা ধাৰা দিয়া উচিত হ'ব। এনেকুৱা কৰিব নেকি ? দ্বিতীয় কথা যে অন্ধবিশ্বাস দূৰীকৰণৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা কি পদক্ষেপ লোৱা হৈছে? কেৱল চৰকাৰৰ ফালৰ পৰা এটা উত্তৰ দিব লাগে, দিয়া হৈছে। সেইটোত মই অকনমানো সন্তুষ্ট নহয়। কথাটো হ'ল যে সমাজ কল্যাণ বিভাগে অসম ৰাজ্যিক মহিলা আয়োগৰ তৰফৰ পৰা এখন

সজাগতা সভা পাতে বুলি কৈছে। আমি যোৱা ২০ বছৰে মহিলা আয়োগৰ তিনিচুকীয়া জিলাত বা ডুমডুমা সমষ্টিত কোনো সজাগতা সভা হোৱা নাই, য'ত আটাইতকৈ বেছিকৈ ডাইনী হত্যাকাণ্ড হৈ আছে। গতিকে সুকীয়াকৈ বাজেট ত এটা পুঁজি ধাৰ্য্য কৰিব নেকি? মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**- মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰী মতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই যিটো কথা কৈছে, যে যি সকল Victim family তেওঁলোকক আৰ্থিক সাহায্য দিব লাগে। আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আগৰ চৰকাৰৰ দিনত হোৱা নাছিল। আমাৰ চৰকাৰৰ দিনটো এতিয়ালৈকে আমি এইটো ব্যৱস্থা কৰা হোৱা নাই। কিন্তু এতিয়া আমি ইয়াৰ ওপৰত বিচাৰ বিবেচনা কৰি আছো। আমি আলোচনা কৰিছো যদি দিয়া হয় তেতিয়াহলে ভাল হয়। কিন্তু বিষয়টো হ'ল আইন শৃংখলাৰ বিষয়। সেই কাৰণে পুলিচ বিভাগে ইয়াৰ ওপৰত একশ্যন লয়। একশ্যন লোৱাটো পুলিচ বিভাগৰ দায়িত্ব হয়। আৰু সজাগতাৰ কাৰণে হয় সমাজ কল্যাণ বিভাগৰ অসম ৰাজ্যিক মহিলা আয়োগে ঠয়ে ঠাযে কিছুমান awareness campaign কৰা হয়। awareness campaign কৰাৰ পাছত পুলিচক তেওঁলোকে তথ্য বিলাক দাখিল কৰে, একশ্যন লবৰ কাৰণে। ইয়াতে মহিলা আয়োগৰ দায়িত্ব টো শেষ হৈ যায়। একশ্যন লোৱাৰ দায়িত্ব টো পুলিচ বিভাগৰ। পুলিচ বিভাগে নিজৰ আয়ত্বত, নিজৰ পৰিসীমাৰ ভিতৰত একশ্যন লোৱাৰ ব্যৱস্থা কৰে। এইটো আমাৰ বিভাগৰ লগত জড়িত নাথাকে। তথাপিও মাননীয় সদস্য ডাঙৰীয়াই যিটো কথা কৈছে আমি বিষয়টো গুৰুত্ব সহকাৰে লৈছো। আৰু awareness campaign ৰ কাৰণে ঠায়ে ঠায়ে NGO বিলাকে বা মহিলা সংগঠন বিলাকে কিছুমান campaign কৰে। কিন্তু তেওঁলোকে নিজাববীয়াকে কৰি থাকে। যেনেকে আমাৰ এটা সংগঠন আছে, Voluntary Organization, All Assam Bodo মহিলা আয়োগ সেই সন্থাটো, আমাৰ সংগঠনটো ঠায়ে ঠায়ে এনেকুৱা ধৰণৰ সজাগতাৰ সৃষ্টি কৰিবৰ কাৰণে মিটিং কৰা হয়। তেওঁলোকেও নিজাববীয়কৈ কৰে। NGO বিলাকেও ঠায়ে ঠায়ে এনেকুৱা কৰে। গতিকে অকল মহিলা আয়োগ নহয়, সংগঠন বিলাকেও কৰি থাকে। কিন্তু আমাৰ বিভাগৰ লগত যোগাযোগ নাথাকে কাৰণে সংগঠন বিলাকৰ নামটো আমি দিব পৰা নাই।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** ক্ৰমশ... তথাপিও এই কামটো ঠায়ে ঠায়ে কৰি থকা হয়। মই মাননীয় সদনক জনাইছো। আৰ্থিক অনুদানৰ কাৰণে যদি মাননীয় সদনৰ সকলো সদস্যই যদি সহমত কৰে, মোক পৰামৰ্শ দিয়ে, তেতিয়াহ'লে ইয়াৰ ওপৰত আমি গুৰুত্ব সহকাৰে বিবেচনা কৰিম।

**শ্ৰী দুৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে এই ডাইনী হত্যা কাণ্ডটো সমাজ কল্যাণ বিভাগেও লব পৰা নাই কোনো আইনৰ ব্যৱস্থা, অসমেও লব পৰা নাই। দুটা আইন দুটা নাওত থকাৰ নিচিনা হৈ আছে। গতিকে এটা হ'ব লাগিব হয় , গৃহ বিভাগ সম্পূৰ্ণ দায়ীবদ্ধ নতুবা সমাজ কল্যাণ বিভাগৰ। এইটো হ'লে ভাল হ'ব। দ্বিতীয় কথা, মই ডুমডুমা হান্তৰাৰ কথা সুধিছিলো। দুগৰাকী দম্পতীহালক হত্যা কৰা হৈছিল। এগৰাকী দহ বছৰীয়া ছোৱালী তাতে আছিল, স্কুলত পঢ়িছিল। এতিয়া তাই স্কুলো শেষ হ'ল সেই অঞ্চলত থাকিব নোৱাৰে, তাৰে এখন অন্য চাহ বাগিচাত থাকিবলৈ লৈছে। গতিকে তাইক চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহাৰ্য্য দিব নেকি ? কাৰণ ভৱিষ্যতৰ কাৰণে লিখা-পঢ়া ইত্যাদিৰ কাৰণে দিব পৰা যাব নেকি? তাৰ কাৰণে মই উত্তৰ বিচাৰিছো।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰশ্নটো পোৱাৰ

পিছতে তিনিচুকীয়া জিলাৰ আৰক্ষী বিষয়াৰ লগত যোগাযোগ ৰাখিছো। তেওঁলোকে আমাক জানিব লৈ দিছে যে, ছোৱালী গৰাকী দইডাম চাহ বাগিচাত বসবাস কৰি থকা তেখেতৰ ককাইয়েক জেকি কিষানৰ সৈতে তেওঁ বসবাস কৰি আছে আৰু যিগৰাকী ছোৱালীৰ কথা আপুনি কৈছে চুচ্‌মা কিষান তেওঁ দৰ্জী পতিৰ পেৰি স্কুলত পঢ়া-শুনা কৰি আছে আৰু জানিবলৈ দিয়া হৈছে যে, নিৰাপত্তাজনিত কাৰণত সেই অঞ্চলত তেওঁ সুৰক্ষিত বুলি আমাক জানিবলৈ দিলে আৰু যদি পৰিয়ালৰ লোকে যদি কয় ছোৱালীজনীৰ নিৰাপত্তাৰ অভাৱ হ'ব পাৰে বুলি অনুভৱ কৰে, যদি সমাজ কল্যাণ বিভাগক দায়িত্ব দিয়া হয়, তেতিয়াহ'লে আমি children care সমূহত ৰাখিব পাৰো। সেইটো পৰিয়াল বৰ্গৰ ওপৰত নিৰ্ভৰ কৰিব।

**মাননীয় অধ্যক্ষ ঃ**দ্বিতীয় প্ৰশ্নটো শ্ৰী প্ৰশান্ত ফুকনে কৈছিলে, তাৰ আগতে মই ভাৱো যে ছোৱালীজনীক আপুনি স্বহীদৰ পৰা অলপ টকা দিব পাৰে পঢ়া-শুনাৰ কাৰণে আৰু এই এন জি অ' সকলক ফাণ্ডিং কৰাটো বেয়া নহয়। সেইটো ভাল কথাই কৈছে, যদি পৰা যায়। যিহেতু আমি সকলোৱে একমত আছো।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো তেনেকুৱা ধৰণৰে আছিলে । ইয়াত ২০০১ চনৰ পৰা ২০১৯ চনলৈ ১৬১ জনক ডাইনী হত্যাৰ জৰিয়তে মৃত্যু হৈছে বুলি কব খুজিছে, কিন্তু গোচৰ হৈছে ১৩৩ জন। এতিয়া আটাইতকৈ ডাঙৰ কথা হৈছে যে, এই যিখিনি মানুহ

মৰে, এই গোটেই মানুহখিনিয়ে প্ৰায় বি পি এল লেভেলৰ মানুহ। এতিয়া আমাৰ চৰকাৰে তাৎক্ষণিক ভাৱে এটা ব্যৱস্থা লব লাগে যে, মৰাৰ এসপ্তাহৰ ভিতৰত তেওঁলোকক কিবা অৰ্থনৈতিক ভাৱে সহায় কৰাৰ ব্যৱস্থা machanism বিভাগটোৱে উন্নত কৰিব লাগে। কাৰণ এই ডুমডুমাৰ যিগৰাকী ছোৱালী, মাননীয় সদস্যগৰাকীয়ে কৈছে, সেই ছোৱালীজনাৰ বিষয়ে মইও জানো। এতিয়া লোকৰ ঘৰত আছেগৈ আৰু অলপ দিনৰ পাছত, মানুহে প্ৰথম অৱস্থাত আবেগিকভাৱে লয়, মৰম কৰে কিন্তু পিছত গৈ ছোৱালীজনী আলৈ আথানি হোৱাৰ দৃষ্টান্ত আছে। সেই কাৰণে অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত কৈছো যে, এই বিষয় লৈ আমি বহুতকে, মানুহৰ মৃত্যু হ'লে টকা ঘোষণা কৰো। এই বিষয়লৈ এটা চৰকাৰে ব্যৱস্থা লৈ তেওঁলোকক টকাৰ পৰিমাণ এটা দিয়াৰ ব্যৱস্থা কৰিলে ভাল হ'ব। সেই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়া, সৰু ছোৱালীজনীক পইচা দিয়াৰ পাছত কোনে ব্যৱহাৰ কৰিব। মই আপোনাক কৈছো যে, let us go for adoption. সেই ছোৱালীজনীক আমাৰ নিচিনা ১২৬ জন মানুহ আছো, তেনেকুৱা কৰবাত যদি এজন আমি adopt কৰি লব পাৰো কিশোৰীৰ ক্ষেত্ৰত । অকল এজনী ছোৱালী আছে বুলি কৈছে। আপোনাৰ প্ৰশ্নটো ভাল। যিটো জেনেৰেল প্ৰশ্নটো কৈছে আপুনি, সেইটো সচাঁ। যিহেতু বি পি এল পৰিয়াল। Money is not sufficient কিছুমান ক্ষেত্ৰত। নহলে child home ত আনিব পাৰে নেকি ?

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰায়বিলাক মানুহ নিৰক্ষৰ হয়। ১৬১ জন যদি আপুনি ভালকৈ চায়, সেই মানুহখিনিক আমি যদি এটা অৰ্থনৈতিকভাৱে সহায় কৰিব পাৰো, নিশ্চয় সেইটো এটা ভাল কাম হ'ব। কমকেই হওঁক চৰকাৰে এইটো চিন্তা কৰিব। কিন্তু কিবা এটা যদি তেওঁলোকক আমি মাহিলী দিব পাৰো, তেতিয়াহ'লে নিশ্চয় ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয়। মই সন্মত। ধন্যবাদ

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী প্ৰশান্ত

ফুকন ডাঙৰীয়াক আন্তৰিকভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। বিষয়টো বৰ স্পৰ্শকাতৰ। ডাইনী হত্যা বুলি কলে ঘৰৰ গোটেই পৰিয়ালটোকে হত্যা কৰা হয়। তাৰপাছতো কোনোবা যদি বাচি যায়, আৰু তেওঁলোকৰ কাৰণে যিসকল বাচি যায়, তেওঁলোকৰ কাৰণে অৱস্থা শোচনীয় হয়। এইক্ষেত্ৰত সকলোৱে যদি মোক পৰামৰ্শ দিয়ে, তেতিয়াহ'লে এই বিষয়ত কেনেকুৱা ধৰণৰ দায়িত্ব লব লাগে বা আৰ্থিক সাহাৰ্য্য দিব লাগে বুলি কয়, তেতিয়াহ'লে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াৰ লগত এই বিষয়ত আলোচনা কৰি পদক্ষেপ লম।

**মাননীয় অধ্যক্ষ ঃ** Definately Government will agree. পিচৰ প্ৰশ্নটো আছিলে শ্ৰী থানেশ্বৰ বসুমতাৰী। এইটো বৰ স্পৰ্শকাতৰ বিষয়।

**শ্ৰী থানেশ্বৰ বসুমতাৰী, চাপাগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো খুব স্পৰ্শকাতৰ। যিখিনি ডাইনী হত্যাহৈ আছে, সেইবিলাক বিশেষভাৱে এই ট্ৰাইবেল বসতি অঞ্চলবিলাকত হৈ আছে। মোৰ সমষ্টিত মই যিখিনি কাম কৰিছো, যিখিনি পাই আছো, এই পবিত্ৰ সদনত সকলোৱে জ্ঞাতাৰ্থে কববলৈ বিচাৰিছো যে আমি সৰুৰে পৰা পাই আহিছো এই সমস্যাবিলাক। ক্ৰমান্বয়ে এই ঘটনা বাৰে বাৰে হৈ থকাৰ পিছত মোৰ সমষ্টিত মই য'ত থাকো বিশেষকৈ জালাহ চাৰ্কোল বাক্সা জিলা, মোৰ চাপাগুৰি সমষ্টিত এই সমস্যাটো প্ৰতিৰোধ কৰাৰ কাৰণে আমি যোৱা ২০০৬ চনত ডাইনী অন্ধবিশ্বাস প্ৰতিৰোধী যৌথ মঞ্চ বুলি কমিটি এখন গঠন কৰিছো আৰু এই কমিটিত বিশেষকৈ বড়ো সাহিত্যসভা, অসম সাহিত্যসভা, আবছু, আছু আৰু Maozigendri Ecotourism Society বুলি কোৱা এটা এন জি অ' আছে আমাৰ। এখেতে সকলোক লৈ প্ৰশাসনৰ ফালৰ পৰা অ' চি আৰু এচ ডি পি অ' আৰু মই নিজে এজন বিধায়ক। আমি সকলোৱে মিলি ডাইনী প্ৰতিৰোধী মঞ্চ গঠন কৰিছো আৰু যেতিয়া আমি কিছুমান অঞ্চলত এই সম্পৰ্কে কিছু কথা জানো, তেতিয়া তৎক্ষণাত অ' চিৰ দ্বাৰা সেই বস্তুখিনি আমি হস্তক্ষেপ কৰো আৰু লগে লগে গৈ একেদিনাতে আমি এই অঞ্চলত সজাগতা সভা পাতো। তাৰপাছত ঘটনাটো কিহৰ পৰা উৎপন্ন হৈছে, এই ঘটনাটো আমি যদি এই সদনৰ সকলো বিধায়কে যদি এই ক্ষেত্ৰত এনেধৰণৰ পদক্ষেপ হাতত লয়, তেতিয়াহ'লে দেখা যাব বিশেষকৈ কোকাৰাঝাৰ এইটো ট্ৰাইবেল অঞ্চল, বড়ো অঞ্চল তাত আজিলৈকে ৪৫ জনৰ মৃত্যু হৈছে। ওডালগুৰিত ১৫ জন আৰু চিৰাং জিলাত ২৪ জন। এই যে তথ্য বিলাক ইমান বেছিকৈ আছে, আৰু বাক্সা জিলাত ইয়াত উল্লেখযোগ্য এটাই ঘটনা হৈছে। গতিকে এই এন জি অ' বিলাকক যিটো কমিটি গঠন হৈছে, কমিটি বিলাকক কিছু সাহাৰ্য্য দিলে ভাল হয়। কাৰণ মই নিজে বহুত টকা খৰচ কৰি সেইখিনি সজাগতা আনিছো। গতিকে আজি সদনত মই আহ্বান জনাইছো যে, যিসকলে মৃত্যু হোৱা পৰিয়াল বিলাকক যদি তেনেকুৱা সাহাৰ্য্য দিব পৰা যায় আৰু এই যিবিলাক এন জি অ' ই ভাল কাম কৰি আছে, তেখেতসকলক সাহাৰ্য্য প্ৰদান কৰিলে নথৈ আনন্দিত হ'ম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ইতিমধ্যে সন্মত হৈছে। I think it we have agreed already.আৰু ইয়াৰ পিছত আছে শ্ৰী আমিনুল ইছলাম আৰু তাৰপাছত শ্ৰীকমলেক্ষ দে পুৰকায়স্থ।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে যিগৰাকী ছোৱালীৰ কথা কোৱা হৈছে, ছোৱালীগৰাকীৰ সুৰক্ষাৰ ওপৰত চকু ৰাখিববলৈ ড্ৰুম ডুমা থানাৰ প্ৰহৰীয়ে প্ৰতিদিনে দিহা দি ৰাখিছে। সকলোতকৈ ডাঙৰ কথাটো হ'ল যে, ডাইনী হত্যাটো হ'ল Moblynching এটা অংশ আৰু Moblynching ৰ কাৰণে অসমত কোনো আইন নথকাৰ কাৰণে Moblynching ছাতিৰ তলত অপৰাধীসকল সাৰি যায়। সেই কাৰণে বাৰে বাৰে তেওঁলোকে কৰিববলৈ সাহস পাইছে।

কাৰ্বি আংলংত নিলোৎপল অভিজিতৰ হত্যা কাণ্ডৰ পিছত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কথাটো উপলব্ধি কৰি অসম বিধান সভাত কৈছিল যে Mob lynching ৰ বিৰুদ্ধে এটা আইন আমি বিধান সভাত অতি শীঘ্ৰে গ্ৰহণ কৰিম, বিল পাছ কৰিম যাতে Mob lynching ৰ under ৰ তলত এই হত্যাকাৰী সকল সাৰি যাব নোৱাৰে। গতিকে এই ক্ষেত্ৰত চৰকাৰে আমি ভাৰো মুখ্যমন্ত্ৰী মহোদয়ে যিটো কথা কৈছিল Mob lynching ৰ Against ত এটা কঠোৰ আইন অতি সোনকালে যদি গ্ৰহণ কৰে, এই বিষয়ে চৰকাৰে কিবা পদক্ষেপ ল'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই এইটোৰ উত্তৰ দিবটো চাগে নোৱাৰিব। আপুনি এইটো Take Up কৰক মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত। Definitely মুখ্যমন্ত্ৰী Take Up কৰি আপোনাক জনাব।

**শ্ৰীকমলেক্ষ্য দে পুৰকায়স্থ ঃ** চাৰ, কথাটো হৈছে কি ডাইনী হত্যাৰ ক্ষেত্ৰত চৰকাৰ কঠোৰ হ'ব লাগে, এইটোত আমি প্ৰত্যেকে একমত। কথাটো হৈছে কি অধ্যক্ষ মহোদয়, যে মন্ত্ৰী মহোদয়ে Awarnessৰ কথা ক'লে আৰু, যে NGO বিলাকক দায়িত্ব দিয়া হৈছে। মই ভাৰো কেৱল NGO বিলাকক দায়িত্ব দিলে নহ'ব। কেন্দ্ৰীয় চৰকাৰে এটা মিটিং পাতিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আগৰ predecessor ৰে খুব ধুনীয়া এটা উদাহৰণ দিলে।

**শ্ৰীকমলেক্ষ্য দে পুৰকায়স্থ ঃ** আৰু আমি প্ৰত্যেকজন বিধায়কে যেতিয়া গোটখাম একেলগে তেতিয়া ভাল হ'ব। মোৰ সমষ্টিত অধ্যক্ষ মহোদয়, আব্দুল মটিম বুলি মানুহ এজনক Mob lynching ত মাৰা হৈছিল। এইটো ক্ষেত্ৰত যাতে ব্যৱস্থা লোৱা হয় আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কলে। গতিকে মন্ত্ৰী মহোদয়ে যাতে কিবা এটা কঠোৰ ব্যৱস্থা সেইকাৰণে লয়।

**মাননীয় অধ্যক্ষ ঃ** I think, we should Thaneswar Basumatary ৰ Exampleটো বেয়া হোৱা নাই, আমি সকলোৱে Adopt কৰিব পাৰো। চৰকাৰে যদি সেইটো লৈ লয় সকলোকে দিয়ে ভাল হ'ব। এতিয়া প্ৰশ্ন নম্বৰ ২৩, মামুন ইমদাদুল হক চৌধুৰী। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** চাৰ, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো সুধিছিলো পেঞ্চন সম্পৰ্কত। প্ৰশ্নটো আছিল এনেকুৱা ধৰণৰ- বৰ্তমান চৰকাৰখনে মুঠ কিমানজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক পেঞ্চন দিব লগা হয়? ইয়াৰে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কিমান? পৃথকে পৃথকে জনাব। চৰকাৰখনে কলে বৰ্তমান চৰকাৰখনে প্ৰত্যেকজন। মই সুধিছিলো কিমানজন? চৰকাৰখনে কলে প্ৰত্যেকজন। মই Total হিচাপ বিচাৰিছিলো যে অসমত কিমানজন মানুহক পেঞ্চন দিব লগা হয়? আৰু তাৰে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কিমান? মই Total হিচাপটো বিচাৰিছিলো, কিন্তু উত্তৰটো চাৰ, দিয়া নাই। মোক কিমানজনৰ ঠাইত মাত্ৰ প্ৰত্যেকজন বুলি ক'লে। প্ৰত্যেকজনক যে দিয়ে সেইটো আমি জানো। কিন্তু এই প্ৰত্যেকজন কিমানজন? সেইটো আমাক Clear লাগে। তাৰ পিছত চাৰ, ইয়াত প্ৰশ্ন একেটাৰে প্ৰশ্ন 'ক' ৰ second paragraph ত চৰকাৰ খনে ক'লে পেঞ্চন সঞ্চালকালয়ৰ জৰিয়তে কেৱল অসম চৰকাৰৰ অধীনত প্ৰাদেশীকৃত বিদ্যালয় সমূহৰ শিক্ষক-কৰ্মচাৰী আৰু প্ৰাদেশীকৃত পঞ্চায়ত সমূহৰ কৰ্মচাৰী সকলৰ পেঞ্চন নিয়মীয়া কৰণ কৰা হয়। মোৰ প্ৰশ্নটো আছিল মুঠ কৰ্মচাৰী। ইয়াত কোৱা হ'ল শিক্ষক-কৰ্মচাৰী আৰু প্ৰাদেশীকৃত পঞ্চায়ত সমূহৰ। গতিকে এই বস্তুটো চাৰ, Clear কৰিলে ভাল হয়। Total কিমানজনক পেঞ্চন চৰকাৰে দিয়ে? তাৰে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কিমান? এই বস্তুটো মোক জনালে হ'ল। ইয়াৰ তলত যিখিনি দিছে ২০১৫ চনৰ পৰা ২০১৬ চনলৈকে, মই এইটোৰ Details বিচৰা নাছিলো। মই Total টো বিচাৰিছিলো।

**माननीय अध्यक्ष ঃ** ঠিক আছে। Minister Please.

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে প্ৰশ্নটো কৰিছিল বৰ্তমান চৰকাৰখনে মুঠ কিমানজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক পেঞ্চন দিব লগা হয়? কিন্তু পেঞ্চন বিভাগৰ তৰফৰ পৰা আমাৰ যিটো তথ্য আছে যে পেঞ্চন সঞ্চালকালয়ৰ জৰিয়তে অসম চৰকাৰৰ অধীনত প্ৰাদেশীকৃত বিদ্যালয় সমূহৰ শিক্ষক-কৰ্মচাৰী আৰু প্ৰাদেশীকৃত পঞ্চায়ত সমূহৰ কৰ্মচাৰী সকলৰ পেঞ্চন নিয়মীয়া কৰণ কৰা হয়। বাকী যিখিনি আপোনাৰ Class-I Officer বা যিখিনি বিষয়া সকল আছে তেওঁলোকক AG Office ৰ পৰা পেঞ্চন দিয়াৰ ব্যৱস্থা আছে। গতিকে উত্তৰটো মই ভাৱো তেখেতে আমাৰ পেঞ্চন সঞ্চালকালয়ৰ হাতত যিটো তথ্য আছে, পেঞ্চন দিব পৰা, পেঞ্চনৰ যিমানখিনি কামকাজ চলি আছে, আটাইখিনি উত্তৰেই ইয়াত দিয়া হৈছে। AG Office ৰ পৰা যি সকল লোকে পেঞ্চন পাই আছে Class-I Officer বা বেলেগ বেলেগ বিভাগৰ বিষয়া সকলেই হওক, তেওঁলোকৰ AG Office ৰ পৰা উত্তৰ দিয়াৰ ব্যৱস্থাটো হ'ব। কিন্তু উত্তৰটো আমি ইয়াত যিখিনি আমাৰ অসম পেঞ্চন সঞ্চালকালয়ৰ অধীনত যিখিনি পেঞ্চন দিয়াৰ ব্যৱস্থা সেইখিনি আমি ইয়াত থাকিব বুলি কৈছো।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** চাৰ, প্ৰাদেশীকৃত পঞ্চায়ত বস্তুটো মই বুজি নাপালো। এইটো অনুগ্ৰহ কৰি বুজাই দিব। প্ৰশ্নটোৰ 'খ' ত মই এটা প্ৰশ্ন কৰিছিলো চৰকাৰখনে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ সুবিধাৰ্থে পেঞ্চনৰ যাৱতীয়া কাম-কাজ গুৱাহাটীৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ পৰা জিলা সদৰলৈ স্থানান্তৰৰ বিষয়ে কিবা প্ৰক্ৰিয়া হাতত লৈছে নেকি? মই প্ৰশ্নটো চাৰ, এই কাৰণেই কৰিছিলো ২০১৬ চনত যেতিয়া চৰকাখনে শপত গ্ৰহণ কৰিলে, শপত গ্ৰহণ কৰাৰ কেইদিন পিছত যেতিয়া Interim Budget চৰকাৰ খনে দিলে তেতিয়া মাননীয় বিত্তমন্ত্ৰী মহোদয়ে কৈছিল, এইটো Assembly ৰ বাজেটৰ Proceedingsত আপোনালোকে পাব, কৈছিলে যে দিছপুৰৰ পৰা বা গুৱাহাটীৰ পৰা District Headquarter লৈকে পেঞ্চনৰ ফাইল বিলাক লৈ যোৱা হ'ব। প্ৰস্তাৱটো চাৰ, আমি ভাল পাইছিলো। কাৰণ এজন শিক্ষক বা কৰ্মচাৰীয়ে নিজৰ নিজৰ জিলাৰ পৰা যেতিয়া গুৱাহাটীত পেঞ্চনৰ কাৰণে দৌৰিব লগা হয়, বহুত পৰিশ্ৰম হয়, কষ্ট হয়, ইমান দূৰৰ পৰা আহে, গোটেই অসম খনত চাৰ, 78000 Square Kilometer বহুত ডাঙৰ অঞ্চল, বহুত ডাঙৰ ৰাজ্য। বহু দূৰ-দুৰনিৰ পৰা যেতিয়া মানুহ আহে, মোৰ লক্ষিমপুৰৰ পৰা যেতিয়া 400 Kilometer আহে।

**माननीय অধ্যক্ষ ঃ** প্ৰশ্নলৈ আহক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** প্ৰশ্নলৈ আহিছো। ইয়াত পেঞ্চন অফিচত চাৰ, বাহাৰ পাতিব লগীয়া হয়, পহৰা দিব লগা হয়, কাম নহয়, ফাইলত ভুল ওলাই, আকৌ লক্ষিমপুৰলৈ উভতি যাব লগা হয়, আকৌ আহে, এনেকুৱা কৰোতে চাৰ ২ বছৰ, আঢ়ৈ বছৰ গুচি যায়। সেই সমস্যাটো সমাধানৰ কাৰণে মাননীয় বিত্তমন্ত্ৰী মহোদয়ে নিজে কৈছিলে যে আমি State Headquarter ৰ পৰা District Headquarter লৈকে পেঞ্চনৰ ব্যৱস্থাটো লৈ যাম আৰু ইয়াত কিন্তু মোক চৰকাৰে Reply দিলে, চৰকাৰে পেঞ্চনৰ যাৱতীয় কাম-কাজ জিলা সদৰসমূহলৈ হস্তান্তৰ কৰাৰ বাবে বৰ্তমানলৈ কোনো পদক্ষেপ লোৱা হোৱা নাই। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে ঘোষণা কৰাৰ আঢ়ৈ বছৰ পিছতো যদি Reply টো পাওঁ যে লোৱা হোৱা নাই আৰু আঢ়ৈ বছৰত আমি কি পাম?

গতিকে এই Clarification টো হ'লে ভাল আৰু মোৰ চৰকাৰৰ প্ৰতি অনুৰোধ থাকিল কোনো

Criticism নহয়, ইয়াৰ দ্বাৰা মানুহৰ চাৰ বহুত ভাল হ'ব। এজন L P School ৰ শিক্ষকেও ইয়াত আহি দিব লগা হয়। এইটোৱে মোৰ চৰকাৰৰ প্ৰতি অনুৰোধ থাকিল, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Minister Please.

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এটা ভুল হৈছে, প্ৰাদেশীকৃত পঞ্চায়ত, এই পঞ্চায়তটো প্ৰাদেশীকৃত হ'ব নালাগিছিল। কিন্তু যিহেতু তেখেতে আৰু এটা প্ৰশ্ন কৰিছে প্ৰশ্ন 'খ' ত যে চৰকাৰখনে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ সুবিধাৰ্থে পেঞ্চনৰ যাৱতীয়া কাম-কাজ গুৱাহাটীৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ পৰা জিলা সদৰলৈ স্থানান্তৰৰ যিটো বিষয়, তেখেতৰ পৰামৰ্শটো অতি সুন্দৰ পৰামৰ্শ আৰু এই পৰামৰ্শটো আমি বিভাগে চালি-জাৰি চাই আমি ইয়াত কাৰ্য্যক্ষেত্ৰত পৰিণত কৰিবৰ কাৰণে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰীনিজাম উদ্দিন চৌধুৰি আপোনাৰ Supplementary.

**শ্ৰীনিজাম উদ্দিন চৌধুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপনার মাধ্যমে আমি মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ের কাছে জানতে চাই যে বরাকের অৱসর প্রাপ্ত কর্মচারীদের পেন্সনের ব্যৱস্থা বরাকের তিন জেলার মধ্যে কাছাড় জেলাতে দেওয়া যাবে কি না সে বিষয়ে আমি জানতে চাই।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শ্ৰীনিজাম উদ্দিন চৌধুৰি ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, সেই প্ৰশ্নটো আমি বিবেচনা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** Next Question No. 24, Abdur Rashid Mandal. অহা নাই, তাৰ পাছৰ প্ৰশ্ন নং ২৫, নজৰুল হক, Minister Food and Civil Supply.

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীআব্দুল খালেক ঃ** চাৰ, উত্তৰত মন্ত্ৰীৰ নামটো উল্লেখ নাই।

**মাননীয় অধ্যক্ষ ঃ** বিভাগীয় মন্ত্ৰী তেওঁৰ দায়িত্বত আছে এতিয়া বৰ্তমান।

**শ্ৰীনজৰুল হক ঃ** অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে প্ৰশ্নৰ 'খ' ত অন্তৰ্দোৰা আঁচনিৰ কাৰ্ডত প্ৰত্যেক মানুহক, প্ৰতিমাহে ৩৫ কেজিকৈ যোগান ধৰা হয়, চৰকাৰে Transportation দিয়াৰ পাছতো প্ৰতিজনে Dealer য়ে Per Beneficiary ত কমচেকম ৫০০ গ্ৰাম চাউল প্ৰতিমাহে কম দি আছে, Per Card ৫ কেজিকৈ। চৰকাৰে ইয়াৰ কাৰণে কিবা ব্যৱস্থা কৰিবনে? এইটো গোটেই অসমতে হৈ আছে, কেৱল মোৰ সমষ্টিতে নহয়। ৩৫ কেজিৰ ঠাইত প্ৰতি ৫ কেজিত ৫০০ গ্ৰামকৈ চাউল কম দি আছে। য'ত চৰকাৰে Transportation দি আছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব নেকি?

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰশ্নৰ 'খ' ত যিটো প্ৰশ্ন আছে, যে আমি AAY ৰ ৩৫ কেজি আৰু PHH ৰ ৫ কেজিকৈ দিওঁ। তেখেতে উল্লেখ কৰি কৈছে যে ৩৫ কেজি চাউলৰ পৰা ১ কেজিকৈ চাউল কাটি ৰখা হয় বুলি তেখেতে উল্লেখ কৰিছে। তেনেকুৱা কোনো লিখিত তথ্য আমাৰ বিভাগৰ হাতত দিয়া নাই। যিবিলাক আমাৰ জিলা সমিতি আছে বা জিলাত যোগান বিভাগৰ বিষয়া সকল আছে, তাৰপৰা তেনেকুৱা ধৰণৰ কোনো ধৰণৰ অভিযোগো আমি পোৱা নাই আৰু দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, যদি তেনেকুৱা অভিযোগ আছে তেখেতৰ সমষ্টিত বা আমাৰ সন্মানীয় বিধায়কৰ সমষ্টিত, আমাৰ District Level Vigilance and Monitoring Committee এখন আছে। District Level Vigilance and Monitoring Committee খনৰ সন্মানীয় বিধায়ক গৰাকীয়ো সদস্য আৰু যদি তেনেকুৱা অভিযোগ আছে তেতিয়া হলে আপোনালোকে District Level Vigilance and Monitoring

Committee ত আপোনালোকে সভাখন পাতি এই বিষয় বস্তু বিলাক উত্থাপন কৰি ব যদি কিবা দুৰ্নীতি হৈছে সেই বিলাক আপোনালোকে নিজাৰবীয়াকৈ ব্যৱস্থা লবৰ কাৰণে আমি জিলা উপায়ুক্ত সমূহক নিৰ্দেশ দিয়া আছে। গতিকে আপোনালোক District Level Vigilance Committee খনত আপোনালোকে লগত লৈ তাত বহি আলোচনা কৰি সেই বিলাক চালি-জাৰি চাই আমাৰ জিলা উপায়ুক্ত বা মহকুমাধিপতি সকলৰ লগত আলোচনা কৰিব পাৰে। বিভাগৰ ফালৰ পৰা আমাৰ কোনো তেনেকুৰা তথ্য নাই।

**শ্ৰী নজৰুল হ'ক ( মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অভিযোগৰ ভিত্তিত জিলা বিষয়া ডাঙৰীয়াই ব্যৱস্থা লৈছিল বুলি মই শুনা পাইছো। কেইবাজনো Dealer ক বৰ্খাস্ত কৰিছিল। এই বৰ্খাস্ত ১৫ দিনৰ ভিতৰত Withdraw কেনেকৈ হব পাৰিলে আমাক অৱগত নকৰাকৈ কিবা বুজা বুজিত ১৫ দিনৰ ভিতৰত Suspension Withdraw কৰি সেই ব্যক্তিজনক আকৌ বাহাল ৰখা হ'ল। দ্বিতীয়টো, ইয়াৰে দুই নম্বৰ প্ৰশ্নৰ উত্তৰত কেৰাচিন তেল কেন্দ্ৰীয় চৰকাৰৰ আৱন্টতনৰ ওপৰত ভিত্তি কৰি প্ৰতি পৰিয়ালক "**অন্ত্যোদয়া**", "**অন্ন**" যোজনা আৰু Priority Household হাৰত ৩ কিলো ৫০ লিটাৰ কেৰাচিন তেলৰ যোগান ধৰা হয়। এই কথাটো কেন্দ্ৰীয় চৰকাৰৰ আৱন্টতনৰ ওপৰত ভিত্তি কৰি প্ৰতি মাহে আমাৰ ৰাজ্য চৰকাৰে আৱন্টন দিয়ে। কিন্তু আমাৰ যিমান Dealer আছে গোটেইখিনি Dealer ৰ পৰা জানিব পাৰিছো, জিলা অফিচাৰৰ পৰা জানিব বিচাৰিছো চৰকাৰে ২ কেজি ২লিটাৰ আৱন্টন কৰে। তাৰ ভিতৰত হিতাধিকাৰী মাত্ৰ ১.৫০ লিটাৰ কৈ হে পায় যাৰ বিপৰীতে পইচা কিন্তু বেচিকৈ লয়। এই ক্ষেত্ৰত নিমখ, আটাৰ কথা মই বাদে দিছো, কমচেকম কেৰাচিন তেলৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ লব লাগে। এই বস্তুটো কেন্দ্ৰীয় চৰকাৰৰ আৱন্টৰ ওপৰত ভিত্তি কৰি যাৰ কাৰণে Dealer আৰু সমবায়ৰ সভাপতি সকলে এটা সুযোগ লয়। কাৰণ আমি সঠিক তথ্যটো নাপাওঁ। মন্ত্ৰী মহোদয়ৰ, ফালৰ পৰা জিলা বিষয়া সকল আৰু বিভাগলৈ এটা নিৰ্দেশনা যাব লাগে, প্ৰতিজন বিধায়কক যেতিয়া Allotment হব যাতে জনায় দিয়ে। তেতিয়া হলে আমি ধৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কেৰাচিন তেলৰ কথাটো কৈছে, যে প্ৰতি পৰিয়ালক AAY আৰু PHH যি পৰিয়াল আছে, আমি ৩.৫০ লিটাৰ আমি যোগান দিওঁ। কেৰাচিন তেলৰ হয়টো আগতে নাটনি আছিলে কিন্তু কেৰাচিনৰ কোনো নাটনি বৰ্তমানলৈকে দেখা হোৱা নাই। প্ৰত্যক জিলা বিলাকলৈ আমাৰ Allocation টো যায় আৰু বিধায়ক সকলকো অৱগত কৰে জিলাৰ তৰফৰ পৰা। কেৰাচিন বা চাউলৰ ক্ষেত্ৰত প্ৰত্যক জিলাৰ বিধায়ক সকলক অৱগত কৰা হয়, নিশ্চয় চিঠি বিলাক যায় এই মাহত কিমান তেল পালে, এই মাহত কিমান চাউল পালে, সেইখিনি বস্তু যায় আৰু Allocation টো জিলা ভিত্তিত যায় যাৰ যাৰ Depot আছে, যি বিলাক Authorise Depot আছে সেই Depot বিলাকত Allocation টো হব আৰু Additionaly কিছুমান তেলো বেছি পাওঁ। যেনে Flood সময়ত আমি তেল বেছিকৈ পাওঁ। যেতিয়া Flood বেছিকৈ হয়, তেতিয়া আমাক কেন্দ্ৰীয় চৰকাৰে তেলটো আমাক বঢ়াই দিয়ে। গতিকে মই ভাবো যে ইয়াত ১.৫০ লিটাৰ ২ লিটাৰ ৰ কথাটো আহিছে মই এইটো সত্য বুলি নাভাবো। গতিকে প্ৰত্যকটো পৰিয়ালক আমি ৩.৩০ লিটাৰকৈ আমি তেল দিওঁ। আপোনালোকক যদি জিলাৰ উপায়ুক্তই তেনেকুৰা ধৰণৰ কোনো কেৰাচিন তেলৰ Allocation চাউলৰ Allocation আপোনাক দিয়া নাই আমি জিলা উপায়ুক্তক নিৰ্দেশ দিম আৰু

আমি যোগান বিভাগৰ বিষয়া সকলক আমি আকৌ কম যে জিলা উপায়ুক্ত সকলে চিঠি লিখক যে Allocation ৰ চাউল হওঁক, চেনি হওঁক, কেৰাচিন হওঁক, নিমখ হওঁক যি বিলাক Monthly Allocation সেই বিষয়ে যাতে প্ৰত্যকজন বিধায়ককে অৱগত কৰে তাৰ বাবে ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী নিজানুৰ ৰহমান।

**শ্ৰী নিজানুৰ ৰহমান (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই চাউলৰ কাৰ্ড বিলাক বিগত চৰকাৰৰ দিনত দিয়া হৈছিল। বহুত দুখীয়া মানুহ বাদ পৰি ৰৈ গ'ল, এই বিলাক নতুনকৈ Survey কৰি যিখিনি মানুহ বাদ পৰি ৰৈছে চাউলৰ কাৰ্ড পোৱা নাই কিন্তু তেওঁলোক BPL সেই মানুহখিনিক Card দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ,

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাউলৰ যি বিলাক কাৰ্ডৰ কথা কোৱা হৈছে, বিগত চৰকাৰৰ দিনত যিটো AAY আৰু PHH যি বিলাক কাৰ্ড আমি দিছো। তেখেতে কৈছে যে বহুত দুখীয়া মানুহ বাদ পৰি গৈছে । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ অহাৰ পিছত আমি এই চাউলৰ Card সমূহ যি বিলাক ধনী ব্যক্তিয়ে চাউলৰ Card পাইছে সেই সকল ব্যক্তিক আমি অনুৰোধ কৰিছো যে আপোনালোকে চাউলৰ Card সমূহ ঘূৰাই দিয়ক আৰু Selection টো যেতিয়া হৈছিলে আমি দেখা পাইছিলো বিগত চৰকাৰৰ দিনত যি বিলাক সুলভ মূল্যৰ চাউলৰ নাম Entry হৈছিলে তাত দেখা পোৱা গৈছে যে বহুটো ধনী মানুহে পাইছে, তেওঁলোকক আমি Appeal কৰিছিলো আমাৰ চৰকাৰ অহাৰ পিছত আপোনালোকে চাউলৰ Card খিনি ঘূৰাই দিয়ক আৰু কিছু লোকে Card ঘূৰাইও দিছে। এতিয়া কথা হল যে সন্মানীয় বিধায়ক গৰাকীয়ে জানে যে এখন Block Level Committee আছে, District Level Committee আছে আৰু Vigilance and Monitoring Committee আছে, আপোনালোকে সেই Meeting বিলাকত সেই কথা বিলাক উত্থাপন কৰিব আৰু কোনোবা যদি আপোনাৰ সমষ্টিত ধনী ব্যক্তিয়ে চাউলৰ কাৰ্ড পাইছে তেতিয়া হলে সেই ধনী ব্যক্তিৰ চাউলৰ Card খন আপুনি নিজে কৰ্তন কৰি অন্য কোনো দুখীয়া ব্যক্তিয়ে আবেদন কৰিলে সেই আবেদনখন গাওঁ সভাত পাছ হব লাগিব তাৰ পিছত সেই আবেদনখন Block Level Committee ত যাব আৰু তাৰ পিছত Block ৰ পৰা সেইখন পাছ হৈ আমাৰ জিলা কাৰ্য্যালয়লৈ যাব এইটো আপুনি নিজে কৰি লব পাৰে। আমাৰ Target এতিয়াও Fulfill হোৱা নাই। আমাৰ Total Targated জনসংখ্যা হ'ল ২,৫২,১৮০০১ আৰু ইয়াৰে ২,৪৮,৮৯,১৮২ জনক নিৰ্বাচিত কৰা হৈছে (৩১-০১-২০১৯) লৈ। আমি Population pattern ত ১৮.৭৪ শতাংশক নিৰ্বাচিত কৰিছো। আৰু Town Area ত আমি ৬৩.৩৫ শতাংশ নিৰ্বাচিত কৰিছো আৰু মুঠ ৩,২৮,৮১৮ জন এতিয়াও নিৰ্বাচিত হবলৈ বাকী আছে। এতিয়া আপোনালোকৰ যদি সমষ্টিত কোনোৱা দুখীয়া মানুহ ৰৈ গৈছে, এই বিলাক গাওঁ সভাৰ জৰিয়তে বাচনি কৰি জিলা কাৰ্য্যালয়লৈ লৈ আহক, জিলা কাৰ্য্যালয়ত জিলা উপায়ুক্ত সকলক যোগান বিভাগৰ বিষয়া সকলক আমি নিৰ্দেশ দিয়া আছে। আপুনি অলপ তদাৰক কৰিব যাতে আপোনালোকৰ দুখীয়া লোক সকলক কাৰ্ড দিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, Last Supplementary শ্ৰী ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা বিষয় স্পষ্টীকৰণ বিচাৰিছো। আমাৰ যিটো Left out ত তেখেতে যিটো

ক'লে গাওঁ সভা বিলাকত পাছ হৈ আহিব লাগে আৰু ধনী মানুহক বাদ দিব লাগে এই কথাটো আমি ১ বা ২/৩ শতাংশ আমি স্বীকাৰ কৰিম। সেই প্ৰক্ৰিয়াটো ইতিমধ্যে সমাপ্ত হৈছে আৰু এই ক্ষেত্ৰত Card ঘূৰাই দিছে, Business Committee ৰ যোগেদি হওঁক বা Agent ৰ যোগেদি হওঁক বা Inspector ৰ যোগেদি ঘূৰাই দিছে। এই ক্ষেত্ৰত আমি জিলা উপায়ুক্তৰ যোগেদি সেই ব্যক্তি সকলৰ নাম আৰু তালিকা চৰকাৰলৈ পঠাইছো, সমষ্টি ভিত্তিত সমিতিৰ যোগেদি। এই ক্ষেত্ৰত বিষয়টো আৰু খৰতকীয়া কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব নেকি? দ্বিতীয়তে, কেৰাচিন তেলৰ দাম এতিয়া বাঢ়িল আগতে কম আছিল, আগতে আছিল প্ৰতি লিটাৰত ১২ টকা এতিয়া হ'ল ৩৬ টকা। কিয় দাম বাঢ়িল তাৰ উত্তৰটো আমাক দিব নেকি? তৃতীয়তে, আমাৰ হিতাধিকাৰী সকলৰ Account Number লৈ আছে, এই ক্ষেত্ৰত বহুত মানুহে সন্দেহ কৰিছে যে আগতে Account Number নোহোৱাকৈ চাউল পাইছিল বৰ্তমান কিয় Account Number ৰ প্ৰয়োজন? হিতাধিকাৰী সকলৰ চাউল বন্ধ হব নেকি, পইচা যাব নেকি? এই বস্তুটো আমাক অকনমান Clear কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কুৰ্মী ডাঙৰীয়াই ক'লে যে কেৰাচিন তেলৰ দাম বাঢ়ি আছে, হয় এই কথাটো আমিও স্বীকাৰ কৰো যে কেৰাচিন তেলৰ দাম বাঢ়ি আছে। কাৰণ এই কেৰাচিন তেলৰ ওপৰত চৰকাৰৰ যিটো Subsidy আছিল, সেইটো বৰ্তমান লাহে লাহে কমি যায় আছে আৰু দ্বিতীয়তে, তেখেতে যিটো Card ৰ কথা কৈছে এই ক্ষেত্ৰত মই কওঁ যে আপোনালোকে Selection কৰিছে, District Committee ক আমি কাৰ্ড দিয়া আছে। আৰু এই ক্ষেত্ৰত আমি জিলা উপায়ুক্ত আৰু যোগান বিভাগৰ বিষয়া সকল নিৰ্দেশ দিম যে যিখিনি প্ৰকৃত মানুহে কাৰ্ড পাবলৈ বাকী আছে তেখেত সকলক কাৰ্ড দিয়াৰ ব্যৱস্থা হব। আপুনি যিটো Account Number ৰ কথা ক'লে এইটো কেন্দ্ৰীয় চৰকাৰে বিচাৰি আছে। কিন্তু আপোনালোকক আমি জনাবলৈ পাই সুখী হৈছো এইবাৰ বাজেটত চাব আমি অসমৰ এই দুখীয়া লোক সকলৰ কাৰণে আমাৰ অসম চৰকাৰে বিশেষ কিছু আঁচনি যোগান বিভাগৰ ফালৰ পৰা আমি ঘোষণা কৰিম। নিশ্চয় আপুনি ভাল পাব, আমাৰ আঁচনিখিনি আপুনি ধন্যবাদ দিবই লাগিব গতিকে কেৰাচিনৰ যিটো দাম বাঢ়িছে, এইটো কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত কেৰাচিনৰ দাম বাঢ়ি গৈ আছে। এইটো আমাৰ অসম চৰকাৰৰ নিৰ্দেশত নহয়। নিশ্চয় মোৰ প্ৰশ্নৰ উত্তৰত আপুনি সন্তুষ্ট হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Point of Order.

**"Point of Order"** raised by the Hon'ble Member Shri Abdul Khaleque, Congress Legislature Party.

**Shri A. Khaleque, MLA ঃ**- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩০ জানুৱাৰীত প্ৰশ্ন নং- ১৬ত মোৰ এটা প্ৰশ্ন আছিলে। প্ৰশ্নটো হ'ল- মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে পুৰণি আইনখন বাতিল কৰি নতুন আইন গৃহীত কৰাৰ পিচত কিমান দিনৰ ভিতৰত সেইখন কাৰ্য্যকৰী কৰিব লাগিব তাৰ কিবা নিৰ্দিষ্ট সময়সীমা চৰকাৰক বান্ধি দিছে নেকি? চৰকাৰে উত্তৰ দিলে, এই নতুন আইনখন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তেনে কোনো নিৰ্দিষ্ট সময়সীমা মহামান্য আদালতে বান্ধি দিয়া নাই। অধ্যক্ষ মহোদয়, গুৱাহাটী উচ্চ ন্যায়ালয়ে W.P.C. No.3190/2012 তাৰ 44 নং ৰায়ৰ শেষ পৃষ্ঠাত উচ্চ ন্যায়ালয়ৰ judgement ত কলে যে "We direct the state to do

their exercise as comüitteed in the additional affidefit expediously and preferably in the next 6 (six) months". আমাৰ শিক্ষা মন্ত্ৰী মহোদয় যথেষ্ট জ্ঞানী আইনজীৱি। কিন্তু বিষয়া সকলে বোধকৰো mislead কৰিলে। মই বিষয়টো আপোনাৰ দৃষ্টিগোচৰ কৰিলো । (মই কাগজখন আপোনালৈ পঠিয়াই আছো)

**মাননীয় অধ্যক্ষ ঃ-** মই মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি আপোনাক উত্তৰটো দিম। এতিয়া **"শূন্যকালীন ঘন্টা"** আৰম্ভ কৰিছো ।

**"শূন্যকালীন ঘন্টা আৰম্ভ"**

**মাননীয় অধ্যক্ষ ঃ-** আমাৰ প্ৰথমতে শ্ৰীমতী নন্দিতা দাস আৰু দ্বিতীয়তে,শ্ৰী উৎপল দত্তৰ "শূন্যকালীন ঘন্টা"ৰ জাননীৰ ওপৰত আলোচনা আছিলে, কিন্তু তেওঁলোক দুয়োজনেই অনুপস্থিত বাবে মই শ্ৰীকমলাক্ষ দে পুৰকায়স্থক কবলৈ আহ্বান জনালো।

শ্ৰী **কমলাক্ষ দে পুরকায়স্থ :-** মাননীয় অধ্যক্ষ মহোদয়, ২৯ জানুয়ারি ২০১৯, দৈনিক প্রান্তজ্যোতি পত্রিকায় প্রকাশিত "**বেহাল সড়ক সংস্কারের দাবিতে আন্দোলনে পড়ুয়ারা**"। এই বিষয়টি সদনে উত্থাপন করার সুযোগ দেওয়ার জন্য আমি ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, চুরাইবাড়ি থেকে পোয়ামারা পর্যন্ত ৩০.২৮ কিমি পথ, সেই জায়গা অতিক্রম করতে প্রায় দু'ঘন্টা সময় লাগে। সেই রাস্তায় ত্রিপুরার যানবাহন চলাচল করে। ত্রিপুরার সঙ্গে একমাত্র যোগাযোগ ব্যবস্থা এই রাস্তার মাধ্যমেই। এই রাস্তার ওপর অনেকের ভবিষ্যৎও নির্ভর করে। অধ্যক্ষ মহোদয়, ৩০.২৮ কিমি রাস্তার কাজের অ্যালটমেন্ট হয়েছিল ২০১১ সালের ফেব্রুয়ারিতে, আরএসএস কোম্পানিকে দায়িত্ব দেওয়া হয়। আমরা সবাই খুশি হয়েছিলাম যে একটা উন্নতমানের ভালো রাস্তা হবে। এবং রাস্তায় ডেভেলপমেন্ট আনবে আমাদের অঞ্চলে। ২০১৬ সালের জুন মাসে সেই কোম্পানিকে টার্মিনেট করা হয়েছে। কিন্তু বর্তমান অবধি ২৮ শতাংশ কাজ করতে সক্ষম হয়েছে।২০১১,২০১২, ২০১৩,২০১৪, ২০১৫,২০১৬,২০১৭,২০১৮, এত বছরে মাত্র ২৮ শতাংশ কাজ হয়েছে। তারপর টার্মিনেট করা হয়েছে ARSS company-কে এবং সেই কাজকে টার্মিনেট করে একটা ডিপিআর প্রস্তুত করে সারফেস ট্রান্সপোর্ট মিনিস্ট্রি, দিল্লিতে পাঠানো হল। দিল্লিতে পাঠানো হল ডিপিআর। কিন্তু রাস্তার অবস্থা আর নেই, সেই রাস্তা দিয়ে চলাচল করা আর সম্ভব হয় না। বর্তমান সরকার ক্ষমতায় আসার পর অনেকবার আন্দোলন হয়েছে, অনেকবার রাস্তা অবরোধ হয়, সরকারের তরফ থেকে অনেক প্রতিনিধিও পাঠানো হয়। অনেক অ্যাসুরেন্স দেওয়া হয় যে ইতিমধ্যে আমরা কাজ শুরু করব। এবং অসমাপ্ত কাজগুলো আমরা শেষ করব।

কিন্তু অধ্যক্ষ মহোদয়, দেখা গেল সেই অ্যাসুরেন্সগুলি অ্যাসুরেন্স হয়েই রয়ে গেল। কাজ এখনও আরম্ভ হয়নি। রাস্তার অবস্থা দিন-দিন বেহাল হচ্ছে। ত্রিপুরার সঙ্গে আমাদের যোগাযোগ ব্যাহত হচ্ছে। ত্রিপুরার গাড়ি অসমে চলাচল করতে সক্ষম হচ্ছে না।

অধ্যক্ষ মহোদয়, আপনার মাধ্যমে মন্ত্রী মহোদয় এবং বিভাগকে অনুরোধ করব সেই রাস্তাটাকে ঠিক করে যাতে ত্রিপুরার সঙ্গে যোগাযোগের ব্যবস্থা করা হয়। আমরা একটা ন্যাশনাল হাইওয়েকে যদি ঠিক না রাখতে পারি তাহলে আমরা কীভাবে চলাচল করব? তাই মন্ত্রী মহোদয়কে অনুরোধ করছি এবং ইতিমধ্যে আমরা শুনতে পেয়েছি যে রাজ্য সরকারের এসওপিডি তহবিল থেকে ১০ কোটি টাকা দেওয়া হয়েছে। এবং এর জন্য টেন্ডারও ডাকা হয়েছে। রাস্তা অনেক বড়, ফরমেশন অনেক বড় ছিল। একদিকের রাস্তা ঠিক আছে, একদিকে ঠিক নেই।

অধ্যক্ষ মহোদয়, দেখা যায় যেখানে ৯৫ শতাংশ কাজ শেষ হয়, সেগুলো উদ্বোধন করা হয়। কিন্তু

যেগুলোর ২৮ শতাংশ, ৩০ শতাংশ কাজ শেষ হয়েছে সেইগুলি উদ্বোধন করা সম্ভব হয় না। এর কারণটা কি? সরকারের ব্যর্থতা কোথায়? সেগুলো আমাদের দেখতে হবে।পাটোয়ারি মহাশয় এখানে উপস্থিত আছেন, আমরা দেখি উনি খুব সুন্দর কথাবার্তা বলেন। কিন্তু প্রকৃত অর্থে আমরা কাজ কতটুকু পাচ্ছি। আজকে ধলা সেতু, বগিবিল সেতু— এগুলো উদ্বোধন করা হচ্ছে যেগুলো ৯৫ শতাংশ কাজ সম্পূর্ণ হয়েছে। কিন্তু যেগুলো ২৮ শতাংশ কাজ হয়েছে সেগুলি পড়ে রয়েছে। সরকার আসার পর আমরা সেই কথাগুলো বিধানসভায় বলেছিলাম, শাসক দলের বিধায়কও বলেছিলেন। কিন্তু সেই কাজগুলি কেন শেষ করা হল না? এতএব, মাননীয় মন্ত্রী মহোদয়ের কাছে আমি অনুরোধ করছি যে ইতিমধ্যে যাতে সরকারের তরফ থেকে প্রতিনিধি পাঠানো হয় এবং রাস্তার কাজ শুরু করা হয়। এই রাস্তাটা যদি বন্ধ হয়ে যায় তবে আমাদের 'লাইফ লাইন' বন্ধ হয়ে যাবে। তাই অতিসত্ত্বর যাতে কাজটা শুরু করা হয়, সেই আবেদন রাখছি। এবং আমি বিশ্বাস রাখি বর্তমান সরকার সেই রাস্তার কাজটা অন্তত সম্পূর্ণ করতে পারবে।

মাননীয় অধ্যক্ষ মহোদয়, আপনাকে ধন্যবাদ জানিয়ে এবং 'সার্থক জনম মগো জন্মেছি এই দেশে, সার্থক জনম মাগো তোমায় ভালোবেসে'। দেশকে ভালোবাসি তাই দেশের প্রত্যেকটা সম্পদকে আমরা ভালোবাসি। রাস্তার কাজটা অন্তত শেষ করা হোক। নমস্কার, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী তপন গগৈ,মন্ত্ৰী, গড়কাপ্তানী বিভাগ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই সদনৰ **"শূন্যকালীন ঘন্টা"**ত **"দৈনিক প্ৰান্তজ্যোতি"** কাকতত যোৱা ২৯-০১-২০১৯ তাৰিখে প্ৰকাশিত **"বেহাল সড়ক সংস্কাৰেৰ দাবিতে আন্দোলনে পড়ুৱাৰা"** শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত জনাব বিচাৰিছো যে এই ৰাষ্টাটো ত্ৰিপুৰাৰ লগত সংলগ্ন। এই ৰাষ্টাটো এ আৰ এছ এছ আৰু আটলান্টা নামৰ দুটা কোম্পানীক ২০১১ চনতে কাম কৰিবলৈ দিয়া হৈছিল আৰু সেই কামটো কৰাৰ সময়ত আমাৰ চৰকাৰ নাছিল, আপোনালোকৰ চৰকাৰ আছিল। ২০১১ চনৰ পৰা আপোনালোকৰ চৰকাৰখনে এই ৰাষ্টাটো নিৰ্মাণৰ ক্ষেত্ৰত কোনো ধৰণৰ ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে ৰাষ্টাটোৰ আজি এই জৰাজীৰ্ণ অৱস্থাটো হ'ল। এতিয়া আমি এই জৰাজীৰ্ণ ৰাষ্টাটো নিৰ্মাণ কৰাৰ দায়িত্ব লৈ কামখিনি সম্পূৰ্ণ কৰাৰ বাবে আগবাঢ়িছো। আগৰ কোম্পানীটোৰে বেয়া কাম কৰাৰ বাবে তেওঁলোকক কেন্সেল কৰি আমি নতুন কোম্পানী এটাক দিয়াৰ যো-যা কৰিছো। তাৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত এছ অ' পি ডি শিতানৰ পৰা কামৰ বাবদ ১০ কোটি টকাৰ টেণ্ডাৰ কৰা হৈছে। আমি অহা ০৫-০২-২০১৯ তাৰিখে টেণ্ডাৰ খুলিম আৰু টেণ্ডাৰ মতে যিটো কোম্পানীয়ে কামটো পাব, সেই কোম্পানীটোক লগে লগে কাম আৰম্ভ কৰাৰ বাবে নিৰ্দেশ দিম।

আপোনালোকে এটা কথা জানি ভাল পাব যে - Ministry of Road transport & Highway ত ৩৭ কোটি টকাৰ বাবে আমি প্ৰস্তাৱ এটা দিছো। এই ৩৭ কোটি টকাটো অহাৰ লগে লগে এই সমুদায় টকাটোৰে আমি এই ৰাষ্টাটো নিৰ্মাণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম, এই কথাটো মই আপোনাক অৱগত কৰিলো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মন্ত্ৰী মহোদয়ৰ ৰিপ্লাইখিনি ভাল হয়। কিন্তু কথাটো হ'ল কামটো কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব এইটো specific হ'লে ভাল হয়। মই ভাৱো মন্ত্ৰী মহোদয়ৰ নেতৃত্বত কিবা এটা হ'ব। গতিকে যিমান সোনকালে পাৰি কামটো কৰিলে ভাল হয়।

**শ্ৰী তপন কুমাৰ গগৈ, মন্ত্ৰী ঃ** ৫ তাৰিখে আমি এই দহ কোটি টকাৰ টেণ্ডাৰটো খুলিম তাৰপিছত ৩৭ কোটি এল'ট হোৱাৰ লগে লগে আমি কামখিনি আৰম্ভ কৰিম।

**माননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া কাৰ্য্যসূচী নং দুই। মই কাৰ্য্য-উপদেষ্টা সমিতিৰ প্ৰতিবেদনখন পাঠ কৰি দিছো।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **২৩০** ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিবেশনত **২০১৮-২০১৯** চনৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ৩০ জানুৱাৰী, ২০১৯তাৰিখে আবেলি ২-১০ বজাত অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত কৰা হয়।

বৈঠকত পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ ওপৰত বিশদভাবে আলোচনা হোৱাৰ পিছত সমিতিয়ে সৰ্বসন্মতিক্ৰমে অগ্ৰাধিকাৰ ভিত্তিত ২৬ আৰু ৭১ নং শিক্ষা ( উচ্চ, প্ৰাথমিক, মাধ্যমিক ইত্যাদি) দাবী মঞ্জুৰীদুটা একেলগে ৪ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখে সদনত আলোচনাৰ অন্তত পাৰিতকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

**পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনে ধৰণৰ** ঃ-

| | | |
|---|---|---|
| মুঠ সময় | - | ৩ ঘণ্টা ৩০ মিনিট |
| প্ৰতিগৰাকী সদস্য/সদস্যাৰ বাবে ধাৰ্য্য কৰা সময় | - | ১ মিনিট ৩০ চেকেণ্ড |
| ১। ভাৰতীয় জনতা পাৰ্টি | - | ৯১ মিনিট (মাননীয় বিত্তমন্ত্ৰীৰ উত্তৰ সহ) |
| ২। ভাৰতীয় জাতীয় কংগ্ৰেছ | - | ৩৭ মিনিট |
| ৪। অসম গণ পৰিষদ | - | ২১ মিনিট |
| ৫। সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | - | ১৯ মিনিট |
| ৫। বি পি এফ | - | ১৮ মিনিট |
| ৬। নিৰ্দলীয় | - | ১ মিনিট ৩০ চেকেণ্ড |

ওপৰোক্ত অগ্ৰাধিকাৰ দিয়া মঞ্জুৰীৰ বাবে দাবী সমূহৰ ওপৰত আলোচনা হোৱাৰ পাচতো যদি সময় থাকে, তেন্তে বাকী থকা মঞ্জুৰীসমূহ একাদিক্ৰমে আলোচনা কৰিবলৈ সমিতিয়ে সন্মতি জনায়। তাৰোপৰি সমিতিয়ে শূন্যকালীন ঘণ্টাৰ জাননী সমূহ সন্মানীয় বিধায়ক সকলে বিধান সভাৰ অধ্যক্ষ/প্ৰধান সচিবক দাখিল কৰাৰ আগতে বিভাগীয় মন্ত্ৰীৰ কাৰ্য্যালয়ে ( চৰকাৰী বা আৱাস গৃহ) প্ৰাপ্তি স্বীকাৰৰ এটি প্ৰতিলিপি গাঠি দিয়াৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত লোৱা হয় ।

আশাকৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে ।

এতিয়া item no 3.মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম। আপোনাৰ ৫৪ ৰ নটিচখন উত্থাপন কৰক।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮ জানুৱাৰী সোমবাৰে "নিয়মীয়া বাৰ্তা" ত প্ৰকাশিত "লাহৰীঘাটত বাঁহ তৰ্জাৰে খহনীয়া ৰোধৰ চেষ্টা, গণতন্ত্ৰ দিৱসত শ্ৰমদানৰ বাবে ওলাই আহিল শ শ লোক" শীৰ্ষক বাতৰিটো আজি সদন কাৰ্য্য পৰিচালনাৰ ৫৪ নং নিয়ম অনুসৰি উপস্থাপন

কৰিবলৈ সুবিধা দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। এই কথাটো মই প্ৰায়েই কওঁ যে বৰ্তমান অসমত যিমান সমস্যা আছে, আটাইতকৈ ভয়ংকৰ সমস্যাটো হৈছে গড়াখহনীয়া। এই গড়াখহনীয়াত ইতিমধ্যে অসমত প্ৰায় তিনিহাজাৰ এশতকৈ বেছি গাওঁ গড়াখহনীয়াই নিঃচিহ্ন কৰিছে আৰু এই তিনিহাজাৰ এশখন গাওঁৰ যিসকল অধিবাসী বৰ্তমান তেওঁলোক গৃহহীন, ভুমিহীন হৈ পৰিছে। এই সমস্যাটো বিগত ৪৪ বছৰ ধৰি চলি আছে কিন্তু ৪৪ বছৰ ধৰি এতিয়ালৈকে সমস্যাটো কোনো চৰকাৰেই সমাধান কৰিব পৰা নাই আৰু বিপৰীত ক্ৰমে গড়াখহনীয়া বছৰটোৰ বাৰ মাহেই বিভিন্ন স্থানত চলি আছে। অসমৰ ভিতৰত যিকেইখন জিলা আটাইতকৈ বেছি গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে তাৰ ভিতৰত মৰিগাওঁ জিলাখন অন্যতম আৰু এই মৰিগাওঁ জিলাৰ কেৱল লাহৰীঘাট সমষ্টিতে প্ৰায় ৮২ খন গাওঁ ইতিমধ্যে খহনীয়াত সৰ্বস্বান্ত হৈছে আৰু ধিং সমষ্টিৰ মৈৰাবাৰী মৌজাটো ইতিমধ্যে প্ৰায় ছয়খন গাওঁ সম্পূৰ্ণৰূপে ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ গৈছে। কিন্তু আমি চৰকাৰক যেতিয়া এই গড়াখহনীয়া সমস্যা সমাধানৰ কাৰণে পবিত্ৰ সদনৰ মজিয়াত যেতিয়া দাবী উত্থাপন কৰো তেতিয়া এটা কথা বাৰে বাৰে আমাক কোৱা হয় যে Natural calamity হিচাবে কেন্দ্ৰীয় চৰকাৰে এই গড়াখহনীয়া সমস্যাটো সাঙুৰি লোৱা নাই যাৰ কাৰণে পৰ্য্যাপ্ত পুঁজি কেন্দ্ৰীয় চৰকাৰে যোগান নধৰে আৰু তাৰ কাৰণে গড়াখহনীয়া সমস্যাটো সমাধান কৰিব পৰা নাই। কিন্তু যেতিয়া এখনৰ পিছত এখন গাওঁ নিঃচিহ্ন হৈ গৈ আছে, লাখ লাখ মানুহ আজি ভূমিহীন, গৃহহীন হৈছে সেই লোকসকলে এতিয়া উপায়ান্তৰ হৈ তেওঁলোকে নিজেই এই গড়াখহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে নিজাববীয়াকৈ ব্যৱস্থা হাতত ল'ব লগীয়া হৈছে। এই গড়াখহনীয়া সমস্যাৰ কাৰণে বৰ্তমান অসমত আনুসংগিক আৰু বহু কেইটা সমস্যাৰ সৃষ্টি হৈছে। অসমত বৰ্তমান বিদেশী সমস্যা বুলি বিভিন্ন সময়ত যিবিলাক বাতৰি আমি দেখিবলৈ পাওঁ প্ৰকৃততে সেই বিদেশী সমস্যাটো গড়াখহনীয়াৰ সমস্যাহে হয়। অৰ্থাৎ এতিয়ালৈকে অসমত তিনিহাজাৰ এশখন বা তাতকৈ অধিক গাওঁ গড়াখহনীয়াত নিঃচিহ্ন হৈছে আৰু হোৱাৰ পিছত এই তিনিহাজাৰ এশখন গাওঁৰ অধিবাসীসকল ভূমিহীন আৰু গৃহহীন হোৱাৰ পিছত এই মানুহসকলৰ হয়তো কিছুসংখ্যকে উজনি অসমত গৈ ভাৰাঘৰ লৈ ঠেলাৱালা, ৰিক্সাৱালা, চব্জীৱালা, মজদুৰ, ফেৰীৱালা, ৰাজমিস্ত্ৰী, যোগালি এনেধৰণৰ কাম কৰে আৰু কিছুসংখ্যকে আজি ডিমাপুৰ, মেঘালয়, কেৰালা তথা অন্যান্য এলেকাত গৈ পেট প্ৰৰ্বতাই আছে। যিহেতু তেওঁলোকৰ ঘৰ, মাটিবাৰী একো নাই।

**(Hon'ble Chairman in the Chair)**

মাননীয় সভাপতি মহোদয়, যিসকল মানুহৰ ঘৰবাৰী গড়াখহনীয়াত জাঁহ গৈছে, তেওঁলোকে মথাউৰি বা চৰকাৰী ভূমিত আশ্ৰয় ল'ব লগীয়া হৈছে আৰু লগে লগে বাতৰি কাকতত বাতৰি প্ৰকাশিত হয় যে

সন্দেহযুক্ত লোকে ৰাতিৰ ভিতৰতে গঢ়িছে গাওঁ, চৰকাৰী ভূমিত সন্দেহযুক্ত লোকৰ আগমন, অচিনাকী লোকৰ বনাঞ্চল দখল ইত্যাদি ইত্যাদি। সভাপতি মহোদয়, তাৰপিছত কেতিয়াবা সেই লোকসকলক কিছু সংগঠনৰ লোকে বা কিছুমান যুৱ সংগঠনে মাৰপিট কৰে, ঘৰবাৰী জ্বলাই দিয়ে, উজনি অসমত তেওঁলোকক সন্দেহযুক্ত নাগৰিক ৰূপে আটক কৰা হয় আৰু তেওঁলোকক মাৰপিট কৰি, আঠুকাঢ়ি কাঢ়ি, লাঠ মাৰি মাৰি ডেৰ কিলোমিটাৰ দূৰলৈকে থানাত লৈ যায়।

**(মাননীয় সদস্য শ্ৰীযুত মাজেন্দ্ৰ নৰ্জাৰী সভাপতিৰ আসনত উপবিষ্ট)**

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** আমিনুল ইছলাম ডাঙৰীয়া, আপুনি

অপ্ৰাসংগিক বা সাম্প্ৰদায়িক কথা নক'ব। আপুনি অন্য বিষয়লৈ নগৈ মূল বিষয়টোলৈ আহক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মই অপ্ৰাসংগিক বা সাম্প্ৰদায়িক কথা কোৱা নাই। মই বাস্তৱ সমস্যাৰ কথাহে কৈছো। মই কাৰো নাম উল্লেখ কৰা নাই। গৰাখহনীয়াৰ বাবে ৩১০০ খন গাওঁ নিচিহ্ন হৈ গ'ল। তাৰ বাবে এই মানুহবোৰে নানা হাৰাশাস্তিৰ সন্মুখীন হৈছে। এই কথাটো সঁচা। এই মানুহখিনি ভূমি হীন আৰু ভেটীহীন হোৱাৰ বাবে তেওঁলোকে যদি চৰকাৰী ভূমি দখল কৰিছে, সেইটোও এটা অন্যায় কথা। আমিও নিজে সদনত কওঁ যে চৰকাৰী মাটি দখল উচ্ছেদ কৰিব লাগে। কিন্তু মানুহবোৰ যেতিয়া ভূমিহীন আৰু গৃহহীন হৈ পৰে তেওঁলোকে কেতিয়াবা চৰকাৰী ভূমি দখল কৰে। কিন্তু আমি এই ভূমি দখলত উৎসাহ নিদিওঁ। আমি ভাৱো যে যদি গৰাখহনীয়াৰ সমস্যাটো সমাধান কৰি নতুন নতুন গাওঁবোৰ গৰাখহনীয়াৰ ফলত ভাঙিযোৱাৰ পৰা ৰক্ষা কৰিব পাৰি তেতিয়া নতুন সমস্যাৰ সৃষ্টি নহ'ব। মই এই পবিত্ৰ সদনত বহুতবাৰ কৈছো যে অসমত যিমান সমস্যা আছে, তাৰ আটাইতকৈ ভয়ংকৰ সমস্যা হৈছে গৰাখহনীয়া। এই গৰাখহনীয়াৰ ফলত ৩১০০ খন গাওঁ নিচিহ্ন হৈ গৈছে। যাৰ ফলত লাখ লাখ মানুহ ভূমিহীন আৰু গৃহহীন হৈছে। সেই মানুহবিলাকে চৰকাৰী ভূমি দখল কৰিছে। তেওঁলোকক উচ্ছেদ ও কৰা হৈছে। এইটো লৈ গৃহবিভাগে সমস্যাৰ সন্মুখীন হৈছে। গতিকে এই সমস্যাটোৰ ভয়াৱহতাৰ বিষয়ে ক'বলৈ গৈ মই এই কথাখিনি কৈছিলো। মাননীয় সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে ক'বলৈ বিচাৰিছো যে লাহৰীঘাট চাৰ্কুলৰ অধীনত ভূৰাগাওঁৰ ৰাইজে ইতিপূৰ্বে দহ-পোন্ধৰ বছৰৰ পৰা ৰাইজে কেইবাবাৰো নিজাববীয়াকৈ বস্তা ভৰাই নদীৰ কোবাল গতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছে আৰু কেইবাবাৰো সফলো হৈছো। কেইবাবছৰো ধৰি কেইবাখনো গাওঁৰ ৰাইজে এইদৰে ভেটা দিব পাৰিছে। কিন্তু এইদৰে ২-৩ কিলোমিটাৰ ভেটা দিবলৈ গ'লে ৰাইজৰ লাখ লাখ বস্তাৰ প্ৰয়োজন হয়। তেওঁলোকে জলসম্পদ বিভাগ, উপায়ুক্তৰ কাৰ্য্যালয়লৈ গৈ বহুতবাৰ কৈছিল যে তেওঁলোকে শ্ৰমিক আৰু বস্তাত মাটি ভৰাই নিজাববীয়াকৈ নদীত ভেটা দিবলৈ চেষ্টা কৰিব। গতিকে তেওঁলোকক বস্তা প্ৰদান কৰিব লাগে। কিন্তু তেওঁলোকক বস্তা প্ৰদান কৰা হোৱা নাই। ৰাইজে নিজাববীয়াকৈ বস্তা গোটাই ১০-১৫ বছৰ ধৰি নদীৰ পানী ভেটা দি আহিছে। এইবাৰ পৰিত্ৰ গণৰাজ্য দিৱস, ২৬ জানুৱাৰীৰ দিনা হাজাৰ হাজাৰ মানুহ ওলাই গৈ বাঁহ কাটি তৰ্জাৰ বেৰ দি নিজৰ সামৰ্থ অনুযায়ী নদীৰ পানী ভেটা দিবলৈ ৰাজহুৱা শ্ৰমদান কৰিছে। কাৰণ তেওঁলোকৰ হাতত অন্য কোনোধৰণৰ কংক্ৰিট, boulder pitching বা অন্য কোনো আধুনিক সা-সৰঞ্জাম নাই আৰু দিব পৰাকৈ টকাও নাই। মই চৰকাৰক সঁজোৰে অনুৰোধ জনাও যে চৰকাৰে যাতে সেইবোৰ ঠাইত boulder pitching বা অন্য কোনো নেট কাৰ্পেটিং যিটো বৰ্তমান জাপান আৰু কানাডাত দেখা গৈছে। নেট কাৰ্পেটিঙত ১ কোটি টকাত প্ৰায় ৩০০ মিটাৰৰ স্থায়ী সুৰক্ষাৰ এশ বছৰলৈ গ্যাৰণ্টি আছে আৰু ৩০ কোটি টকাত প্ৰায় ১০ কিলোমিটাৰলৈ স্থায়ী সুৰক্ষা দিব পৰা যাব। এই Modern technology ৰ দ্বাৰা এই নেট কাৰ্পেটিং কৰিবৰ বাবে মই এই পবিত্ৰ সদনত কেইবাবাৰো অনুৰোধ কৰিছিলো। কিন্তু দেখা গৈছে যে চৰকাৰে এতিয়ালৈকে কৰিব পৰা নাই।

ৰাইজে নিজাববীয়াকৈ শ্ৰমদান কৰি জিঅ' বেগত মাটি ভৰাই তৰ্জাৰ বেৰেৰে গৰাখহনীয়া ৰোধ কৰিব বিচাৰিছে। কিন্তু এতিয়ালৈ তেওঁলোকক বিভাগীয়ভাৱে উপায়ুক্তৰ কাৰ্য্যালয় বা জলসম্পদ বিভাগৰ পৰা কোনোধৰণৰ জিঅ' বেগৰ যোগান ধৰা হোৱা নাই। গতিকে আপোনাৰ জৰিয়তে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে ৰাইজে যিহেতু নিজাববীয়াকৈ শ্ৰমদান কৰিব বিচাৰিছে, সেয়েহে চৰকাৰে যাতে জিঅ' বেগ বা তেনেধৰণৰ সুবিধা প্ৰদান কৰে। যদি এইখিনি কৰা নহয়,

বৰ্তমান ৩০ খন গাওঁ সংকটত আছে। বৰ্তমান মৰিগাওঁ চহৰো অতি সংকটত আছে। এতিয়া ভূৰগাওঁৰ ম'হৰ খুটিৰ বহুখিনি গৰাখহনীয়াত নিঃশেষ হৈছে। লগতে লাহৰীঘাট, ধিং আদি ঠাইসমূহো যদি সুৰক্ষা দিয়া নহয়, তেতিয়াহ'লে ধিং, মৰিগাওঁ আদি চহৰো ৪-৫ বছৰৰ পিছত নোহোৱা হৈ যাব। গতিকে এই বিষয়টো চৰকাৰে গুৰুত্বসহকাৰে লৈ কেন্দ্ৰীয় চৰকাৰক সৈমান কৰিব লাগে যে প্ৰাকৃতিক দুৰ্যোগত গৰাখহনীয়াটো অন্তৰ্ভুক্ত কৰিব লাগে। দৰকাৰ হ'লে আমি অসম বিধান সভাৰ সকলো সদস্যই সৰ্ব্বসন্মত প্ৰস্তাৱ লৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। যাতে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা পৰ্য্যাপ্ত পুঁজি লাভ কৰিব পাৰো। আমি কেন্দ্ৰীয় চৰকাৰক সৈমান কৰিব নোৱাৰিলে এইটো চৰকাৰৰ বিফলতা হ'ব। গতিকে মাননীয় সভাপতি মহোদয়, অসম বিধান সভাই সমূহীয়াভাৱে গৰাখহনীয়াক প্ৰাকৃতিক দুৰ্যোগত অন্তৰ্ভুক্ত কৰিবৰ বাবে কেন্দ্ৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে আৰু ৰাইজক যাতে গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিব পাৰি তাৰ দাবী জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় সভাপতি মহোদয় ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মঙ্গননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় আমিনুল ইছলাম ডাঙৰীয়াক যদিও মই কিছু কথা ৰ বাবে বাধা দিছিলো, কিন্তু তেওঁ অতি গুৰুত্বপূৰ্ণ বিষয় আগবঢ়োৱা বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিলো। মাননীয় সভাপতি মহোদয়ৰ দ্বাৰা আমাৰ চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে মই জনাব বিচাৰিছো। যোৱা ২০১১ চনৰ পৰা মৰিগাওঁৰ জিলাৰ লাহৰীঘাট অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ প্ৰৱল সোঁতৰ ফলত গৰাখহনীয়া অব্যাহত আছে আৰু ধিঙৰ পৰা শিলৈখুন্দালৈ থকা মঠাউৰিলৈ ভাবুকি আহিছে। ২০১৬ বৰ্ষত উক্ত মঠাউৰিটো মিকিৰগাওঁ অঞ্চলত ছিঙে। তেখেতে কোৱা কথাখিনি সঁচা। ২০১৭ চনৰ এপ্ৰিল মাহত উক্ত ছিঙা মঠাউৰিটো SDRF শিতানৰ জৰিয়তে নিৰ্ম্মাণ কৰা হয়। কিন্তু ১৫-০৭-২০১৭ তাৰিখে পুনৰ মঠাউৰিটো গৰখহনীয়াত ছিঙি যায়। ২০১৭ চনৰ নৱেম্বৰ মাহত অসম চৰকাৰে ব্ৰহ্মপুত্ৰ বোৰ্ডক পত্ৰ প্ৰেৰণ কৰা হৈছে। ২১-০৭-২০১৭ মৰ্ম্মে লাহৰীঘাটত গৰখহনীয়া ৰোধৰ বাবে কাম হাতত ল'বলৈ অনুৰোধ জনাই। কিন্তু এতিয়ালৈকে তেখেতসকলৰ পৰা কোনো সঁহাৰি পোৱা নাই। যিহেতু এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয় আৰু পৰিস্থিতিটো অতি জটিল হৈ গৈ আছে, সেয়েহে পৰিস্থিতিৰ গভীৰতালৈ লক্ষ্য ৰাখি MGNREGA আঁচনিৰ অধীনত Construction of ring bandh from Chenimari to Kapurpura for protection of Lahorighat area from flood devestation under MGNREGA for 2017 comprrising with Water Resource Department for closure of bridge portion of die at Kathori Mikir Gaon. এই অঞ্চলতঅসম চৰকাৰে এখন আঁচনি লৈছে। ২০১৮ চনৰ মাৰ্চ মাহত এই কামটো আৰম্ভ কৰা হৈছে আৰু ২০১৮ চনৰ জুলাই মাহত উক্ত কামটো সম্পূৰ্ণ কৰা হৈছে। উক্ত আঁচনিৰ জৰিয়তে ৬ কিলোমিটাৰ মঠাউৰি নিৰ্ম্মাণ গৰাখহনীয়া ৰোধৰ বাবে RCC porcupine ৰ ব্যৱস্থা কৰা হৈছে।

"এই আঁচনিখন ৰূপায়ণৰ ফলত ২০১৮ চনত কিন্তু মৰিগাওঁ জিলা বানপানীৰ কৱলৰ পৰা ৰক্ষা পৰিছে। এইটো আপুনি স্বীকাৰ কৰিব। এই যিটো ৬ কি.মি মথাউৰি দিয়া হ'ল RCC porcupine ৰ ব্যৱস্থা কৰা হ'ল গতিকে এইবাৰ এই পাৰ্কুপাইন আঁচনিখনৰ বাবে ২০১৮ চনত তেনেধৰণৰ বানপানী মৰিগাও জিলাত হোৱা নাই"। -- পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ লগত যোগাযোগ কৰাৰ ফলত Brahmaputra Boardৰ উপদেষ্টা সমিতিয়ে

যোৱা ২৭ নভেম্বৰ,২০১৮ চনৰ এটা ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰে । “ আপুনি জানে , সেইটো আপোনাৰ জ্ঞাত ” - এই ক্ষেত্ৰত বিস্তৃত আলোচনাৰ পিচত পৰিদৰ্শনকাৰী- কাৰিকৰী উপদেষ্টা সমিতিৰ দলে তলত উল্লেখ কৰা - ব্যৱস্থাসমূহৰ বাবে অনুমোদন জনাইছে তেখেতসকলে । সমগ্ৰ খহনীয়া গ্ৰস্ত নদীৰ পাৰত বালিৰ পলসেৰে পৰিপূৰ্ণ G EO BAG ৰে -- “অলপ আগতে আপুনি জিউ বেগৰ কথা কৈছিলে” - জিও বেগেৰে নদীৰ পাৰৰ Re embankment ৰ ব্যৱস্থা কৰাৰ বাবেও পৰামৰ্শ দিছে। উক্ত জিওবেগসমূহ UVA- অতি বেঙুনীয়া ৰশ্মিৰ পৰা ৰক্ষা কৰিবৰ বাবে ১৫ বা ২০ চেন্টিমিটাৰ ডাঠ বালিৰ তৰপেৰে ঢাকি দিয়াৰ পৰামৰ্শ দিছে। মাটিৰ গুনাগুন নিৰ্ণয় কৰাৰ পিচত retirement মথাউৰিটো প্ৰাসংঙ্গিক GIS Code অনুসৰি ৰূপাংক design কৰি সাবলীকৰণৰ বাবেও তেখেতসকলে পৰামৰ্শ দিছে। খহনীয়াগ্ৰস্থ অঞ্চলৰ উজনিত- “মোৰ হাতত Map খন আছে সেইখন সদনৰ পিছত মই আপোনাক দেখুয়াব পাৰিম”। খহনীয়াগ্ৰস্ত অঞ্চলৰ উজনিত নদীৰ গতিপথ পাৰৰ পৰা দুৰলৈ ঠেলি পঠিওৱাৰ বাবে- “ আপুনি জানে - আপুনি সেই অঞ্চলৰ বিধায়ক” নদীখনৰ পানীটো আহি খুন্দা মৰাৰ ফলত এই erosion টো খুব Severe হৈছে- মই নিজেও তালৈ গৈছো। আমিও সদন সমিতিৰ হৈ তাত গৈছিলো -আমিও তাত দেখিছিলো যে, তাত নদীৰ গোটেই পানীৰ সোতে কেইবা কি.মি গড়াখহনীয়াত পৰিছে সেইটো কথা সঁচা। এতিয়া এই যিটো খহনীয়াগ্ৰস্ত অঞ্চলৰ উজনিত, ওপৰত যদি পানীৰ সোঁতটো ৰখাব পৰা যায় তেতিয়াহ’লে হয়তো আমাৰ বাবে এই খহনীয়াটো ৰোধ কৰিবলৈ সক্ষম হ’ব পাৰিম আমি। সেই বাবে উজনিত এই মেপখন আনিছো । উজনিৰ ফালে মই পৰ্কুপাইনৰ ব্যৱস্থা কৰাৰ বাবে বাকীখিনি কাম ক’ত হ’ব কি হ’ব সেইখিনিও নিৰ্দ্ধাৰণ কৰাৰ বাবে পৰামৰ্শ দিছো। সেইটো বিভাগে কৰিছে। মথাউৰি আৰু নদীৰ পাৰৰ মাজৰ উপযুক্ত স্থানত ভেঁটীত ঘাঁহ ৰোপণৰ পৰামৰ্শ দিয়ে যিটো অলপ আগতে আপুনি ক’লে। কানাডাত যিটো চাকচেচ হৈছে বুলি আপুনি ক’লে। বৰ্ত্তমানে তুলসীবাৰী অঞ্চলত খহনীয়া অব্যাহত আছে। আৰু মথাউৰিটো এটা অংশটে খহনীয়াত জাহ যায় যদিও বিভাগে ক্ষিপ্ৰতাৰে মথাউৰিটো ৰক্ষা কৰে । এইটো ৰিপিয়েৰ কৰা হৈছে। ইতিমধ্যে বিভাগে Comprehensive measure to protect Mikir Gaon Kathanibari area from flood and erosion of River Brahmputra . এইটো এটা আঁচনি প্ৰস্তুত কৰিছে আৰু এই যিটো আঁচনি এই আঁচনিটো তাৎক্ষনিকভাবে ব্যৱস্থা ল’বৰ বাবে খহনীয়া প্ৰৱল অঞ্চল সামৰি protection of Mikir Gaon Kathanibari area from flood and erosion of River Brahmputra এইটো এটা আঁচনি প্ৰস্তুত কৰিছে আৰু এই আঁচনি খন তাৎক্ষণিকভাৱে ব্যৱস্থা ল’বৰ বাবে খহনীয়া প্ৰৱল অঞ্চল সামৰি protection of Mikir Gaon Kathanibari area from flood and erosion of River Brahmputra এইটো প্ৰায় ১৫ কোটি টকাৰ এটা প্ৰকল্প এইটো অনুমোদনৰ বাবে চৰকাৰৰ ওচৰত দাখিল কৰিছে। ইয়াৰ ওপৰিও আমি জানি ভাল পাব যে, মোৰামাৰী গেৰুৱামুখ এই অঞ্চলত যিটো কাম সেইটো বিধায়ক ডাঙৰীয়াই জানে হয়তো সেই কামটো NABARD ৰ IRDF ২৩ শিতানত চলি আছে। আপুনি এইটো সম্পৰ্কে জ্ঞাত আৰু ৪ কোটি টকা ইয়াত ধাৰ্য্য কৰা হৈছিল আৰু এতিয়ালৈ ৬০ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ ওপৰিও এম এন আৰ শিতানত দুখন আঁচনি হাতত লোৱা হৈছে । আঁচনি দুখনত ৩ numbers of Bamboo and porcupine আৰু Bamboo scheme ৰ provision আছে ।আঁচনি দুখনৰ কাম আছে। আঁচনি দুখনৰ কাম অতি সোনকালে আৰম্ভ কৰা হ’ব। তাৰ যিখিনি টেণ্ডাৰিং প্ৰচেচ বা

অন্যান্য যিখিনি কাম সেইখিনি কাম প্ৰায় সমাপ্ত হৈছে । হয়তো সেইখিনি কাম এই কেইদিনৰ ভিতৰতে সেই কামটো আৰম্ভ কৰিব পৰা যাব।

contractor ক work order দিব পৰা যাব । আপুনি উত্থাপন কৰা বিষয়টোৰ, মেৰামতিৰ ক্ষেত্ৰত আমাৰ অসুবিধা হৈছে সেইখিনি আমি মেৰামতিৰ ব্যৱস্থা কৰিছো।

মেৰামতিৰ শিতানত - সৃষ্টি হোৱা oblig Channel বোৰ বন্ধ কৰাৰ বাবে, কিয়নো আপুনি জানে যে কিছুমান চেনেল গঢ় লৈ উঠে আৰু তাৰ বাবে কেইখনমান আঁচনিৰ এতিয়ালৈকে কাম সম্পূৰ্ণ কৰা হৈছে। এই চেনেলবোৰ বন্ধ কৰাৰ বাবে আঁচনি সম্পূৰ্ণ কৰা হৈছে। বাকী দুখনৰ কাম হাতত লোৱাৰ বাবে যাৱতীয়া নিবিদা process ইতিমধ্যে শেষ হৈছে । এতিয়া শিঘ্ৰে কাম আৰম্ভ কৰা হ'ব । এম এন আৰ - ধিংটো হিলৈ খুন্দা - তুলসী এৰিয়া ৪৭ লাখ টকা যিটো কাম সেই কামটোৰ নিবিদা গ্ৰহণ প্ৰক্ৰিয়া- ১৫-১-২০১৯ তাৰিখে হৈ যায়। দ্বিতীয়তে এম এন আৰৰ মাধ্যমেৰে চেনীমাৰী এৰিয়াত ইৰোশ্যন ফ্ৰম ৰিভাৰ ব্ৰহ্মপুত্ৰ ফৰ ২০১৮-১৯ বৰ্ষৰ ৪৬ লাখ টকাৰ যিখিনি কাম এই কামৰ নিবিদা অহা ৮-২-২০১৯ তাৰিখে গ্ৰহণ কৰা হ'ব । construction of GEO Bag re -embankment with apron for protection of Tilapara from the erosion of the River Brahmaputra for the year 2018-2019 under MGNREGA conversant with the Water Resource department under MNR for-2018-19 ১৮৮.৪৮ লাখ টকাৰ কাম এই আঁচনিখন সম্পূৰ্ণ হৈছে । strenthening and protection of BDI at Tengaguri area from the erosion of River Brahmputra MGNREGA conversant with Water Resource Department for the year 2018-19 ৬৪.১২ লাখ টকাৰ কাম এই কামটো - এই আঁচনিখন সম্পূৰ্ণ হৈছে । এইখিনি কথা এই কাৰণে মই জ্ঞাত কৰিব বিচাৰিছো যে, চৰকাৰৰ সদিচ্ছা আছে , চৰকাৰেও অনুভৱ কৰে যে, যিটো মৰিগাওঁ জিলাত লাহৰিঘাট অঞ্চলত যিটো খহনীয়া হৈছে এইটো সকলোৰে বাবে চিন্তাৰ কাৰণ। এই ক্ষেত্ৰত চৰকাৰ যথেষ্ঠ সজাগ। চৰকাৰে যথেষ্ট পদক্ষেপ লৈছে । সেইদিনাখন বাতৰিকাকতত আপুনি যিটো বাহঁ তৰ্জাৰে, মই সেই ৰাইজখিনিক মই ধন্যবাদ জনাইছো। এই কাৰণে চৰকাৰৰ পদক্ষেপৰ লগত যদি ৰাইজো আহি হাত দিয়ে তেতিয়া হ'লে সেইটো এটা - ৰাইজৰো যে এই সম্পৰ্কে সজাগতা আছে সেইটো প্ৰকাশ কৰিছে। তেখেতসকলে যে এইটো পদক্ষেপ লৈছে তাৰ বাবে মই তেখেতসকলক ধন্যবাদ জনাওঁ আৰু তেখেতসকলক অধ্যক্ষ মহোদয় আৰু আপোনাৰ মাধ্যমেৰে মই সেই ৰাইজখিনিক আস্বস্ত কৰিব বিচাৰিছো যে তেখেতসকলৰ যিটো সমস্যা, তেখেতসকলে যিটো জীয়াতু ভূগিছে সেই সম্পৰ্কে চৰকাৰ সজাগ, আমি যিখিনি আঁচনিৰ কথা ক'লো , এই আঁচনিখিনিৰে ২০১৮ চনত আমি বানপানী ৰোধ কৰিবলৈ সক্ষম হৈছো। বহু বছৰৰ পিছত মৰিগাওঁ জিলাত এনেকুৱাধৰণৰ বানপানীয়ে আমাক কিন্তু জুৰুলা কৰিব পৰা নাই। অদুৰ ভবিষ্যতে যিখিনি আঁচনি আমি হাতত লোৱাৰ ব্যৱস্থা কৰিছো, সেই আঁচনিসমূহৰ মাধ্যমেৰেও মই আপোনাক আস্বস্ত কৰিব পাৰো যে এই সমস্যাটো আমি হয়তো সমাধান কৰিব পাৰিম। এটা দীৰ্ঘম্যাদী সমস্যাৰ বাবে সকলোৰে সহায় সহযোগিতা আমি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া কোৱেশ্চন নম্বৰ-৪ - শ্বেৰমান আলি ডাঙৰীয়া নাই। তেখেতে শ্ৰীজাকিৰ হুছেইন শিকদাৰক দিছিলে, মই ৩০১ৰ notice raised কৰিব খুজিছো। আজি Governor debate আছিলে - মই একচুৰেলি ১১ ত শেষ কৰিব বিচাৰিছিলো ১০ মিনিট

গ'ল- আপুনি অলপ চমু কৰিব। লগতে মিনিষ্টাৰৰ উত্তৰটো চমু হ'লে ভাল হ'ব।

**শ্ৰীজাকিৰ হুছেইন শিকদাৰ ঃ** অধ্যক্ষ ডাঙৰীয়া , অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি শ্ৰী শ্ৰী মহাপুৰুষ মাধৱদেৱৰ ইতিহাস প্ৰসিদ্ধ বৈঠাপুতা ঘাট সত্ৰ স্থিত বাঘবৰ পাহাৰক পৰ্য্যটনস্থলী হিচাপে গঢ়ি তোলা হওঁক। এই গুৰুত্বপূৰ্ণ বিষয়টো আপোনাৰ জৰিয়তে পৰ্যটন বিভাগৰ মন্ত্ৰীমহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত বাঘবৰ ৰাজহ চক্ৰৰ বাঘবৰ পাহাৰত অৱস্থিত। বৰপেটা জিলা সদৰৰ পৰা ৩১ কি.মি নিলগত এই বাঘবৰ পাহাৰ অৱস্থিত । বাঘৱৰ পাহাৰ ঐতিহ্যৰে পৰা বাঘেশ্বৰী মন্দিৰৰ বহু প্ৰাচীন কালৰে পৰা বাঘেশ্বৰী মন্দিৰ আছিল। সেই মন্দিৰৰ পৰা আহি এই পাহাৰখনৰ নামাকৰণ বাঘবৰ পাহাৰ হোৱা বুলি বহুতেই কয়।

মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ পাহাৰ হোৱা বুলি বহুতে কয়। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে পৰ্যটন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যে অসম চৰকাৰে পৰ্যটন ক্ষেত্ৰখনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ কাম-কাজ কৰা বুলি ঘোষণা কৰিছে আৰু বিভিন্ন ক্ষেত্ৰত তেওঁলোকে কামো কৰি আছে। যি সময়ত প্ৰিয়ংকা চোপ্ৰাক অসমৰ পৰ্যটন ক্ষেত্ৰৰ Brand Ambassador হিচাপে লৈ অকল ভাৰতবৰ্ষতেই নহয় গোটেই বিশ্বৰ আগত দাঙি ধৰিব বিচাৰিছে সেই সময়তে ইতিহাস প্ৰসিদ্ধ হিচাপে খ্যাত বাঘবৰ পাহাৰখন যদি আমি পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলো তেন্তে নিশ্চিত ভাৱে অসমৰ পৰ্যটন ক্ষেত্ৰখন চহকীৰ ক্ষেত্ৰত এখোজ আগবাঢ়ি যাব। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনত এটা কথা অৱগত কৰিব বিচাৰিছো যে এই বাঘবৰ পাহাৰখনৰ লগত কিছু ইতিহাস জড়িত হৈ আছে। শ্ৰী শ্ৰী মহাপুৰুষ মাধৱ দেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ব্ৰহ্মপুত্ৰৰে ভটিয়াই যাওঁতে বাঘবৰ পাদ দেশত অৱস্থিত বৈঠাপোতা ঘাটত জিৰণি লৈছিল আৰু তেতিয়াৰ পৰাই সেই ঘাটটো বৈঠাপোতা ঘাট নামেৰে জনা যায়। এই ঘাটটোক কেন্দ্ৰ কৰি এটা নামঘৰ প্ৰতিষ্ঠা কৰা হৈছিল যাৰ বাবে এই নামঘৰটো বৈঠাপোতা সত্ৰ বুলি জনা যায়। যিহেতুকে আমাৰ গুৰু জনাই প্ৰতিষ্ঠিত কৰি থৈ যোৱা সত্ৰখনক লৈ চৰকাৰখন যথেষ্ট সচেতন বা সত্ৰখনৰ উন্নতিৰ হকে কাম কৰিব বিচাৰে গতিকে অধ্যক্ষ মহোদয়, মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠিত কৰি থৈ যোৱা বাঘবৰ পাহাৰৰ বৈঠাপোতা সত্ৰখনক গুৰুত্ব দি বাঘবৰ পাহাৰখনক যাতে পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলে। এই পদক্ষেপে নিশ্চিত ভাৱে গুৰুজনাৰ প্ৰতি চৰকাৰখনে সন্মান দিয়া বুজাব। প্ৰতি বছৰে এই সত্ৰলৈ হাজাৰৰো অধিক ভক্তই দৰ্শন কৰিবলৈ আহে। বাঘবৰ সমষ্টিৰ স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ হৈ আপোনাৰ লগতে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক বাঘবৰ পাহাৰলৈ এবাৰ অহাৰ বাবে আমন্ত্ৰণ জনাইছো। এই পাহাৰৰ যি সৌন্দৰ্য, মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰৰ যি মনোমোহা পৰিৱেশ তাৰ প্ৰতি আপোনালোক নিশ্চয় আপ্লুত হ'ব। এই স্থানত দিনক দিনে পৰ্যটকৰ সংখ্যা বৃদ্ধি পাই আহি আছে। বাঘবৰ পাহাৰখন পৰ্যটন ক্ষেত্ৰলৈ স্থানান্তৰ কৰাত যাতে মাননীয় মন্ত্ৰী মহোদয়ে যথেষ্ট গুৰুত্ব দিয়ে । এই সমষ্টিৰ স্থানীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ তৎপৰতাত ইতিমধ্যে তাত কিছুমান কাম বিভাগীয় ভাৱে আগবঢ়োৱা হৈছে। এই ক্ষেত্ৰত মই আপোনাক চমুকৈ কেইটামান কথা ক'ব বিচাৰিছো। ইতিমধ্যে Assam Tourism Development Corporation Ltd. ৰ তৰফৰ পৰা অসম চৰকাৰৰ পৰ্যটন বিভাগৰ Commissioner & Secretary লৈ Letter No. TSM110/2016/30 dated 23rd November, 2017 যোগেদি বাঘবৰ পাহাৰক কেন্দ্ৰ কৰি পৰ্যটন থলী কৰিব পাৰি নেকি তাৰ বাবে অনুৰোধ কৰি লিখা হৈছিল। এই চিঠিখন

পোৰাৰ পিছতে অসম চৰকাৰৰ পৰ্যটন বিভাগৰ Deputy Secretary ৰ ফালৰ পৰা A.T.D.C.L. ৰ Managing Director ক এখন পত্ৰ লিখা হৈছিল আৰু সেই পত্ৰখনত কোৱা হৈছিল যে বাঘবৰ পাহাৰখনত ক্ষেত্ৰ অধ্যয়ন কৰি এটা প্ৰতিবেদন তেওঁলোকে দাখিল কৰিব লাগে। সেই পত্ৰখন পোৰাৰ পিছত তেওঁলোকে পৰ্যটন বিভাগৰ Principal Secretary লৈ এখন পত্ৰ লিখিছিল যে Contingency charge ৰ বাবে ২.৯৫% যি project cost হয় সেইখিনি চৰকাৰে বহন কৰিব লাগে। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ে এই কথাখিনি শুনি যাতে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰে আৰু মহাপুৰুষ মাধৱদেৱৰ স্মৃতি জড়িত বৈঠাপোতা সত্ৰখনক কেন্দ্ৰ কৰি বাঘবৰক পৰ্যটন থলীলৈ ৰূপান্তৰ কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষঃ** Thank You. Minister please.

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী, পৰ্যটন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০১ নিয়মৰ অধীনত আমাৰ সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো ভাল লাগিছে। আচলতে এই বিষয়টো Archaeology আৰু Cultural Department ৰ হয়। কিন্তু অধ্যক্ষ মহোদয়, আপুনি অনুমোদন দিয়াৰ বাবে আৰু পৰ্যটন বিভাগে উত্তৰটো দিবলৈ মোক দায়িত্ব দিয়াৰ বাবে মই চমুকৈ কেইটামান কথা ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিৰ স্থানীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আৰু সন্মানীয় জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াৰ বৈঠাপোতা সত্ৰৰ ক্ষেত্ৰত যিটো concern তাৰ বাবে মই তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছো। চৰকাৰে বাঘবৰৰ বৈঠাপোতা সত্ৰৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো ইতিমধ্যে আপোনাৰ ভাষণত উল্লেখ কৰিছে গতিকে মই দীঘলীয়া কৰিব বিচৰা নাই। আমি এই অঞ্চলত ১০ বিঘা মাটি বিচাৰি বৰপেটাৰ D.C. লৈ চিঠি প্ৰেৰণ কৰিছো। এই ক্ষেত্ৰত আপোনালোকে দায়িত্ব বুজি আমাক মাটি খিনি উলিয়াব পৰাত যাতে অলপ সহায় কৰে। ইতিমধ্যে তাত তোৰণ, খটখটি, Guard Wall , railing বনোৱাৰ বাবে ৪৬.৬ লাখ টকা খৰচ কৰা হৈছে। তাক উন্নত কৰিবৰ বাবে Water sports ৰ ব্যৱস্থাও কৰিব পৰা যায়। এই ঠাইখিনিৰ পৰিৱেশ religious tourism ৰ বাবে সাংঘাতিক ধুনীয়া। গতিকে মই সদনত প্ৰতিশ্ৰুতি দিছো যে আমি যদি সোনকালে মাটিখিনি পাওঁ তেন্তে ঠাইখিনি যথেষ্ট উন্নত কৰিবৰ বাবে আমাৰ চৰকাৰ তথা বিভাগ দায়বদ্ধ।

**মাননীয় অধ্যক্ষঃ** Thank You.

**মাননীয় সদস্য শ্ৰী আব্দুল খালেক, (জনিয়া)ঃ** অধ্যক্ষ মহোদয়, এটা point of order আছে। আপুনি zero hour ৰ ক্ষেত্ৰত কৈছিল যে, আমি মন্ত্ৰী সকলক notice দিব লাগে। কিন্তু অধ্যক্ষ মহোদয়, তিনিজন মন্ত্ৰীয়ে যে পদত্যাগ কৰিলে, তেওঁলোকৰ কোনটো দফতৰ কাৰ হাতত আছে সেই তালিকাখন available কৰিলে সুবিধা হয়।

**মাননীয় অধ্যক্ষঃ** মই দি দিম। এতিয়া ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত যি debate আছে সেয়া মই পবিন্দ্ৰ ডেকাক আৰম্ভ কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় সদস্য শ্ৰী পবিন্দ্ৰ ডেকা, (পাটাছাৰকুছি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই এই সদনৰ অধিবেশনৰ প্ৰথম দিনত যি ভাষণ ইয়াত ৰাখিছে সেই ভাষণৰ ওপৰত অসম গণ পৰিষদ বিধায়িনী দলে দুটা সংশোধনী প্ৰস্তাৱ আনিছো। এই সংশোধনী প্ৰস্তাৱ দুটা আছিল-

সংশোধনী-১ -"শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু এক উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে বিগত কিছু দিনত অসমৰ বিভিন্ন ঠাইৰ লগতে যোৱা ইং ২৭ জানুৱাৰী, ২০১৯ তাৰিখে নলবাৰী জিলাৰ ঘগ্ৰাপাৰত সদৌ অসম ছাত্ৰ সন্থাৰ শান্তিপূৰ্ণ, অহিংসা আৰু গণতান্ত্ৰিক আন্দোলনকাৰীৰ ওপৰত নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ উপৰিও ঘগ্ৰাপাৰ থানাত কৰায়ত্ব অৱস্থাত থকা সদৌ অসম ছাত্ৰ সন্থাৰ নেতা-কৰ্মীক শাসকীয় দলৰ কিছু নেতা-কৰ্মীৰ দ্বাৰা আৰক্ষীৰ সন্মুখতে প্ৰহাৰ কৰাই গণতান্ত্ৰিক আন্দোলনক মষিমূৰ কৰাৰ বাবে মোৰ চৰকাৰে বলিষ্ঠ ভাৱে চেষ্টা চলাইছে।"

সংশোধনী-২ -" মোৰ চৰকাৰে অসম চুক্তিক নস্যাৎ কৰি নাগৰিকত্ব সংশোধনী বিধেয়ক (২০১৬)ৰ বিৰোধিতাৰ পৰিৱৰ্তে সমৰ্থন জনোৱাৰ উপৰিও সম্প্ৰতি অব্যাহত থকা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াও নস্যাৎ কৰিবলৈ মোৰ চৰকাৰ বদ্ধপৰিকৰ।"

অধ্যক্ষ মহোদয়, ঘগ্ৰাপাৰত যি ঘটনা ঘটিছিল, যাৰ বিষয়ে মই ইয়াত উল্লেখ কৰিলো, সেই ঘটনাটোত মই এটা তদন্ত দাবী কৰিছো আৰু তদন্ত দাবী কৰি এই বিষয়টোৰ ওপৰত আৰু বিশেষ আলোচনা নকৰি দ্বিতীয় সংশোধনী প্ৰস্তাৱটোলৈ আহিছো। অসম চুক্তিৰ নিচিনা বৃহৎ গণতান্ত্ৰিক আন্দোলন পৃথিৱীৰ অন্য কোনো স্থানত যে হোৱা নাই সেই কথা মই বিধান সভাৰ অধিবেশনত অসম চুক্তিৰ ৬ নং দফাৰ ওপৰত যি প্ৰস্তাৱ আহিছিল তেতিয়াই কৈছিলো। পৃথিৱীত বহুতো বিপ্লৱ হৈছে, আন্দোলন হৈছে, ফৰাছী বিপ্লৱ, ৰুছ বিপ্লৱ, আমেৰিকাত স্বাধীনতাৰ আন্দোলন, ভাৰতত স্বাধীনতা আন্দোলন হৈছে কিন্তু সেই আন্দোলনবোৰ বিপ্লৱলৈ ৰূপান্তৰিত হৈছে আৰু তাত বিভিন্ন ধৰণৰ বৈপ্লৱিক কাম-কাজ হৈছে কিন্তু অসম আন্দোলন সমগ্ৰ পৃথিৱীত এক বৃহৎ গণতান্ত্ৰিক আন্দোলন হিচাপে খ্যাতি লাভ কৰিছে।

সেই আন্দোলনবিলাক বিপ্লৱলৈ ৰূপান্তৰিত হৈছিল আৰু বিভিন্ন ধৰণৰ বৈপ্লৱিক কাম-কাজ চলিছিল। কিন্তু অসম আন্দোলন সমগ্ৰ পৃথিৱীত এক বৃহৎ গণতান্ত্ৰিক আন্দোলন হিচাপে খ্যাতি লাভ কৰিছিল। সেই আন্দোলনত ৮৫৫ জন স্বহীদ হৈছিল আৰু এখন চুক্তি হৈছিল ১৯৮৫ চনৰ ১৪ আগষ্টৰ মাজ নিশা ২ঃ১৫ বজাত। সেই চুক্তিৰ ৫ নং দফাটোৰ ভিত্তিত অসম আন্দোলন হৈছিল, সেইমৰ্মে অসমৰ লক্ষ-লক্ষ বিদেশী নাগৰিক বিশেষকৈ বাংলাদেশৰ বিদেশী নাগৰিকে ইয়াত অনুপ্ৰৱেশ অবৈধভাৱে কৰিছে । এই কথা চৰকাৰীভাৱে ঘোষণা কৰা হৈছিল।

১৯৭৮ চনত সেই সময়ৰ ভাৰতৰ নিৰ্বাচনী আয়ুক্ত S.L.Shakdhar ডাঙৰীয়াই ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ নিৰ্বাচনী বিষয়া সকলৰ সভাত এই কথা কৈছিল যে অসমৰ ভোটাৰ তালিকাত কেইবালক্ষ বিদেশী নাগৰিকৰ নাম অন্তৰ্ভুক্ত হৈছে। সেইকাৰণে অসমৰ হিৰালাল পাটোৱাৰী ডাঙৰীয়াৰ যদিও summary revision হ'ব লাগিছিল electoral role ৰ সেইটো intensive revision কৰিবলৈ তেওঁ নিৰ্দেশ দিছিল। It was the bigining of the Assam Movement against foreigners.অসমৰ ছবছৰীয়া আন্দোলনৰ অন্ততঃ হোৱা এই চুক্তিখনৰ ৫ নং দফাত আছিল যে ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশা অৰ্থ্যাৎ ২ঃ১৫ বজালৈকে যিসকলক বিদেশী লোক বাংলাদেশৰ পৰা আহিছে তেওঁলোক অসমত থাকিব। তেওঁলোক হিন্দুয়েই হওক বা মুছলিমেই হওক বা যিকোনো ধৰ্মৰ হওক আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশা অৰ্থ্যাৎ ২ঃ১৫ বজাৰ পাছত যিখিনি লোক আহিছে তেওঁলোক যি ধৰ্মৰেই নহওক তেওঁলোক ইয়াৰ পৰা যাব লাগিব।

এই চুক্তিখন হোৱাৰ কেইদিনমান পিছত এইটো আকৌ ratified in perliament being in support of all the political parties irrespective

of any political ideologies. বি জে পি দলেও যোৱা নিৰ্বাচনত এই কথাটো মানি লৈছিল যে অসম চুক্তি ৰূপায়ণ কৰা হ'ব আৰু যথাযথ ভাৱে ইয়াত পালন কৰা হ'ব। অসম চুক্তিৰ ভিত্তিত অসমৰ পৰা বিদেশী নাগৰিক চিনাক্ত কৰি ভোটাৰ তালিকাৰ পৰা নাম কাটি বহিস্কাৰ কৰা হ'ব। কিন্তু দুৰ্ভাগ্যবশত ভাৰতবৰ্ষৰ ৰাইজে বৃহৎ জনসমৰ্থন দি কেন্দ্ৰত NDA চৰকাৰ পাতিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত। অসমৰ ৰাইজৰ দাবীত অসম গণ পৰিষদে অসমত ১৯১৬ চনত অসম বিধান সভাৰ নিৰ্বাচনত আমি তিনিটা প্ৰতিশ্ৰুতি লৈছিলো। ১নং - অসম চুক্তিৰ আধাৰত বিদেশী নাগৰিক চিনাক্ত কৰি ৰাজ্যখনৰ পৰা বহিস্কাৰ কৰা হ'ব যিসকলে ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশাৰ পিছত অসমলৈ আহিছে, কোনো ধৰ্মৰ ভিত্তিত নহয়। ২নং- বৃহৎ নদী বান্ধ বিৰোধ কৰা। ৩নং - বাংলাদেশক মাটি দিয়া। কিন্তু এই আটাই কেইটা প্ৰতিশ্ৰতি ভঙ্গ কৰাৰ বাবে ১৯১৬ চনত যেতিয়া এই বিধেয়কখন উত্থাপন কৰিছিল সেইদিনাৰ পৰাই আমি সেইখন বিৰোধ কৰি আহিছো। তৎস্বত্বেও আজি লোকসভাত NDA চৰকাৰে এইখন উত্থাপন কৰি পাচ কৰিছে। এতিয়া এইখন ৰাজ্যসভাত আছে।

স্বাধীনতা আন্দোলনৰ পিছত যেতিয়া হিন্দুস্থান- পাকিস্তান হৈছিল তেতিয়া পণ্ডিত জৱাহৰলাল নেহেৰু আৰু লিয়াকত আলী খান, পাকিস্তানৰ প্ৰধান মন্ত্ৰীৰ মাজত এখন চুক্তি হৈছিল ১৯৫১ চনত, নেহেৰু -লিয়াকত Act.এই Act মতে এবছৰৰ সময়সীমা দিয়া হৈছিল ১৯৫২ চনলৈকে যে যিসকল হিন্দু লোকে পাকিস্তানৰ পৰা আহিব বিচাৰে তেওঁলোকে আহিব পাৰে। কিন্তু এবছৰ সময় পাৰ হৈ যোৱাৰ পাছতো ১৯৬৫ চনলৈকে শৰনাৰ্থী হিচাপে পূৰ্ব্ব পাকিস্তানৰ পৰা আমাৰ ইয়ালে ১১ লক্ষতকৈও অধিক হিন্দু মানুহ আহিছিল। আমি তেওঁলোকক ভৰণ-পোষণ দিছিলো।

নেহেৰুৱে তেওঁলোকৰ ভৰণ-পোষণৰ সকলো খৰচ আমাক দিম বুলি কথা দিছিল। কিন্তু সেই প্ৰতিশ্ৰুতি সম্পূৰ্ণ ভঙ্গ কৰিছিল।

ইয়াৰ উপৰিও তেওঁলোকে প্ৰতিশ্ৰুতি দিছিল যে ৰাজ্যই ৰাজ্যই তেওঁলোকক সংস্থাপন কৰা হ'ব। সেই সময়ত মেধী ডাঙৰীয়া, চলিহা ডাঙৰীয়া সকলোৱে আপত্তি কৰিছিল যে আমি তেওঁলোকক সংস্থাপন দিব নোৱাৰো। ভাৰতবৰ্ষৰ আন-আন ঠাই সমূহতো তেওঁলোকক সংস্থাপন দিব নোৱাৰাৰ পাছত অসমতেই প্ৰায় ৫ লাখতকৈও অধিক লোক বিভিন্ন নগৰ-চহৰত সোমাই গৈছিল আৰু যি ৪.৫ লাখ লোক বাকী আছিল ১৯৬৫ চনলৈকে, সমগ্ৰ গোৱালপাৰা জিলাত থকা শ শ শৰনাৰ্থী শিৱিৰত প্ৰায় ১৩-১৪ বছৰ ভৰণ-পোষণ দি থকা হৈছিল। অসম চৰকাৰৰ এটা বিভাগ আছিল তেওঁলোকৰ কাৰণে, Refugee Rehabilitation Department. সেই ৪.৫ লাখ লোকসকলক অসমৰ যিবিলাক ৩৩ টা Tribal Belt & Block আছিল তাত সংস্থাপন দিলে। ইতিমধ্যে আমি ১১ লক্ষতকৈও অধিক লোকক সংস্থাপন দিছো। তেওঁলোক পূৰ্ব্ব পাকিস্তানী হিন্দু আছিল।

আমি এতিয়া কৈছো যে ১৯৭১ ৰ পিছত ২০ লক্ষতকৈও অধিক লোক অসমত আছে। এইটো আমি কোৱা কথা নহয়, বি জে পি দলৰ প্ৰাক্তন মন্ত্ৰী পুৰকায়স্থ ডাঙৰীয়াই কোৱা কথা। তেওঁ কৈছে সেই সকলক আমি নাগৰিকত্ব দিব লাগিব। কিন্তু আমি সেইটো মানি লব নোৱাৰো। বি জে পি য়ে কৈছিল যে ২০১৪ চনৰ ৩১ ডিচেম্বৰ লৈকে যিসকল লোক আহিছে তেওঁলোকক অসমত ৰাখিম বুলি এই দলে আজিও কৈ আছে। কিন্তু বিলখনত এই কথা কতো উল্লেখ নাই। তেওঁলোকে কৈছে যে, যিসকল বাংলাদেশত নিৰ্যাতিত, যিসকল আফগানিস্থানত নিৰ্যাতিত

সেইসকল হিন্দু, বৌদ্ধিছ, খ্ৰীষ্টান লোকক আমি ইয়াত ৰাখিম। কিন্তু তেওঁলোকে যিখন বিল উত্থাপন কৰিছে সেই বিলখনত ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ কথাটো উল্লেখ নাই আৰু তেওঁলোক যে সেই ৰাজ্যত উৎপীড়িত হৈছে সেই কথাও উল্লেখ নাই। সেইকাৰণে অসম গণ পৰিষদ দলে আৰু অসমৰ বিভিন্ন দল-সংগঠনে ইয়াৰ তীব্ৰ বিৰোধীতা কৰি আহিছে। আমি কৈছো যে ভাষা, সাহিত্য, সংস্কৃতি আদি component এ এটা জাতিৰ identity ৰ কৰে। যি জাতিয়ে identity হেৰুৱায় সেই জাতিটো এটা জাতি হিচাপে জীয়াই থকাটো সম্ভৱ নহয়। ই লাগিলে আমেৰিকাই হওক বা ৰাছিয়াই হওক বা communist country চীনেই হওক। অধ্যক্ষ মহোদয় আপুনি জানে যে ১৮৩৬ চনৰ পৰা ১৮৭৩ খ্ৰীষ্টাব্দলৈ অসমীয়া ভাষাক নিৰ্বাসন দণ্ড দিয়া হৈছিল। কাৰ প্ৰৰোচনাত দিয়া হৈছিল সেই কথাও আপোনালোকে জানে। কেইজনমান অসমীয়া ছাত্ৰই কলিকতাত তাৰ বুদ্ধিজীৱি সকলক, ইংৰাজক পতিয়ন নিয়াই সপ্তম শতিকাতে হোৱা এই অসমীয়া ভাষাটোক পুণৰ প্ৰতিষ্ঠা কৰিছিল। তাৰ পিছত স্বাধীনতা আহিল, স্বাধীনতাৰ সময়ত বহু পূৰ্ব্ব বঙ্গীয় মানুহ আহিল।

**মাননীয় অধ্যক্ষ ঃ** It is now 11:30. House will adjourn till 3pm.

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া পবিন্দ্ৰ ডেকা। আমাৰ সময় এতিয়া ১২০ মিণিট আছে। মই সেই কাৰণে প্ৰত্যেক দলকে কৈছো ৪-৫ মিনিট মান কৈ কমাওক। অলপ কমিব, শাসকীয় দলৰ ১০-১৫ মিনিট কমিব। কংগ্ৰেছৰ কেই মিনিটমান কমিব। বাকী বিলাকৰো কমিব। কাৰণ সময়টো মিলাব লাগিব। গতিকে আপুনিও যিমান পাৰে চমু কৰক।

**শ্ৰীপবিন্দ্ৰ ডেকা, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কিছু সময় মই মোৰ বক্তব্য তথ্য সহকাৰে দাঙি ধৰিছো। মই এই কথা কৈছো, এই বিলখন যদি পাছ হয়, ৰাজ্যসভাত যদি পাছ হয়, এই ৰাজ্যখনৰ , এই ভূ-খণ্ডৰ উত্তৰ পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনগোষ্ঠীৰ যি অস্তিত্ব, যি পৰিচয়, সেই পৰিচয় বিলুপ্তি হোৱাৰ সম্ভাৱনাই দেখা দিছে। সেই কাৰণে আজি সমগ্ৰ উত্তৰপূৰ্বাঞ্চলৰ খিলঞ্জীয়া লোক সকলে ইয়াৰ তীব্ৰ বিৰোধীতা কৰি আহিছে। কাৰণ এই বিলখনত চৰকাৰে কোৱা মতে, বিজেপি দলে কোৱা মতে, যে ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈকে এই মানুহখিনিক নাগৰিকত্ব দিয়াৰ কথা কৈছে যিখিনি মানুহে এই চাৰিখন দেশত উৎপীড়িত হৈ আমাৰ দেশলৈকে আহিছে। আৰু সেই মানুহখিনিৰ শতকৰা ৯৭ ভাগৰো অধিক বাংলা দেশৰ পৰা অসমত সোমাইছে। হিচাবটো মই দিছো ইতিমধ্যে আৰু বিজেপি ৰ প্ৰাক্তন মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থ ডাঙৰীয়াই ইতিমধ্যে দিছে। যিহেতু এই কথাটো উল্লেখ নাথাকিল, এই যে আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে ১ কোটি ৯০ লাখ আহিব। আমি কি কৈছো যে ১ কোটি ৯০ লাখ হিন্দু মানুহ এতিয়াও বাংলা দেশত আছে। কাৰণ বাংলা দেশ এতিয়াও ইছলামিক Country হোৱা নাই। কোনোবা এজনে কৈছে যে এইখন ইছলামিক Country হৈছে। ইছলামিক Country হিচাপে ঘোষনা কৰিছে। কিন্তু নাই কৰা।

**মাননীয় অধ্যক্ষ ঃ-** সময় কম আছে, গতিকে মুল কথাখিনি কৈ দিয়ক।

**শ্ৰী পবিন্দ্ৰ ডেকা, সদস্য ঃ-** হয়। গতিকে সেই মানুহখিনি উৎপীড়িত হোৱা বুলি ইয়ালৈ অহাৰ সম্ভৱনাটো অধিক হৈ আছে কাৰণে উত্তৰপুৰ্বাঞ্চলৰ খিলঞ্জীয়া মানুহখিনিয়ে ভয়ত বিতত হৈ পৰিছে। সেই কাৰণে এই আইনখন, আইনখনে যিহেতু অসমকে ধৰি উত্তৰপুৰ্বাঞ্চলৰ অস্থিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। আৰু সমগ্ৰ উত্তৰপুৰ্বাঞ্চলৰ খিলঞ্জীয়া মানুহে, শ,শ জাতীয় সংগঠনে ইয়াৰ বিৰোধীতা কৰিছে। মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক এই বিধান সভাত অনুৰোধ কৰো, মই নিবেদন কৰিছো

যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আৰ্জি পেচ কৰিব লাগে যে এই বিলখন যাতে কোনো পৰিস্থিতিতে যাতে চৰকাৰে গ্ৰহণ নকৰে। আৰু গ্ৰহণ নকৰি যাতে উত্তৰপুৰ্বাঞ্চলৰ খিলঞ্জীয়া মানুহখিনিক ৰক্ষা কৰে। আজি কেনে ঘটনা ঘটিছে অধ্যক্ষ মহোদয়, অসম আন্দোলনত, ৬ বছৰীয়া অসম আন্দোলনত যি শ্বহীদ হৈছিল ৮৫৫ জন যাক আমি চৰকাৰে, বিধান সভা চৰকাৰৰ অংশীদাৰ আমি তেওঁলোকক স্মৃতি হিচাপে বঁটা দিছিলো, সেইবোৰ আজি তেওঁলোকে ঘূৰাই দিছে। যিটো ঘটনা ১৯৭৯চনৰ পৰা ১৯৮৫ চনলৈ হোৱা অসম আন্দোলনৰ মুক্তি যুঁজাৰু সকলে তেওঁলোকৰ তাম্ৰপত্ৰ ঘূৰাই দিছে। গতিকে এই গোটেই বিষয়টোৰ ওপৰত যি হেতু অসমৰ সমুহ খিলঞ্জীয়া লোকে ভয়ত বিতত হৈছে, নিজৰ অস্তিত্ব ধংস হ'ব বুলি আৰু নিজৰ পৰিচয় নাইকিয়া হ'ব বুলি, নিজৰ সাহিত্য সংস্কৃতি হেৰুৱাব বুলি আশংকাত ভুগিছে। আৰু আন্দোলনত নামি পৰিছে। গতিকে মই আশা কৰিম যে আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰক পতিয়ন নিয়াব। এতিয়াও যথেষ্ট সময় আছে, কাৰণ এইখন এতিয়াও ৰাজ্যসভাত পাছ হোৱা নাই। গতিকে এইখিনি কৰিব বুলি মই আশা কৰিছো আৰু আমাৰ ২-১ জন বন্ধুৱে ক'ব আমাৰ দলৰ। সেই কাৰণে মই তেখেত সকলৰ সময় এৰি দিয়াৰ কাৰণে মই মোৰ বক্তব্য এইখিনিতে সমৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। এতিয়া ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, পশ্চিম কোকৰাঝাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম চৰকাৰৰ ২০১৬ চনত চৰকাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত ইতিমধ্যে তিনিবাৰ বাজেট অধিবেশন, এই পবিত্ৰ সদনত হৈ গ'ল। আৰু যোৱা ২৮ জানুৱাৰীৰ পৰা আমাৰ এই সদনত ৪ৰ্থ বাৰৰ বাজেট অধিবেশন ইতিমধ্যে আৰম্ভ হৈছে। আৰু এই বাজেট অধিবেশনত আমাৰ সংসদীয় গনতান্ত্ৰিক যিটো Governance, Parliamentary democratic Governance , যিটো এটা চিচটেম আছে ইয়াৰে এটা আমাৰ পৰম্পৰা আমাৰ সংবিধানৰ অংশ হিচাপে মাননীয় অসমৰ ৰাজ্যপাল ডাঙৰীয়াদেৱে যোৱা ২৮ তাৰিখে যিটো এটা ভাষণ তেখেতে পাঠ কৰিলে সেইটো লৈ সদনত ধন্যবাদসূচক প্ৰস্তাৱ আমাৰ শাসকীয় দলৰ পৰা যিহেতু আগবঢ়াইছে, উত্থাপন কৰিছে, মই বিপিএফ দলৰ আমাৰ বিধায়িনী দলৰ পৰা এই ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আগবঢ়াই ইয়াত আমাৰ যুক্তিখিনি দাঙি ধৰিবৰ কাৰণে আগবাঢ়িছো। অসম চৰকাৰে এই আঢ়ৈটো বছৰত যিটো পৰিস্থিতিৰ মাজত এখন চৰকাৰ চলোৱাৰ দায়িত্ব পালে, আমি সকলোৱে জানো এই সদনত স্পষ্টভাৱে আমাৰ এটা সময়ত বিত্তমন্ত্ৰী ডাঙৰীয়াদেৱে জনাইছিল যে, অসম চৰকাৰ এতিয়া আৰু এই চৰকাৰখনৰ যিটো বিত্তীয় অৱস্থা, অসমৰ জনগণৰ উন্নয়নৰ কাৰণে কাম-কাজ কৰিবৰ কাৰণে আঁচনি লবৰ কাৰণে যথেষ্ট ধাৰত ভূগিবলগা হ'ল আৰু সেইখিনি আমি বোজা লৈ চৰকাৰখন চলাবলগীয়া হ'ল। সেইটো বিত্ত মন্ত্ৰী ডাঙৰীয়াদেৱৰ ঘোষণা আছিলে। তৎস্বত্বেও আমাৰ চৰকাৰখনে অসমৰ উন্নয়নৰ কাৰণে, অসমৰ জনগণৰ স্বাৰ্থৰ কাৰণে, অসমৰ অস্তিত্ব, সুৰক্ষা সুনিশ্চিত্ত কৰিবৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াদেৱৰ নেতৃত্বত দৃঢ়তাৰে এটা vision mission লৈ আজিলৈকে কাম কৰি থকাটো আমি সকলোৱে স্বীকাৰ কৰা প্ৰয়োজন নিশ্চয় আছে। এই জটিল সন্ধিক্ষণত চৰকাৰ চলাই অহা বা চৰকাৰ চলাবলৈ বাধ্য হোৱা চৰকাৰখনে আজি সচাঁকৈয়ে এই আঢ়ৈ টা বছৰত আমি এইটো কব লাগিব যে, অসমবাসী জনগণৰ, অসমবাসী ৰাইজৰ অসমৰ স্বাৰ্থৰ কাৰণে সচাঁকৈয়ে সুন্দৰকৈ কাম কৰি আছে। উন্নয়নৰ কাম-কাজ বিলাক ক্ষীপ্ৰতাৰে আগুৱাই নিয়াত যথেষ্ট আঁচনি সেইবিলাক ৰূপায়ণ কৰি আছে। এই চৰকাৰখনৰ প্ৰথম প্ৰশংসাৰ যিটো পদক্ষেপ, আমি জানো যে অসমবাসী ৰাইজৰ কাৰণে, উন্নয়ণৰ কাৰণে যদি আমি কাম কৰিব

লাগে, অসমৰ জনগণৰ স্বাৰ্থৰ হকে যদি কাম কৰিব লাগে, অসমৰ সুৰক্ষা, অস্তিত্ব বজাই ৰাখিবৰ কাৰণে যদি আমি কাম কৰিব লাগে, আমি প্ৰশাসনিক দিশৰ পৰা পৰিস্কাৰ হ'ব লাগিব। যাৰ কাৰণে এই চৰকাৰখনে দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগে লগে প্ৰশাসনিক সংস্কাৰৰ কাৰণে, পৰিৱৰ্তনৰ কাৰণে যথেষ্ট গুৰুত্বপূৰ্ণ পদক্ষেপ ললে। আমাৰ বিভিন্ন চৰকাৰী যিবিলাক এজেঞ্চী, অনুষ্ঠান, বিষয়াসকল আৰু সমাজত স্পষ্ট এটা বাৰ্তা প্ৰেৰণ কৰিব পাৰিছিল যে, এই চৰকাৰখনে ৰাইজৰ চৰকাৰ, ৰাইজৰ স্বাৰ্থৰ কাৰণে, অসমৰ স্বাৰ্থৰ কাৰণেহে কাম কৰিব। যাৰ কাৰণে ঘোষণা কৰা হৈছিল যে, দুৰ্নীতিমুক্ত, প্ৰদুষণমুক্ত, বিদেশীমুক্ত সঁচাসচিকৈ এই তিনিটা মুলমন্ত্ৰ লৈ অসম চৰকাৰখনে কাম কৰিবলৈ লোৱাটো আমি বৰ্তমান অসমত দেখিবলৈ পাইছো যে, এ পি এচ চি ৰ নিচিনা অসমত দুৰ্নীতিগ্ৰস্ত যিটো অনুষ্ঠান, সেইবিলাক আজি আমি দুৰ্নীতিমুক্ত কৰিব পাৰিছো। একমাত্ৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া দেৰৰ নেতৃত্বত যিটো zero tolerance against the coruption. যিকোনো স্তৰত zero tolerance ৰ নীতি গ্ৰহণ কৰি যিটো কাম কৰিলে, ইয়াৰ কাৰণে আমি এ পি এচ চিত এই সংস্কাৰমূলক কিছুমান পদক্ষেপ লোৱাটো দেখিবলৈ পাইছো। আজি সঁচাকৈ এই এ পি এচ চি ৰ প্ৰতি আমাৰ, অসমবাসী ৰাইজৰ এটা আস্থা এতিয়া ঘূৰি আহিছে বুলি আমি কব পাৰো। আমাৰ এই অসমত, বিভিন্ন স্তৰত যিবিলাক দুৰ্নীতি বিষয়াবিলাকৰ মাজৰে হওঁক, বা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানতে হওক যিটো আমি দেখিবলৈ পাইছিলো, সেইবিলাক আজি নাইকিয়া হ'ল বুলি কব পাৰো। হাতে-লোটে এই চৰকাৰখনে দুৰ্নীতিগ্ৰস্থ বিষয়াসকলক ধৰি আজি জেললৈ প্ৰেৰণ কৰাৰ উদাহৰণ আমাৰ চকুৰ আগতে আছে। আমাৰ যিবিলাক কাম-কাজ কৰিবৰ কাৰণে, আজি ৰাইজে যথেষ্ট কষ্ট পাইছিলে এটা ফাইল যদি অনুমোদন পাব লাগে, ইয়াৰ কাৰণে মাহৰ পিছত মাহ, ঘুৰিব লগা হৈছিল, আজি এই ফাইলৰ পিছে পিছে ঘুৰিবলগা হোৱা এই ফাইলৰ অনুমোদন পাবৰ কাৰণে আমি যেন লাগি থাকিব লগা হোৱা ধৰণৰ এই পৰ্য্যায় এতিয়া এই চৰকাৰখনৰ আমোলত নাই। এতিয়া আমাৰ চৰকাৰৰ বিষয়াসকল, বিভিন্ন যিবিলাক এজেঞ্চী আছে, জনগণৰ স্বাৰ্থৰ কাৰণে সঁচাকৈ সুস্থিৰভাৱে, সুন্দৰভাৱে কাম কৰি আছে আৰু এইবিলাক একমাত্ৰ সম্ভৱ হৈছে মাননীয় শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়াদেৱৰ দক্ষতাৰ কাৰণে, তেখেতৰ দৃঢ়তাৰে কাম কৰাৰ এটা পদক্ষেপ লোৱাৰ কাৰণে। গতিকে এই চৰকাৰে আজি আমাৰ সঁচাকৈ অসমবাসী ৰাইজৰ চৰকাৰ, অসমৰ চৰকাৰ, অসমীয়াসকলৰ চৰকাৰ, আমাৰ চৰকাৰ। আজি অসমখন আমি সকলোৰে জানো, ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত যথেষ্ট পিছপৰি থকা এখন ৰাজ্য। ইয়াৰ কাৰণে জগৰীয়া কোন ? আমি কিয় ৰাজ্যখন উন্নত হিচাপে গঢ়ি তুলিব নোৱাৰিলো ? ইয়াৰ কাৰণে নিশ্চয় পূৰ্বৰ যিবিলাক আমাৰ চৰকাৰ, বেলেগ বেলেগ ধৰণৰ চৰকাৰ নিশ্চয় ইয়াৰ মাজত আছে। আৰু লগতে আমাৰ অভিভাৱক হিচাপে কেন্দ্ৰত যিসকলে বহি ৰাষ্ট্ৰখন চলাই আছিল, তেওঁলোকৰ অসমৰ প্ৰতি মাহীআইৰ যিটো দৃষ্টিৰে চোৱা নীতি, সেই ৰাজ্যখনৰ প্ৰতি যিটো অৱহেলা অসমৰ স্বাৰ্থৰ উন্নয়নৰ ৰাইজৰ কাৰণে তেওঁলোকৰ যিটো অনিহা, তেওঁলোকে যিটো এটা পদক্ষেপ নোলোৱাৰ কাৰণে আজি অসমখনে ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত যিমানখিনি আগবাঢ়িব পাৰিব লাগিছিল, সেইখিনি পৰ্য্যায়লৈকে আমি আগবাঢ়ি যাব নোৱাৰিলো। গতিকে সেই ইমান বছৰ ধৰি decades of the decades পিছপৰি থকা সেই অসমখন যদি আমি উন্নত কৰিব লাগে, ইয়াৰ কাৰণে নিশ্চয় আমি সকলোৰে এই চৰকাৰখনক সহায়-সহযোগিতা কৰিব লাগিব। চৰকাৰখনৰ আঁচনি ৰূপায়ণ কৰাত আমাৰ সদ্দিচা থাকিব লাগিব, আমাৰ নিষ্ঠা মনোভাৱ থাকিব লাগিব, আৰু ইয়াৰ কাৰণে যথেষ্ট নিশ্চয়সময়ৰ প্ৰয়োজন আছে। কাৰোহাতত তেনেকুৱা আলাউদ্দিনৰ

চিৰাগ নাই। কোনো leader এ charismatic নহয়। এটা বছৰত, দুটা বছৰত, আঢ়ৈটা বছৰত অসম খনক একেবাৰে গোটেইটো দিশৰ পৰা উন্নত কৰিবপাৰিব তেনেকুৰা ধৰণৰ charismatic এই নিশ্চয় তেনেকুৰা লিডাৰ, কোনো চৰকাৰৰে হাতত নাই। গতিকে আমাৰ এই চৰকাৰ খনক, তথাপিও আমি গ'ব লাগিব যে যিমানখিনি সময় আছে, যিমানখিনি resource আছে সেইখিনি resource ৰ সৈতে Support of the Government of India এই চৰকাৰে বহুত sincierly আঁচনি বিলাক ৰূপায়ন কৰি আছে। প্ৰতিটো বিভাগ, প্ৰতিটো আমাৰ লেভেলত, ৰাইজৰ স্বাৰ্থত উন্নয়নৰ কাৰণে যিখিনি পুঁজি আহিছে সঁচাকৈ আজি সদ্দিচাৰে ব্যৱহাৰ কৰি আছে, ৰূপায়ন কৰি আছে। আজি আমাৰ অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াদেৰৰ যিটো এটা আঁচনি মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ অধীনত কৃষিখণ্ডত কৃষক সকলক উৎসাহিক কৰিবৰ কাৰণে, উৎপাদনৰ কামত বেছিকৈ মনোনিবেশ কৰিবৰ কাৰণে প্ৰত্যক্ষভাৱে সহযোগিতা তেখেতসকলে এফোৰ্ট কৰিব নোৱাৰে। আজি আমি গোটেই অসমখনৰ ৩৬ হাজাৰৰ অধিক ট্ৰেক্টৰ দিয়াৰ এটা আঁচনি যিটো লৈছে, সচাঁকৈ আমাৰ অসমখন এখন কৃষি প্ৰধান ৰাজ্য, সেই কৃষি প্ৰধান ৰাজ্যৰ কৃষকসকলক উৎসাহিত কৰিবৰ কাৰণে বেচিকৈ তেখেতসকলক কৃষি কামত, কৃষি খণ্ডত মনোনিবেশ কৰিবৰ কাৰণে উৎসাহ যোগোৱাৰ এটা পদক্ষেপ। আজি অসমত, এই কৃষি খণ্ডত প্ৰধান মন্ত্ৰী কৃষি বিকাশ যোজনা, আৰ কে বি ৱাই নানান ধৰণৰ আঁচনিৰ দ্বাৰা আমাৰ উৎপাদন সেইবিলাক বঢ়াবৰ কাৰণে যথেষ্ট চেষ্টা চলোৱাটো এই চৰকাৰখনৰ আমোলত আমি দেখা পাইছো। যোৱা ২০১৭-১৮ চনৰ যিটো আমাৰ ৰেকৰ্ড তাত যিটো food grains, যিটো rice উৎপন্ন, সেইটো 3.4% লৈকে increase হোৱাটো আমি দেখিবলৈ পাইছো। আৰু যিবিলাক এতিয়া এই চনত 7.68%লৈকে increase হোৱাটো এটা focus কৰাটো দেখা পাইছো। গতিকে আমাৰ অসম চৰকাৰৰ এই বলিষ্ঠ পদক্ষেপ লোৱাৰ কাৰণে উন্নতিৰ মুখ আমি দেখিবলৈ পাইছো। আজি স্বাস্থ্যখণ্ডত আমাৰ অসমবাসী ৰাইজে চিকিৎসাৰ কাৰণে বৰ্হিৰাজ্যলৈ যোৱাটো আমি সকলোৰে জানো। ভাল ভাল হস্পিতাল, ভাল চিকিৎসাৰ কাৰণে বৰ্হিৰাজ্যলৈ অসমৰ পৰা বহুতে তেনেকৈ চিকিৎসা লবলৈ যায়। আমাৰ ইয়াতে আমি ৰাইজক আমাৰ অসমৰ ৰাইজক বা উত্তৰ-পূৰ্বাঞ্চলৰ মানুহখিনিক কেনেকৈ ভাল চিকিৎসা দিব পাৰো, ইয়াৰ কাৰণে স্বাস্থ্যখণ্ডত নতুন নতুন পদক্ষেপ লোৱা হৈছে। আজি গোটেই অসমত প্ৰায় কবলৈ গ'লে বহুকেইখন মেডিকেল কলেজ স্থাপন কৰা হৈছে। মই ধন্যবাদ দিব বিচাৰো এটা বলিষ্ঠ পদক্ষেপ লোৱাৰ কাৰনে নিশ্চয় আমি উন্নতিৰ মুখটো আমি দেখিবলৈ পাইছো। আজি Health Sector ত এই চৰকাৰখনে উন্নতি কৰিছে। আগতে আমাৰ অসমবাসী ৰাইজে নিজৰ চিকিৎসাৰ কাৰনে বহি ৰাজ্যলৈ যোৱাটো আমি সকলোৰে জানো। উন্নত চিকিৎসাৰ কাৰণে যাতে অসমৰ বাহিৰত যাব নালাগে অসমীয়া ৰাইজে তাৰ বাবে এই অসমতে যাতে উন্নত সুবিধাযুক্ত চিকিৎসা সুবিধা লাভ কৰিব পাৰে । তাৰ কাৰণে স্বাস্থ্য খণ্ডত চৰকাৰে যথেষ্ঠ নতুন নতুন পদক্ষেপ লৈছে। আজি অসমত বহু কেইখন নতুন চিকিৎসা মহাবিদ্যালয় আৰু হস্পিটেল স্থাপন কৰা হৈছে। সেই কাৰণে মই ধন্যবাদ দিব বিচাৰো আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক। আমাৰ কোকৰাঝাৰ জিলাত তেখেতে ইতিমধ্যে মেডিকেল কলেজ দিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীক লৈ গৈ তেখেতৰ দ্বাৰা মেডিকেল কলেজৰ আধাৰ শিলা স্থাপন কৰিছে। কনষ্ট্ৰাকশ্যনৰ কাম এই বছৰৰ পৰা আৰম্ভ হ'ব ইয়াৰ কাৰণে আমি কোকৰাঝাৰৰ ৰাইজে নথৈ আনন্দিত হৈছো। আমি ধন্যবাদ দিছো কাৰণ এই অসম চৰকাৰখনে আমাৰ এই পিছপৰা অঞ্চলটোৰ কাৰণে মেডিকেল কলেজ স্থাপন কৰাৰ জৰিয়তে লগতে টাটা কেম্পানীৰ

লগত টাই আপ হৈ কেনচাৰ হস্পিটেল নিৰ্মান কৰাৰ বাবে ইতিমধ্যে কাম আৰম্ভ কৰিছে তাৰ কাৰণে মই কোকৰাঝাৰ বাসী ৰাইজৰ হৈ অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। আজি অটল অমৃত অভিযান,আয়ুষ্মান ভাৰত আঁচনিৰ জৰিয়তে আমাৰ যিসকল জনসাধাৰণ আছে, অতি সহজভাবে, বিনামুল্যেই সা-সুবিধাসমূহ আজি কোনে দিছে? এই অসম চৰকাৰখনে দিছে। মেডিকেল হেল্থ চেক আপৰ কাৰনে বিনামূলীয়া এই সুবিধাবিলাক কোনে দিছে ? এই অসম চৰকাৰে দিছে। এইটো হ'ল আমাৰ ৰাইজৰ প্ৰতি চৰকাৰে আগবঢ়োৱা এটা সেৱা। এই চৰকাৰৰ আমোলত আমি সেইটো সকলোৱে দেখিবলৈ পাইছো। আজি পি ডিব্লিউ ডি ডিপাৰ্টমেন্টৰ ফালৰ পৰা যিটো আমাৰ ৰাইজৰ বাবে আঁচনি লৈছে আমি তাত সন্তুষ্টি প্ৰকাশ কৰিছো। আমাৰ আগতে যিখিনি wooden Bridge আছিল সেইবিলাক RCC Bridge কৰাৰ কাৰণে ইতিমধ্যে প্ৰত্যেকজন বিধায়কক সুবিধা দিয়া হৈছে allocation দিয়া হৈছে। শাসকীয়া দলৰ লগতে বিৰোধী দলৰ প্ৰতিজন বিধায়কসকলোকো maintanance and repairing কাৰণে ইতিমধে আঁচনি দিয়াৰ কাৰনে ব্যৱস্থা কৰা হৈছে। RIDFৰ নামত SOPD দ্বাৰা যথেষ্ঠ ফাণ্ড Allocation দিয়া হৈছে। এই বিলাক আজি সমগ্ৰ অসমবাসী ৰাইজে দেখিছে। ইয়াৰ বাহিৰেও অসমমালা আঁছনিৰ দ্বাৰা ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নতুন এখন RCC Bridge কৰা এই চৰকাৰৰ আমোলতে আমি দেখিবলৈ পাইছো। গতিকে আজি আমি শিক্ষাৰ খণ্ডতো পৰিবৰ্ত্তন দেখিছো। বহু বছৰধৰি থকা ভেন্সাৰ স্কুলবিলাক সোনকালে প্ৰভিন্সিয়েলাইজদ কৰাৰ ইঙ্গিত ইতিমধ্যে আমি পাইছো। আমাৰ যিবিলাক স্কুলত আজি Teacher নাই তাত Appointment দিয়াৰ ব্যৱস্থা এই চৰকাৰে কৰিছে। TET পৰীক্ষা পাতিবৰ কাৰনে ব্যৱস্থা কৰিছে। midday meal দিয়াৰ ব্যৱস্থা কৰিছে। আমাৰ দুখীয়া লৰা-ছোৱালীক বিনামূলীয়া এডমিশ্যন ল'বৰ কাৰনে কলেজ- হাইস্কুলবিলাকত চৰকাৰে সুবিধা দিছে। অকল ইয়ে নহয় পাঠ্যপুথিও বিনামূলীয়াকৈ দিয়াৰ বাবেও আজি এই চৰকাৰখনে ব্যৱস্থা গ্ৰহণ কৰিছে। এই চৰকাৰখনে আমাৰ Human Resource Development কৰাৰ কাৰণে যিটো পদক্ষেপ লৈছে এইটো অতিকৈ প্ৰশংসনীয়। এই বিষয়সমূহ আজি আমাৰ ৰাজ্যপাল মহোদয়ৰ বাজেট ভাষণত আমি দেখিবলৈ পাইছো। ইয়াৰ লগতে অসমক বিদেশীমুক্ত কৰাৰ বাবে এন আৰ চি আপডেট কৰাৰ যিটো কাম সেইটো অতি ক্ষিপ্ৰতাৰে আগবঢ়া আমি দেখিবলৈ পাইছো। অসমক বিদেশীমুক্ত কৰিবই লাগিব এইটো আমাৰ সকলোৰে মুলমন্ত্ৰ। দুৰ্নীতিমুক্ত, প্ৰদুষণমুক্ত আৰু বিদেশীমুক্ত কৰাৰ বাবে অসমখনৰ অস্তিত্ব ৰক্ষা কৰাৰ কাৰণে এন আৰ চিৰ কাম গুৰুত্বসহকাৰে এই চৰকাৰে আগবঢ়াই লৈ যোৱা আমি দেখিবলৈ পাইছো। বহিঃ ৰাজ্যৰ পৰা অসমলৈ প্ৰৱজন ৰোধ কৰাৰ বাবে , সীমান্ত অঞ্চল চীল কৰাৰ বাবে, ফেন্সিং দিয়াৰ কাম আগবঢ়াই লৈ যোৱাৰ বাবে আজি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যৌথভাৱে কাম কৰা আমি দেখিবলৈ পাইছো। আমাৰ Border Areaত যিবিলাক illegal smuglling চলি আছে, অসামাজিক কাৰ্য্যকলাপ চলি আছে, সন্ত্ৰাসবাদীৰ অনুপ্ৰবেশ চলি আছে সেইবিলাক বন্ধ কৰাৰ বাবে Border Area Development Departmentৰ অধীনত বিভিন্নধৰণৰ স্কীম লৈ কামবিলাক কৰি থকা আমি দেখিবলৈ পাইছো। এইখন চৰকাৰে Border Area ত ৩৮ টা Border Out Post sanction কৰিছে আৰু ইয়াৰ ভিতৰত ২৪ টা Border Out Post ইতিমধ্যে approval দিছে। গতিকে এই কথাবিলাকে বুজায় যে আজি এইখন চৰকাৰে জনসাধাৰণৰ জীৱন আৰু সম্পত্তি ৰক্ষাৰ কাৰনে, আইন শৃংখলা ৰক্ষাৰ কাৰনে কিমান সচেতন। ইয়াৰ ওপৰিও আজি Border Areaত যিখিনি বাসীন্দা আছে তেওঁলোকৰ উন্নয়নৰ কাৰণে,

সীমান্ত অঞ্চল উন্নয়নৰ কাৰণে আমাৰ ৮ খন সীমান্ত গাওঁ Model Villege হিচাপে আমাৰ চৰকাৰখনে ঘোষণা কৰিছে। অধ্যক্ষ মহোদয়, আজি অসমত কিছু জ্বলন্ত সমস্যা সৃষ্টি হৈছে। আমাৰ নাগৰিকত্ব সংশোধনী বিধেয়ক-২০১৬ক লৈ ৰাজপথত আন্দোলন হৈছে। বিভিন্নধৰণৰ প্ৰতিবাদ হৈছে আমি দেখিবলৈ পাইছো। সেইটো সচাঁকৈয়ে আমাৰ কাৰণে চিন্তনীয় বিষয়। কিন্তু মই ভাবো অসম চৰকাৰে অতি দক্ষতা আৰু দৃঢ়তাৰে এই পৰিস্থিতিটো চম্ভালিব পাৰিব। এনে পৰিস্থিতি চম্ভালিব পৰাকৈ নিশ্চয় চৰকাৰৰ দক্ষতা আৰু ক্ষমতা আছে। আজি যিটো পৰিস্থিতি অসমত সৃষ্টি হৈছে এই সমস্যাটো আজি সৃষ্টি হোৱা সমস্যা বা এই চৰকাৰে সৃষ্টি কৰা সমস্যা নহয়। স্বাধীনতাৰ পিছত আমাৰ ভাৰত যিসকলে চলোৱাৰ দায়িত্ব লাভ কৰিছিলে তেওঁলোকে তেতিয়া অসমৰ স্বাৰ্থ চিন্তা নকৰাৰ ফলতে, অসমৰ সুৰক্ষা, অসমৰ অস্তিত্ব কেনেকৈ ৰক্ষা হ'ব এইবিলাক কথা চিন্তা নকৰাৰ বাবেই, অদুৰ ভবিষ্যতে কি হ'ব পাৰে এইবিলাক কথা চিন্তা নকৰাৰৈ কিছুমান কাম কৰা কাৰনে আজি নতুন প্ৰজন্মই এই নতুন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰ কাৰণে আমি আজি এই চৰকাৰখনক দোষ দিব নোৱাৰো। ইতিমধ্যে আমি আমাৰ দলৰ ফালৰ পৰা এই নাগৰিকত্ব সংশোধনী বিধেয়কৰ ওপৰত নিজৰ স্থিতি স্পষ্টভাৱে ঘোষণা কৰিছো। এই বিধেয়কক লৈ আমি বিশেষ কোনো আপত্তি কৰা নাই। আমাৰ আৰু এটা নতুন সমস্যাৰ সৃষ্টি হৈছে। সেইটো হ'ল ৬ টা জনগোষ্ঠীক ST মৰ্যদা প্ৰদান কৰাৰ কাৰণে যিটো আন্দোলন আজি বহু বছৰধৰি চলি আহিছে , এই সমস্যাটো সমাধান কৰাৰ কাৰণে ইতিমধ্যে ভাৰত চৰকাৰে এটা সমাধান সুত্ৰ উলিয়াইছে। ইয়াৰ বাবে ইতিমধ্যে Parliament ত এটা Bill উত্থাপন কৰিছে। এতিয়া এই বিল উত্থাপনক লৈ আৰু এটা নতুন সমস্যাৰ সৃষ্টি হ'ল। আমাৰ কথাটো হ'ল যে যিকোনো আন্দোলন অসমতে হওক বা য'তেই নহওঁক কিয় সেই সমস্যাৰ সমাধান হ'বই লাগিব। ইয়াৰ কাৰনে ভাৰত চৰকাৰ আৰু অসম চৰকাৰে সমস্যাটো সমাধানৰ বাবে ব্যৱস্থা হাতত ল'ব লাগিব। আমাৰ এই ৬ জনগোষ্ঠীৰ মানুহবিলাকক Tribal মৰ্য্যদাক প্ৰদান কৰিবলৈ লোৱাতো দেখা পাই অসমত বসবাস কৰা existing যি সকল Tribal জনগোষ্ঠী আছে তেখেত সকলৰ মনত এটা আশংকা সোমাইছে। তেওঁলোকৰ মনত এটা ভয় সোমাইছে যে এই সকল অহাৰ পিছত আমাৰ অস্তিত্ব কি হ'ব? আমাৰ অধিকাৰ কি হ'ব? আমাৰ সুৰক্ষা কি হ'ব? আমাৰ অঞ্চল কি হ'ব? নানান ধৰণৰ প্ৰশ্ন এইবিলাকক লৈ আন্দোলন কৰা, প্ৰতিবাদ কৰা আমি দেখিবলৈ পাইছো। গতিকে মই আজি ইয়াত ক'ব খোজো যে যিহেতু এটা সমস্যা হৈছে, যিটো আন্দোলন চলিছে এই আন্দোলন বিলাকৰ সমধানটো কৰিবই লাগিব, সমস্যা সমধান হ'ব লাগিব। ইয়াৰ কাৰণে নিশ্চয় অসম চৰকাৰে, ভাৰত চৰকাৰে যৌথভাৱে এটা প্ৰক্ৰিয়া বা প্ৰচেষ্টা হাতত ল'ব যে নতুনকৈ যি সকলক Tribal ৰ মৰ্য্যদা প্ৰদান কৰিবৰ কাৰণে ভাৰত চৰকাৰে ইতিমধ্যে পদক্ষেপ লৈছে ইয়াৰ দ্বাৰা আমাৰ existing Tribal সকলে যেনেকৈ কৈছে যে আমাৰ অধিকাৰ কোনো প্ৰকাৰে খৰ্ব্ব হ'ব নালাগে। আমাৰ যিবিলাক Political Reservation, Economic Reservation, Academic Reservation সেইবিলাকৰ একো ক্ষতি হ'ব নালাগে। তেনেকুৱা ধৰণৰ এটা দাবী আজি চৰকাৰৰ ও চৰত দাঙি ধৰিছে। এই ধৰণৰ এটা Formula Mechanism উলিয়াই আমি দুটা সম্প্ৰদায়ৰ, দুটা গোষ্ঠীৰ মানুহবিলাকক সন্তুষ্ট কৰিব পৰাকৈ পদক্ষেপ নিশ্চয় উদ্ভাৱন কৰিবৰ কাৰণে চৰকাৰে হাতত ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষ ঃ** Please Conclude.

**শ্ৰী ৰবিৰাম নাৰ্জাৰী ঃ** যি নহওঁক আজি এই হাউচত মই সেইটোকে ক'ব খোজো যে যোৱা ২৮

তাৰিখে আমাৰ ৰাজ্যপাল ডাঙৰীয়াই এই পবিত্ৰ সদনত অসম চৰকাৰৰ হৈ যোৱা দিনবোৰত আমাৰ চৰকাৰ খনে কৰি অহা যি বিলাক কাম-কাজ আৰু অনাগত ২০১৯-২০ ৰ বিত্তীয় বৰ্ষত যিটো কাম কৰিবলৈ আঁচনি বিলাক আমি ল'ম ইয়াৰ আভাস দি যিখিনি খতিয়ান দাঙি ধৰিলে আমাৰ বিধায়িনী দলৰ পৰা পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য মই ইয়াতে সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** চক্ৰধৰ গগৈ। ১০ মিনিটৰ পৰা ১৫ মিনিটৰ ভিতৰত শেষ কৰিবই লাগিব। সময় কম আছে।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮ তাৰিখৰ দিনা আমাৰ সদনৰ মজিয়াত মাননীয় ৰাজ্যপালে দিয়া ভাষণৰ ওপৰত আমাৰ দলে আৰু মিত্ৰজোঁটে আগবঢ়োৱা যি ধন্যবাদ সূচক প্ৰস্তাৱ, এই প্ৰস্তাৱৰ সপক্ষে মই দুটিমান কথা ৰাখিব খুজিছো। অধ্যক্ষ মহোদয়, ভাষণৰ আৰম্ভণিতে ৰাজ্যপাল ডাঙৰীয়াই অসমৰ গণ শিল্পী, সাহিত্যিক, সুৰকাৰ, গীতিকাৰ, চিত্ৰকৰ এগৰাকী মহান শিল্পীক ভাৰত চৰকাৰে প্ৰদান কৰা 'ভাৰত ৰত্ন' এই সন্মানৰ প্ৰসংগত তেখেতে ভূপেন দাৰ গুণানুকীৰ্তন কৰি থকাৰ মুহূৰ্ততে আমাৰ বিৰোধী দলে ধৰণে চিঞৰ-বাখৰ কৰি গোটেই পৰিৱেশটোক এটা ওখল-মাখল ৰূপ দিলে তাৰ কাৰণে মই নৱাগত বিধায়ক হিচাপে অতিকৈ ব্যথিত হৈছো আৰু মোৰ এনেকুৱা অনুমান হ'ল যেন ভূপেন দাক এই গোটেই কথাখিনিৰ যোগেদি যেন তেখেতসকলে অৱমাননা কৰিব খুজিছে, ভূপেন দাই পাব লগা এই সন্মানক যেন তেখেত সকলে যোগ্য বুলি ভৱা নাই, তেনেকুৱা ধৰণৰ মোৰ এটা অনুমান হ'ল। কাৰণ তেখেতসকলে এই প্ৰতিবাদ আমাৰ চৰকাৰৰ গুণানুকীৰ্তন কৰাৰ সময়ত চিঞৰা হ'লে আমি প্ৰাসংগিকতা বিচাৰি পালোহেঁতেন। কিন্তু যিটো সময়ত তেখেতসকলে প্ৰতিবাদ কৰিলে মাত্ৰ ভূপেন দাৰ কথাখিনিৰ পাতনি মেলা হৈছিলহে মাত্ৰ আৰু বহু কথা ক'বই থাকিল ভূপেন দাৰ সন্দৰ্ভত। কিন্তু তেখেতসকলে সেইকণ সুযোগ আমাৰ ৰাজ্যপাল ডাঙৰীয়াক নিদিলে। কেৱল সিমানতে ক্ষান্ত নাথাকিল, কোনো দলৰ জ্যেষ্ঠ কেন্দ্ৰীয় পৰ্য্যায়ৰ নেতাই ভূপেন দাক উপলুঙা সূচক কথা কৈও এজন অসমৰ এজন গায়কক যেন দিছে এনেধৰণৰ কথাও আমি টিভিত কোৱা শুনিলো। ভূপেন দা গায়ক নে, অসমৰ ৰাইজৰ হিয়াৰ আমঠু নে, সংস্কৃতিৰ ভোটা তৰা এই কথাটো অসমৰ ৰাইজে জানে। তাৰপৰা মই ভাৱো তেখেতলোকেও জনা উচিত আছিল। কিন্তু দিল্লীত বহি অসমৰ কথা নজনা, উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতিৰ কথা নজনা, এচাম মানুহে যি ইচ্ছা তাকেই কৈ যায় আৰু আমি তাকেই শুনি থাকিব লগা হয়। গতিকে মই আশা ৰাখিছো এনেধৰণৰ অৱমাননা সূচক কথাবিলাক অন্তত ভূপেন দাৰ ক্ষেত্ৰত কেতিয়াও হ'ব নালাগে আৰু এইটো হোৱাতো আমি সজোৰৰে প্ৰতিবাদ কৰিছো। কাৰণ ভূপেন দা এজন মানুহ যিজন মানুহে বিশ্ব বিখ্যাত সংগীতজ্ঞ প'ল ৰব্চনৰ দৰে তেখেতে ক'ব পাৰিছিল যে "My song is my weapon." অৰ্থাৎ মোৰ গীতেই মোৰ অস্ত্ৰ। যিজন মানুহে সংগীতৰ সুধা ঢালি সমগ্ৰ অসমীয়া জাতিটোক প্ৰাণৱন্ত কৰি তুলিছিল, যিজন মানুহে জাতিটোক জীয়াই থকাৰ এটা বাট মুকলি কৰি দিছিল গীতৰ মাজেৰে আৰু সেইজন মানুহক এনেধৰণে উপলুঙা কৰি কেৱল ভূপেন দাক অৱমাননা কৰা হোৱা নাই, সমগ্ৰ অসমীয়া জাতিটোক অৱমাননা কৰা হৈছে বুলি মই জ্ঞান কৰিছো। গতিকে অধ্যক্ষ মহোদয়, এই সমগ্ৰ আমাৰ যি ৰাজ্যপালৰ যি ভাষণ, এই ভাষণত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু তেখেতৰ সতীৰ্থ সকল ৰাম লক্ষ্মণৰ নেতৃত্বত, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ৰাম বুলি ক'ব খুজিছো আৰু বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক লক্ষ্মণ বুলি ক'ব খুজিছো। এই দুয়োগৰাকী ব্যক্তিৰ নেতৃত্বত আমাৰ মন্ত্ৰী সভাখনে যি ধৰণে ৰাজ্যখনক প্ৰগতিৰ বাটত আগুৱাই নিবলৈ যত্ন কৰিছে আমি পূৰ্বতে মোৰ যোৱা ৪৫ বছৰীয়া জীৱনৰ অভিজ্ঞতাত

মই কাহানিও এনেধৰণৰ উন্নয়ন দেখা নাছিলো। কাৰণ মোৰ নিজৰ সমষ্টিত ১৫ বছৰে এগৰাকী বিধায়ক সেই সময়ৰ শাসকীয় দলৰ পৰা আছিল। তেখেতসকলৰ দিনত আমি দেখিলো যে ১৫ বছৰত মাত্ৰ কেৱল ১৮ টা ৰাস্তা বনাইছে আৰু এইখন চৰকাৰে আঢ়ৈ বছৰৰ দিনত ১২০ টা ৰাস্তা বনাবৰ কাৰণে আমি সক্ষম হৈছো। এয়া কি প্ৰগতি নহয়, এয়া কি পৰিবৰ্ত্তন নহয়? কিন্তু আমাৰ বিৰোধী সকলে এই কথাবিলাক শুনিবলৈ টান পায়। শুনিলে তেওঁলোকৰ বুকুখন কঁপি উঠে। আজি এই মুহূৰ্তত তেখেতলোকে সদনৰ মজিয়াত উপস্থিত থকাটো মই বিচাৰিছো। কিন্তু তেখেতসকলে উপস্থিত নাই। হয়তো এই কথাবিলাক আলোচনা হ'ব, ইয়াৰ প্ৰত্যুত্তৰ আহিব, সেই কাৰণে আমি শুনিব নোৱাৰিম, সহ্য কৰিব নোৱাৰিম সেইকাৰণে তেখেতসকলে এতিয়া বাহিৰত অৱস্থান হয়তো কৰিছে।

**শ্ৰীমতী ৰ'জলীনা তিৰ্কী ঃ** আমি আছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** আমি আছো।

**শ্ৰীনুৰুল হুদা ঃ** আমি আছো।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** যি সকল থাকিব লাগিছিল সেই সকল নাই। নোকোৱা সকল আছে, ধন্যবাদ তাৰ কাৰণে। গতিকে আমি অধ্যক্ষ মহোদয়, এই ৰাম- লক্ষ্মণৰ নেতৃত্বত অসম চৰকাৰে যিটো ধৰণে প্ৰগতি আগুৱাই নিছে ইয়াৰ খতিয়ান দিবলৈহ'লে আজি হয়তো দুটা দিন কৈ থাকিলেও শেষ নহ'ব। কিন্তু আপুনি মোক সময় দিছে মাত্ৰ ১০ মিনিট।

**মাননীয় অধ্যক্ষ ঃ** ১০ মিনিটৰ পৰা ১৫ মিনিট।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** ১৫ মিনিটৰ ভিতৰত মই সামৰিব লাগিব। গতিকে মই আপোনাক আমাৰ বিৰোধী সদস্য সকলক অন্তত এটা কথা অনুধাৱন কৰিবৰ কাৰণে আহ্বান জনাইছো। যে আপোনালোকে নিজে কৰিব নোৱাৰিলে কাৰণে আনে কৰিব পৰা কামখিনি আপোনালোকে শুনিবলৈ বেয়া পাব বা অনুধাৱন কৰিবলৈ বেয়া পাব এনেকুৱা এটা মানসিকতা আপোনালোকৰ হ'ব নালাগে। কাৰণ আপোনালোকে আমাৰ কেন্দ্ৰীয় চৰকাৰে দিয়া, অসম চৰকাৰে দিয়া বহুবোৰ আঁচনি গ্ৰাম্য সমাজত

গাঁৱৰ মানুহৰ মাজত এতিয়াও বিতৰণ কৰিবলৈ লাজ পায়। প্ৰধান মন্ত্ৰীৰ সুৰক্ষা যোজনাৰ কথা আজি আপোনালোকে নকয়। প্ৰধান মন্ত্ৰীৰ জীৱনজ্যোতি বীমা যোজনাৰ কথা আপোনালোকে নকয়। অটল পেঞ্চন যোজনাৰ কথা আপোনালোকে ৰাইজৰ মাজত নকয়। কাৰণ এইবোৰ কথা কলে গাঁৱৰ ৰাইজ উপকৃত হ'ব আৰু গাঁৱৰ ৰাইজ উপকৃত হ'লে গ'ম পাব যে এইবোৰ বিজেপি চৰকাৰে দিয়া আঁচনি, গতিকে বিজেপিক ভোট দি দিব, আমাক নিদিব। এনেকুৱা ধৰণৰ কথা ভাৱি আপোনালোকে আমাক এইবিলাক কামৰ পৰা সদায় বাৰণ কৰি ৰাখে। গতিকে আঁচনি কোনো এখন পাৰ্টীৰ উন্নতিৰ কাৰণে কৰা নাযায়। এটা দল বা এটা জাতি বা এটা ধৰ্মৰ উন্নতিৰ কাৰণে কৰা নাযায় আৰু এনেও আমাৰ দলৰ লক্ষ্য হৈছে সব কা সাথ সব কা বিকাশ। গতিকে এই 'সব কা সাথ সব কা বিকাশ' হিচাপে কৰা কামৰ ইয়াৰ ফল আমি ৰাইজক বিতাৰণ কৰিব লাগিব। আমি কোন দলৰ পৰা আহিছো, কোন দলত আছো, ক'ৰ পৰা বিধায়ক হৈছো মন্ত্ৰী হৈছো এইকথা পাহৰি যাওঁক, কিন্তু ইয়াক আমি ৰাইজৰ মাজত বিতাৰণ কৰাটো অতিকৈ প্ৰয়োজন। আজি আমাৰ অসম চৰকাৰে অসম বাসীৰাইজৰ মাজত যিখিনি আঁচনি দি আছে এই আঁচনিবিলাক ইতিমধ্যে আপোনালোকে পাইছে। আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত সমগ্ৰ অসমত ইখনৰ পিছত সিখনকৈ স্বাস্থ্য সেৱা উন্নিত কৰিবৰ কাৰণে আৰু আমাৰ ডাক্তৰ, নাৰ্চ এইবিলাক সৃষ্টি কৰিবৰ

কাৰণে মেডিকেল কলেজৰ ইতিমধ্যে কেইখনৰো আধাৰশিলা স্থায়ীকৰণৰ কাম চলি আছে আৰু কেইবাখনৰো কাম ইতিমধ্যে প্ৰস্তাৱিত পৰ্য্যায়ত আছে, কম দিনৰ ভিতৰত এইবিলাকো কাম তেখেতসকলে আৰম্ভ কৰিব। ইয়াৰ উপৰিও ইঞ্জিনিয়াৰিং কলেজ স্থাপনৰ কাৰণে ব্যৱস্থা কৰা হৈছে। পলিটেকনিক স্থাপনৰ কাৰণে ব্যৱস্থা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, Polytechnic স্থাপনৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এই বিলাক কথা আপোনালোকে শুনা নাযায়। এই বিলাক কথা আপোনালোকে ৰাইজৰ মাজত নকয়। কাৰণ এই বিলাক বিজেপি চৰকাৰে কৰা কাম, বিজেপি চৰকাৰৰ নেতৃত্বত এই মিত্ৰ জোঁটৰ চৰকাৰে কৰা কাম। সেই কাৰণে আপোনালোকে ৰাইজক ক'বলৈ বেয়া পায়, আজি আমাৰ চৰকাৰৰ দিনত অসমত ইতিমধ্যে ১লাখ ২৭ হাজাৰ টা ঘৰ নিৰ্মাণ কৰিছে PMGSY ৰ অধীনত। PMGSY-G ৰ অধীনত ইতিমধ্যে ১লাখ ২৭ হাজাৰ ঘৰ নিৰ্মাণ কৰি উলিয়াইছে। আপোনালোকৰ ১৫ বছৰীয়া চৰকাৰৰ খতিয়ান চাব, ১লাখ বনাব পাৰিলে নে নাই? এবাৰ চাব এই বিলাক। এতিয়া আপোনালোকৰ সেই বিলাক ঘৰ ভগ্ন প্ৰায় অৱস্থালৈকে গৈছে। আপোনালোকৰ চৰকাৰৰ দিনত কেৱল খুটা কেইটা ঠিয় হৈ আছে। ক ৰবাত বেৰ নাই, কৰবাত চাল নাই, কৰবাত খিৰিকী নাই, কৰবাত দুৱাৰ নাই এই অৱস্থা কৰি আপোনালোকে ৰাখিলে। সেই কাৰণে নমুনা আজি দেখুৱাই দিছো অসমৰ ৰাইজৰ মাজত আমি কিবা কৰিব পাৰো। মানুহে যেতিয়া ইচ্ছা কৰে ইচ্ছা কৰিলে সকলো কাম কৰিব পাৰে সেই কাৰণে আজি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত এইখন চৰকাৰে ৰাইজৰ মাজত প্ৰতিষ্ঠা কৰি দেখুৱাইছে যে "Where there is a will there is a way" এই কথাটো প্ৰতিপন্ন কৰি দেখুৱাইছে। আজি আপোনালোকে গাওঁৰ মাজলৈ যাওঁক এনেকুৱা কিছুমান গাওঁৰ ৰূপ পাইছে হালধীয়া ৰঙৰ সুন্দৰ সুন্দৰ ঘৰ একো একোখন গাওঁত ৫০/৬০ ঘৰ নিৰ্মাণ হৈছে আৰু দীঘল দীঘল তালিকা বনাই থোৱা হৈছে, বছৰ বছৰ ধৰি আমি ঘৰ বনাই গৈ থাকিম। দুখীয়া দৰিদ্ৰ মানুহক আমি ঘৰ প্ৰদান কৰি গৈ থাকিম, যি সকলে নিজে আনিব পৰা নাই তেখেত সকলৰ নিজৰ দুৰ্বলতাৰ কথা। কিন্তু আমি সক্ৰিয়তাৰে কাম কৰিছো, আমাৰ বিধায়ক সকলে কাম কৰিছে আৰু সেই কাৰণে আমি ঘৰ পাইছো, আপোনালোকে সকলো সমষ্টিত যাওঁক সকলোতে দেখা পাব। ইতিমধ্যে আমাৰ চৰকাৰে আৰু এটা মাইলৰ খুটি এইবাৰ আমাৰ চৰকাৰৰ দিনত সাধন কৰা হৈছে সেইটো হৈছে ১লাখ ১০ হাজাৰ বিধৱা মহিলাক ইতিমধ্যে ২০ হাজাৰকৈ পেঞ্চন প্ৰদান কৰা হৈছে। এককালীন সাহায্য প্ৰদান কৰা হৈছে, ৩৩হাজাৰ ৮২৪জন দিব্যাংগ লোকক ইতিমধ্যে পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে। এই কথাবিলাক আপোনালোকে অলপ খবৰ ৰাখিব, তদুপৰি সমগ্ৰ ভাৰতবৰ্ষত যে ৬ কোটিতকৈ অধিক মহিলাক ইতিমধ্যে "উজ্বলা" আঁচনিৰ অধীনত গেছ প্ৰদান কৰা হৈছে। আপোনালোকৰ ১০ বছৰীয়া কেন্দ্ৰীয় চৰকাৰৰ দিনত ৬ লাখ কৰিব পাৰিলে নে নোৱৰিলে তাৰ হিচাপ আপোনালোকে এবাৰ ল'ব। মাননীয় অধ্যক্ষ মহোদয়, ১১.৩০ বজাত যেতিয়া আমাৰ সদন আগবেলা ছুটি হৈছিল মই ঘৰলৈ গৈছো ৰুমত সোমাইছো, সোমাই টি ভি টো খুলিছো, টি ভি টো খুলি মই খবৰ পালো যে আমাৰ সংসদৰ মজিয়াত আজি Strike কৰা হৈছে। এই Strike কোনো বোমা-বাৰুদৰ Strike নহয়, It was a political strike on oppsition. বিৰোধীৰ ওপৰত এটা সাংঘাটিক ধৰণৰ ৰাজনৈতিক Strike কৰা হৈছে। আৰু যিটো Strike গোটেই ৰাজ্যখনতে বিয়পি পৰিছে। আজি বিৰোধী দল মৌন হৈ গৈছে সদনৰ মজিয়াত কিয় হৈছে আপোনালোকৰ বিৰোধী দলৰ নেতা কংগ্ৰেছ দলৰ টি ভি ৰ মুখামুখি হ'ব পৰা নাই। তেখেতক সুধিছিলে বাজেটখনৰ বিষয়ত আপুনি বাজেট সন্দৰ্ভত কি কয়, তেখেতে এটা শব্দ বিনিময় নকৰাকৈ আঁতৰি যাব লগীয়া

হৈছে। শব্দহীন হৈ গৈছে তেওঁলোক আজি কেন্দ্ৰীয় চৰকাৰে এই বাজেটত আপোনালোকে দেখিবলৈ পাব আমাৰ ২ হেক্টৰতকৈ কম মাটি থকা যি সকল খেতিয়ক এই খেতিয়ক বিলাকক আজি কেন্দ্ৰীয় চৰকাৰে বছৰি ৬ হাজাৰ কৈ টকা দিবৰ কাৰণে ঠিক কৰিছো। কেৱল সিমানে নহয়, আমাৰ শ্ৰমিক সকল যি বিলাক গাওঁৰ দৰিদ্ৰ দুখীয়া শ্ৰমিক এই শ্ৰমিক বিলাকক মাহিলী ৩হাজাৰ কৈ পেন্সন দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে এই বাজেটত ইতিমধ্যে ঘোষণা হৈছে। এইখন আঁচনিৰ যোগেদি ১০ কোটিৰো অধিক সমগ্ৰ ভাৰতবৰ্ষৰ শ্ৰমিক উপকৃত হ'ব। এই কথাটো ইতিমধ্যে নিশ্চিত হৈছে। ইয়াৰোপৰি বিগত দিন বিলাকত বিভিন্ন চৰকাৰে আঢ়ৈ লাখ তকৈ বেছি টকা কৰ ৰেহাই ক্ষেত্ৰত ধাৰ্য্য কৰিব পৰা নাছিল। কিন্তু এইখন কেন্দ্ৰীয় চৰকাৰে এই ৰেহাই সীমা ৫ লাখ টকা লৈ বৃদ্ধি কৰি সমগ্ৰ অসম, সমগ্ৰ ভাৰতবৰ্ষ ৰাইজক এটা সাংঘাটিক ধৰণৰ সকাহ প্ৰদান কৰিছে। আমাৰ খেতিয়ক বিলাকৰ KCC ৰ ব্যৱস্থা আছিল। এই Kisan Credit Card ৰ কাৰণে পূৰ্বৰ চৰকাৰৰ দিনত কেৱল খেতিয়ক সকলৰ মাজত সীমাবদ্ধ আছিল, যি সকল ধান বা শাক-পাচলিৰ খেতি কৰে কিন্তু বৰ্তমানৰ চৰকাৰে মৎস্য পালন কৰা, গাহৰি পালন কৰা, গৰু গাই পালন কৰা আৰু হাহ কুকুৰা পালন কৰাৰ ক্ষেত্ৰটো ২লাখ টকা পৰ্য্যন্ত KCC Loan দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে এনেকুৱা এখন জনকল্যাণ কামী চৰকাৰ, যিখন চৰকাৰে শ্ৰমিক কৃষকৰ কথাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে যাৰ বাবে এজন সাধাৰণ চাহৰ বেপাৰীয়ে আজি ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীৰ আসনখন শুৱনি কৰিছে। যিহেতু আমাৰ দেশখনৰ শতকৰা ৮০ ভাগ মানুহেই কৃষক গতিকে এইখন চৰকাৰে কৃষক শ্ৰেণীৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। সেই ধৰণে অসম চৰকাৰে কাম কৰি গৈছে। মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত সমগ্ৰ অসমতে দুৰ্নীতি ভ্ৰষ্টাচাৰ নিৰ্মুল কৰিবৰ কাৰণে যি ধৰণে ব্যৱস্থা লৈছে স্বাধীনত্তোৰ পিছত হয়টো এইটোৱে প্ৰথম। এইখন ৰাজ্যৰ বুৰঞ্জীত কোনো চৰকাৰে এনেকুৱা ধৰণৰ পদক্ষেপ ল'ব পৰা নাছিল, প্ৰথম বাৰৰ কাৰণে এইখন চৰকাৰে ACS/APS ৰ নিচিনা উচ্চস্তৰৰ প্ৰায় ২০ জনতকৈ অধিক বিষয়াক আটক কৰি জেলত নিক্ষেপ কৰিছে। আমাৰ চৰকাৰখনে কেৱল শাসন কৰিবৰ কাৰণে ৰাজনীতি কৰা নাই, অসমখনক এটা নতুন ৰূপ দিয়াৰ কাৰণে আৰু এখন নতুন সমাজ গঢ়াৰ কাৰণে ভাৰতীয় জনতা পাৰ্টীয়ে প্ৰয়াস কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** Please, try to conclude.

**শ্ৰী চক্ৰধৰ গগৈ (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে এনেকুৱা ধৰণৰ অসামাজিক ব্যৱস্থাবোৰ আঁতৰাই এখন সুস্থ সমাজ নিৰ্মাণ কৰিবলৈ হ'লে আগন্তুক দিন বিলাকত আমি সকলো মানুহ বিলাকে শাসক বিৰোধী উভয়ে একত্ৰিত হৈ কাম কৰিব লাগিব, নহলে ভৱিষ্যতৰ দিনত আমি আমাৰ সমাজখনক এটা সঠিক ৰূপ দিব নোৱাৰিম। ইতিমধ্যে কেইবা গৰাকী বক্তাৰ বক্তব্যত আমাৰ নাগৰিকত্ব সংশোধনী বিল ইত্যাদি বিষয় বিলাকত আমি বহুটো বক্তব্য শুনিছো। আমাৰ এজন সতীৰ্থ বিধায়কে কৈ গ'ল যে বাং লাদেশ ইছলামীক ৰাষ্ট্ৰ নহয়। কিন্তু মই তেখেতক কৈছো যে তেখেতে বাংলাদেশৰ ইতিহাস এবাৰ অধ্যয়ন কৰক তেতিয়া বুজি পাব যে বাংলাদেশ কেনেকুৱা ধৰণৰ ৰাষ্ট্ৰ । তাত কোন ধৰ্মৰ মানুহ কিমান আছে, তাত সংখ্যাগুৰু আৰু সংখ্যালঘু মানুহ বিলাকে কেনেকৈ বসবাস কৰি আছে তেওঁলোকৰ ওপৰত কেনেকুৱা ধৰণৰ অত্যাচাৰ হৈছে এই কথা বিলাকৰ হিচাব লোৱাটো উচিত। তেতিয়া তেখেত সকলে বুজি পাব যে President Arshad ৰ দিনতে বাংলাদেশ এখন

মুছলিম ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰি গৈছিল। আৰু আজিৰ তাৰিখত বাংলাদেশত Islam হৈছে ৰাষ্ট্ৰ

ধৰ্ম। এইকথাটো আমি সকলোৱে বুজি পোৱাটো উচিত, মই ভাবো আপোনালোকে নিশ্চয় জানে কিন্তু জনাৰ পিছতো কথাটো Conceal কৰিবৰ কাৰণে এনেকুৱা ধৰণৰ কথা কোৱা হৈছে। আৰু এটা কথা কৈ থকা হৈছে যে ১ কোটি ৯০ লাখ হিন্দু বাংলাদেশী লোক আহিব। কিন্তু আমি সকলোৱে জানো যে এই যিখন নাগৰিকত্ব সংশোধনী বিল ২০১৬ এই বিলখন অধ্যয়ন কৰিলে সকলো মানুহেই বুজি পাব যে তাত কি কথা কোৱা হৈছে। তাত অকল হিন্দু ধৰ্মৰ মানুহৰ কথা কোৱা হোৱা নাই , তাত হিন্দু, শিখ, জৈন, বুদ্ধিষ্ট, পাৰ্চী, খৃষ্টীয়ান ইত্যাদি কৰি ছয়টা ধৰ্মৰ মানুহৰ কথা কোৱা হৈছে। যিবিলাক মানুহ তাত অত্যাচাৰৰ বলি হৈছে, যিবিলাক মানুহক নিগৃহীত কৰা হৈছে, যাৰ সম্পত্তি লুট-পাট কৰি কাঢ়ি লোৱা হৈছে, যাৰ ঘৰৰ ছোৱালীজনী গাভৰু হোৱাৰ পিচত আনৰ ঘৰত গোটাই দিব পৰা নাই, মাতব্বৰৰ স্বীকাৰ হ'বলগীয়া হৈছে, তেনেকুৱা অৱস্থাত ঘুৰি অহা মানুহবিলাকক ভাৰতবৰ্ষত স্থান দিয়াৰ কথা কোৱা হৈছে আৰু নতুনকৈ মাতি আনি দিয়াৰ কথা কোৱা নাই, ২০১৪ চনৰ ডিচেম্বৰৰ শেষ তাৰিখ হিচাপে ঘোষণা কৰি এই নাগৰিকত্ব সংশোধনী বিলখনত ইতিমধ্যে উল্লেখ কৰিছে। গতিকে ইমানখিনি আমি জনাৰ পিছতো নজনাৰ ভাও ধৰি এটা কথাকে ঘুৰাই ঘুৰাই অসমৰ সামগ্ৰিক পৰিৱেশটো অস্থিৰ কৰিবৰ কাৰণে এচাম শক্তিয়ে যিটো ধৰণে ক'বলৈ আৰম্ভ কৰিছে আমি নিজেই আচৰিত হৈ গৈছো। মই কালি হোৱাটচ এপত এটা ভিডিও পালো, আমাৰ অসমৰ এজন তথাকথিত জাতিয়তাবাদী নেতা, তেখেতে ঘোষণা কৰিছে যে আমি ৰয়েল ফেমিলিৰ মানুহ, ১২২৮ খৃষ্টাব্দত আমাৰ পূৰ্বপুৰুষ সকল আহিছিল আৰু তাৰ আগতে হেনো অসমখন মুছলমান ৰাজ্য আছিল। ইয়াত মুছলমান সকলে বাস কৰিছিল। ইতিহাসত ক'ত লিখা আছে যে অসমখন মুছলমান ৰাজ্য আছিল। গতিকে অসমৰ ইতিহাস আমি অধ্যয়ন কৰিছোনে নাই ! গতিকে এই সকল মানুহে ৰাজপথত জোঁৰ-জুমুঠি লৈ ঘুৰি ফুৰাতকৈ অসমৰ ইতিহাস অধ্যয়ন কৰক। অসম বুৰঞ্জী অধ্যয়ণ কৰক, ভাৰত বুৰঞ্জী অধ্যয়ন কৰক। তেখেত সকলৰ পূৰ্বপুৰুষ সকলে লিখি গৈছে My discovery of India. Discovery of India পঢ়িলে বুজি পাব এই ভাৰত বৰ্ষৰ, অসমৰ চুকে-কোনে ক'ত কি আছিল। কেৱল ৰাজনৈতিক পৰিৱেশ অস্থিৰ কৰিবৰ কাৰণে, ৰাইজৰ কাৰণে কাম কৰা চৰকাৰখনক দুৰ্বল কৰিবৰ কাৰণে এনেধৰণৰ ব্যৱস্থা কৰা হৈছে বুলি আমি বুজি উঠিছো ৰাইজ। গাওঁৰ মানুহেও বুজি উঠিছে বাবেই যোৱা পঞ্চায়ত নিৰ্বাচনত বিপুল ভোটত ভাৰতীয় জনতা পাৰ্টিক জয়যুক্ত কৰাইছে লগতে কাউন্সিলৰ যিবিলাক নিৰ্বাচন হৈ গৈছে তাতো ভাৰতীয় জনতা পাৰ্টিক বিপুল ভোটত জয়ী কৰাই ইতিমধ্যে ৰাইজে প্ৰমাণ কৰিছে যে ৰাইজ ভাৰতীয় জনতা পাৰ্টিৰ লগত আছে। কাৰণ ভাৰতীয় জনতা পাৰ্টি ৰাইজৰ উন্নতিৰ বাবে কাম কৰিছে, কেৱল শাসনৰ সোৱাদ ল'বৰ কাৰণে ৰাজনীতি কৰা নাই। এই কথাটো আমি আগতেও কৈছো, আজিও কৈছো আৰু ভৱিষ্যতেও কম। অধ্যক্ষ মহোদয়, এনে ধৰণৰ যি এটা সামগ্ৰিক পৰিৱেশ অসমত সৃষ্টি কৰিবলৈ যত্ন কৰা হৈছে, এই কথাবিলাকে আমাক সাংঘাতিক ধৰণে ব্যথিত কৰে। পৰহি আমাৰ সদনৰ মজিয়াত আমাৰ বিধায়ক, প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে যে ষষ্ঠ অনুসূচী যদি কাৰ্যকৰীকৰণ কৰিব পৰা যায়, তেখেতে হেনো আমাৰ শাসকীয় মানুহখিনিক গামোচা পিন্ধাব। মই আগতেই কৈছো যে যেতিয়া আমি কিবা এটা কাম কৰিব বিচাৰো সেইটো কৰিব পাৰো। নৰেন্দ্ৰ মোদী ডাঙৰীয়া এনেকুৱা এজন ফাৰ্ম ডিটাৰমিনেচন থকা মানুহ, যি গৰাকী মানুহে কাম কৰিম বুলি কয়, কৰি দেখুৱাই। বগীবিল দলঙৰ কেৱল ত্ৰিশটা খুটা থৈ গৈছিল তেওঁলোকে, তাৰ ওপৰত সমগ্ৰ কাম কৰি চাৰিটা বছৰৰ ভিতৰত বগীবিল দলঙ ৰাইজৰ মাজত উদঘাটন কৰিলে। শদিয়া- ধলাৰ দলং আমাৰ চৰকাৰৰ দিনত উদঘাটন কৰা হৈছে।

এইবোৰ কথা বিৰোধীয়ে পাহৰি যাব নালাগে। ষষ্ঠ অনুসূচী আমাৰ চৰকাৰে কাৰ্যকৰীকৰণ কৰিব গৈ আছে । এই  ষষ্ঠ অনুসূচীক সাংবিধানিক ৰূপ দিয়াটোৱে হৈছে আমাৰ অসমীয়া জাতিৰ ৰক্ষা কৱচ। এই ৰক্ষা কৱচ আমি যেতিয়াই পাম তেতিয়া আৰু কোনোদিন, কাহানিও অসমীয়া মানুহক কোনেও ইয়াৰ পৰা আঁতৰাবও নোৱাৰে, খেদিবও নোৱাৰে আৰু আমাৰ ভাষা শক্তিটো কোনেও লুপ্ত কৰিব নোৱাৰে। গতিকে এই কথাখিনি আপোনালোকে বুজিব। ইয়াৰ উপৰিও আমাৰ ছয় জনগোষ্ঠীক জনজাতি কৰণৰ কথা কোৱা হৈছে। আমাৰ বড়ো ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে, তেখেতে শংকা প্ৰকাশ কৰিছে যে পূৰ্বৰ যিবিলাক ট্ৰাইবেল লোক আছিল তেওঁলোকৰ কিবা ক্ষয়-ক্ষতি হব পাৰে নেকি ? ইতিমধ্যে এটা গ্ৰুপ আমাৰ চৰকাৰে ঠিক কৰি দিছে এই গোটেই কথাখিনি আলোচনা-বিলোচনা কৰাৰ বাবে। ছয় জনগোষ্ঠীক যেতিয়া জনজাতিকৰণ কৰা হ'ব এই অসমৰ প্ৰত্যেকজন অসমীয়াই ভূমিৰ অধিকাৰ পাব, জাতিৰ অধিকাৰ পাব, সংস্কৃতিৰ অধিকাৰ পাব আৰু সকলো আমাৰ সুৰক্ষিত হৈ থাকিব। গতিকে আগন্তুক দিনবিলাকত আমি নিশ্চিতভাৱে কেন্দ্ৰীয় চৰকাৰৰ পৰা, অসম চৰকাৰৰ পৰা অসমীয়া মানুহৰ কাৰণে ,অসমীয়া ৰাইজৰ উন্নতিৰ কাৰণে আমি ভাল খবৰ শুনিবলৈ পাম এই গভীৰ প্ৰত্যাক্ষাৰে মাননীয় অধ্যক্ষ মহোদয় চাণক্যৰ এটা কথা উল্লেখ কৰি মই মোৰ বক্তব্য সামৰিম। চাণক্যই এটা কথা কৈছিল যে আমি কেন্দ্ৰত যিটো দেখিবলৈ পাই আছো, ষ্টেটটো সেইটো দেখিবলৈ পাই আছো। ষ্টেটতটো এতিয়া আমাক বিষ খুৱাবৰ কাৰণে সাপ-নেউল সকলো এক হৈ গৈছে। কেন্দ্ৰটো ঠিক তেনেদৰে সাপ,নেউল,বাঘ,ঘোৰা সকলো একেলগ হৈ গৈছে। (বিৰোধীয়ে সাপ-নেউলৰ কথাটোত অবজেকচন আছে বুলি কয়) । দল-মত নিৰ্বিশেষে সকলোবোৰ ৰাজনৈতিক দল একত্ৰিত হোৱাৰ ক্ষেত্ৰত এতিয়া চাণক্যৰ সেই কথাটো মনত পৰিছে । চাণক্যই কৈছিল, 'যৱ ধাৰা বিপদ এক হো যায়ে, তব চমঝো দেশ কা ৰাজা ইমানদাৰ হেয়'। আমি এতিয়া নিজে নিজেই বুজি উঠিছো যে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ইমানদাৰ লোক হয় এইটো প্ৰেকটিকেলি প্ৰমাণিত হৈছে আৰু আমাৰ যি ৰাম-লক্ষ্মণ, এই ৰাম- লক্ষ্মণৰ নেতৃত্বত থকা আমাৰ অসম চৰকাৰও এখন ইমানদাৰ চৰকাৰ। ধন্যবাদ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া অজন্তা নেওঁগ ।

**শ্ৰীমতী অজন্তা নেওঁগ, বিধায়িকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণ প্ৰসংগত শাসক দলে যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰি দুআষাৰ কব বিচাৰিছো। ৰাজ্যপাল ডাঙৰীয়াই ৬০ পৃষ্ঠা জোৰা ভাষণ আগবঢ়াইছে। ৰাজ্যপাল ডাঙৰীয়া হৈছে আমাৰ সংবিধানৰ মূৰব্বী। মই কিন্তু তেখেতৰ ভাষণৰ ওপৰত ধন্যবাদ জ্ঞাপন কৰিব নোৱাৰিলো। ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধৰ কথা দোহাৰিছে। কিন্তু অধ্যক্ষ মহোদয়, এইবিলাক আজি ভাল লগা কথাত পৰিণত হৈছে। আজি আমাৰ ৰাজ্যখনত সঁচা অৰ্থত ভাতৃত্ববোধ আছে নেকি ? আজি আমাৰ জন-গণে ৰাজ্যখনত ভাতৃত্ববোধৰ কথা উপলব্ধি কৰিছেনে ? গোটেই ৰাজ্যখনত আজি আমি কোনে কাক কিমান মানসিক নিৰ্যাতন দিব পাৰো তাৰে অঘোষিত প্ৰতিযোগিতা চলিছে। আজি জাতিটোৰ এই সন্ধিক্ষণত আমি অভাব অনুভৱ কৰিছো সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা ডাঙৰীয়াক। আজি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা ডাঙৰীয়া জীৱিত থকা হ'লে তেখেতে কিজানি চিঞৰি চিঞৰি গালেহেঁতেন "ৰাইজ আজি ভাৰৰীয়া দেশেই নাটঘৰ, কোনে কি ভাওঁ লবা আহা সময় যে তাকৰ"। আজি ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত যথেষ্টখিনি কথা কৈছে। এই মিত্ৰজোঁটৰ চৰকাৰখনে প্ৰথমখন বিধান সভাত আমাক প্ৰতিশ্ৰুতি দিছিল যে আমাৰ  চৰকাৰখনৰ প্ৰধান আৰু প্ৰথম কৰ্তব্য হ'ব অসম চুক্তি ৰূপায়ণ কৰা। সেই

কথাখিনি আমি নিশ্চয় পাহৰা নাই। মোৰ হাতত ৰাজ্যপালৰ তিনিখন ভাষণ আছে। এখন ভাষণত তেখেতসকলে কৈছিল যে অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰাটো প্ৰধান অগ্ৰাধিকাৰৰ বিষয়। আমি এই ক্ষেত্ৰত সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। এই চুক্তি সম্পাদিত হোৱাৰ সংগ্ৰামৰ দিশত অসমৰ ৰাইজে আগবঢ়োৱা বহুতো বৰঙণি মোৰ চৰকাৰে সন্মান সহকাৰে সোঁৱৰিছো। ২০১৬ চনৰ ১০ ডিচেম্বৰত এক শ্ৰদ্ধাঞ্জলী অনুষ্ঠানত অগণন ৰাইজৰ উপস্থিতিত মোৰ চৰকাৰে অসম আন্দোলনৰ শ্বহীদ সকলক গভীৰ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে আৰু তেওঁলোকৰ পৰিয়াল বৰ্গক এটা স্মাৰক আৰু প্ৰত্যেকলৈ ৫ লাখ টকাকৈ বিত্তীয় সাহায্য আগবঢ়ায়। অধ্যক্ষ মহোদয়, আজি কালৰো কাল বিষম কাল। এতিয়া কি হৈছে যে জাতিধ্বংসী চৰকাৰক ঘুৰাই দিলে শ্বহীদ স্মাৰক। তেখেতসকলে নিজ মুখে কৈছে যে আমাক যি পাঁচ লাখ টকা দিছে, সেইটো আমি সামাজিক কাম-কাজৰ কাৰণে ব্যৱহাৰ কৰিছো আৰু সেইখিনি আমি ঘুৰাই দিম। অধ্যক্ষ মহোদয়, আজি পৰিস্থিতি কি হৈছে চাওঁক। আজি প্ৰত্যেকখন বাতৰি কাকততে ওলাইছে। আজি উপলব্ধি কৰক, আপোনালোকে যিবোৰ কথা কৈছে আমাৰ ৰাজ্যত আজি গণতন্ত্ৰ নাইকিয়া হৈছে। আজি নাগৰিকত্ব সংশোধনী বিধেয়কখনৰ বিৰোধিতা কৰি অসমৰ ৰাইজ আজি ৰাজপথ পাইছে। আজি অসমৰ ৰাইজ ৰাজপথলৈ ওলাই আহিছে, য'ত আজি গণতন্ত্ৰ নাই। যিয়েই এই বিধেয়কখনৰ বিৰোধিতা কৰিছে, তেখেতসকলক মানসিকভাৱে নিৰ্যাতিত কৰা হৈছে। আজি বিপক্ষে ক'লে তেওঁলোকক ৰাষ্ট্ৰদ্ৰোহী আখ্যা দিয়া হৈছে। আজি এইখন ৰাজ্যত অসম চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে, অসম চুক্তি আমি আখৰে আখৰে ৰক্ষা কৰিম। ইয়াৰ পিছত এইবাৰো আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই কৈছে যে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম সম্পূৰ্ণ হ'লে ই অসমক বিদেশীৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত শক্তিশালী ৰক্ষা কবচ হিচাপে কাম কৰিব। এতিয়া অধ্যক্ষ মহোদয়, প্ৰশ্ন আহিছে যে অসম চুক্তি আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া এই দুয়োটা অৰ্থহীন। অসম চুক্তি আজি যাক আখৰে আখৰে পালন কৰা হোৱা বুলি কৈছিল, নাগৰিকত্ব সংশোধনী বিধেয়কখন যদি আইনত পৰিণত হয়, তেতিয়াহ'লে অসম চুক্তিৰ কিবা অৰ্থ থাকিব নেকি? আজি আপোনালোকে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কথা কৈছে আৰু শক্তিশালী ৰক্ষা কবচ হ'ব বুলি কৈছে। আজি এই বিধেয়কখন যদি আইনত পৰিণত হয়, তেতিয়াহ'লে এন আৰ চি ৰ কিবা মূল্য থাকিব নেকি? আজি আপোনালোকে সদনৰ মজিয়াত কৈছে, লোকসভাৰ মজিয়াতো কৈছে আমি শুনিছো। বাৰম্বাৰ দোহাৰিছে অসম চুক্তিক আখৰে আখৰে পালন কৰিব, নাগৰিকপঞ্জী আপোনালোকে উন্নীতকৰণ কৰিব, কিন্তু সচাঁঅৰ্থত এই বিধেয়কখন যদি আইনত পৰিণত হয়, অসম চুক্তি আৰু এন আৰ চি দুয়োটাই অৰ্থহীন দলিলত পৰিণত হ'ব।

আজি অসম চুক্তি প্ৰনয়ণ হোৱাৰ ৩৪ বছৰ হৈ গ'ল, এন আৰ চি প্ৰস্তুতিকৰণৰ ৮ বছৰ হৈ গ'ল আৰু এতিয়া শেষ পৰ্য্যায়ত উপণীত হৈছে। এতিয়া হঠাৎ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ পূৰ্ণ সহযোগিতাত আপোনালোকে আজি প্ৰথম পদক্ষেপ হিচাবে লোকসভাত আপোনালোকে এই আইনখন গ্ৰহণ কৰিছে। ইয়াৰ কাৰণ কি? আজি সকলোতকৈ ডাঙৰ কথা হ'ল যে এন আৰ চি আৰু অসম চুক্তিক টো নসাৎ কৰিবই আৰু ইয়াৰ অন্তৰালত যিটো কথা আছে সেই কথা কিন্তু এতিয়া জলজল পট পটকৈ ওলাই পৰিছে। ইয়াক আৰু লুকাই ৰাখিব নোৱাৰে। আজি যিখন Citizen Ammendment Bill, ইয়াত আপোনালোকে কৈছে যে "Sikhs, Hindus, Buddhists, Jains, Parsis, Christians, Afghanistan, Bangladesh and Pakistan who have been exempted by the Central Government by or under clause 'c'

of sub-section (2) of section 3 of the Passport (Entry into India) Act, 1920 or from the application of the provisions of the Foreigners Act, 1946 or any order made thereunder, shall not be treated as illegal migrants for the purposes of that Act". এইটো আপোনালোকে দেখাবৰ কাৰণে এই বিধেয়ক খন আনিছে। কিন্তু ইয়াৰ অন্তৰালত যিখিনি কথা আছে সেইটো হৈছে যে এন আৰ চি প্ৰস্তুতিকৰণৰ ক্াম চলি আছে। ইয়াত প্ৰায় ৪০ লাখ লোকৰ ভিতৰত অবৈধ লোক আছে। তেওঁলোকে তেওঁলোকৰ নাম ভৰ্ত্তিকৰণৰ বাবে যিখিনি দিবলগীয়া কাগজ-পত্ৰ সেইখিনি দিব পৰা নাই। আপোনালোকে আশংকা কৰিছে যে প্ৰায় ২৮ লাখ হিন্দু অবৈধ বিদেশী লোক কাগজ-পত্ৰ নোহোৱাকৈ তেওঁলোকে ইয়াত নাগৰিক হ'ব নোৱাৰিব আৰু সেইখিনি কেই নাগৰিকত্ব দিবৰ কাৰণে আপোনালোকে উঠিপৰি লাগিছে আৰু লগতে এটা ভোট বেংক সৃষ্টি কৰিবৰ কাৰণে উঠিপৰি লাগিছে। এই কথাখিনি কিন্তু আজি অসমৰ মানুহে নুবুজাকে থকা নাই। আজি সকলোতকৈ ডাঙৰ কথাটো হৈছে ধৰ্মৰ নামত বিদেশীক ভাগ ভাগ কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াতকৈ আৰু ডাঙৰ দুখৰ কথা হ'ব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এটা সময়ত অসম চুক্তিৰ লগত জড়িত হৈ আছিল আৰু অসম চুক্তিত বিদেশীক ধৰ্মৰ নামত বিতাৰণ কৰাৰ কথা লিখা নাছিল যে অসম চুক্তিৰ base year কি আছিল ? এইটো আছিল ১৯৭১ চনৰ ২৪ মাৰ্চ। ইয়াৰ আগত যিসকল আহিছে তেওঁলোক স্বদেশী আৰু তাৰপিছত যিসকল আহিব তেওঁলোক বিদেশী। এতিয়া সকলোতেকৈ ডাঙৰ কথা যে এইখন ৰাজ্যত এতিয়া ধৰ্মৰ নামত বিদেশীক ভাগ ভাগ কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। মোৰ মনত আৰু এটা প্ৰশ্ন জাগিছে অধ্যক্ষ মহোদয়, আজি আমাৰ সংবিধানৰ যিটো আত্মা সেই আত্মাক আঘাট কৰা নাইনে ? যে ভাৰতবৰ্ষৰ সংবিধানৰ নামত শপত বাক্য পাঠ কৰি আজি আপোনলোকে চৰকাৰ গঠন কৰিছে আৰু আমি সকলোৰে আজি মন্ত্ৰী-বিধায়ক হৈছোহি। ভাৰতবৰ্ষৰ সংবিধানখন আমাৰ কাৰণে হ'ল বাইবেল, গীতা, কোৰাণ আৰু এই বাইবেল, গীতা, কোৰাণৰ শপত বাক্য পাঠ কৰিয়েই আপোনালোক সেই সংবিধানৰ আত্মাক আঘাট কৰা নাইনে ? ভাৰতবৰ্ষৰ সংবিধানৰ Preamble ত লিখা আছে " WE, THE PEOPLE OF INDIA, having solemnly resolved to constitute India into a SECULAR DEMOCRATIC REPUBLIC and to secure to all its citizens........." ইয়াত SECULAR শব্দটো পিছত অনা হৈছিল। S. R. Bommai case vs Union of India কেশৱানন্দ ভাৰতী কেচ ইয়াত স্পষ্ট ভাৱে সেই সময়ৰ সাংবিধানিক বিচাৰ বিদে তেওঁলোকৰ ৰায়দান দি থৈ গৈছে যে "Secularism is a part of the basic structure" ইয়াত স্পষ্ট ভাৱে কোৱা হৈছে। আজি প্ৰশ্ন উঠিছে যে আজি সংবিধানৰ আত্মাক আঘাট কৰিছে। আজি অসমত যিসকল অসমীয়া বসবাস কৰি আছো আমি এখন ধৰ্ম নিৰপেক্ষ সমাজত বসবাস কৰি আছো। আজি মই হিন্দু, মই কিন্তু অসমীয়া হিন্দু। আজি মোৰ গুৰু হৈছে শ্ৰীমন্ত শংকৰ দেৱ। ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ চাৰিশ বছৰ আগত গুৰুজনাই জাত-পাত নাইকিয়া কৰি এখন ধৰ্মনিৰপেক্ষ সমাজ গঠন কৰি গৈছিল আৰু সেই গুৰুজনাৰ মৃত্যুৰ এশ বছৰ পিছত আমাৰ ৰাজ্যখনলৈ আজান ফকিৰ আহিছিল আৰু তেখেতে জিকিৰ লিখি থৈ গৈছিল। আজান ফকিৰে কৈছিল " কোৰাণে পুৰাণে একেকেই কৈছে, জানিবা জ্ঞানৰ লোপ"। শংকৰ দেৱে সংবিধান ৰচনা কৰাৰ আগতেই ধৰ্ম নিৰপেক্ষতা সম্পৰ্কে কি কৈছিল আপোনালোক শুনক। গুৰুজনাই কৈছিল যে,

"পৰৰ ধৰ্মক নিহিংসিবা কদাচিত

কৰিবা ভুতক দয়া সকৰুণ চিত্ত
হুইবা শান্ত চিত্ত
সৰ্ব ধৰ্মত বৎসল
এহি ভাগৱত ধৰ্ম
জানা মহাবল"

তেওঁ মহাবল ৰজাক কৈ গৈছিল যে শান্ত চিত্তৰে কাম কৰিব লাগে। আজি আমাৰ বিধান সভাত অধ্যক্ষ মহোদয়, আমি এটা অনাকাংক্ষিত পৰিস্থিতিৰ সাক্ষী হৈ ৰলো। য'ত আজি ধৰ্মৰ নামত ভাগ ভাগ কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াতকৈ আৰু দুখৰ কথা থাকিব পাৰে বুলি আমি নাভাৱো। আজি আমাৰ দেশত ধৰ্মৰ নামত সমাজখনক ভাগ ভাগ কৰিবলৈ চেষ্টা কৰা হৈছে। আজি আপোনালোকে জানে....................

(সদনত হুলস্থুল)

অধ্যক্ষ মহোদয়, গতিকে মই এই কাৰণে কৈছো যে আজি আমাৰ ৰাজ্যখনত আপোনালোকে দেখিছে যে কি পৰিবেশৰ সৃষ্টি হৈছে। সেই পৰিবেশ আজি আমি নাইকিয়া কৰিব লাগিব। কিছুদিন আগতে আমাৰ ৰাজ্যখনত এক অসহিষ্ণু পৰিবেশৰ সৃষ্টি হোৱাটো আপোনালোকে দেখিছে। গতিকে আমি সহিষ্ণুতাৰে আগবাঢ়ি যাব লাগিব আৰু ৰাজ্যখনক আগবঢ়াই নিব লাগিব। আজি নাগৰিকত্ব সংশোধনী বিধেয়ক খনক মইও বিৰোধিতা কৰিছো। প্ৰথমৰ পৰাই মই ইয়াৰ বিৰোধিতা কৰি আহিছো আৰু ভৱিষ্যতেও কৰি যাম আৰু কিয় কৰি যাম এই কথা খিনি আমি স্পষ্টভাৱে কৈছো। আজি হীৰেণ গোহাঁইৰ নিচিনা ব্যক্তিসকলে নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰোধিতা কৰিছে। কিন্তু আজি দুখ লাগে তেখেতৰ নিচিনা এজন স্বনামধন্য ব্যক্তিক ৰাষ্ট্ৰদোহী, অপৰাধী বুলি এই চৰকাৰখনে কেচ দিছে। ইয়াতকৈ দুৰ কথা আৰু থাকিব পাৰে বুলি মই নাভাৱো। আজি সংসদৰ মজিয়াত আমাৰ এজন মাননীয় সংসদ বিশ্বজিত দৈমাৰী ডাঙৰীয়াই কৈছে যে, আজি যদি ভাৰত চৰকাৰে আমাৰ কথা নুশুনে আমি ওলাই যাম। এই কাৰণেই কৈছে যে দৈমাৰী ডাঙৰীয়াৰ অন্তৰত স্বদেশ প্ৰেম আছে। মাতৃভূমিক তেখেতে শ্ৰদ্ধা কৰে। সেইকাৰণে তেখেতে এই কথাখিনি ক'ব পাৰিছে। মই দৈমাৰী ডাঙৰীয়াক, হীৰেন গোহাঁই ডাঙৰীয়াক শ্ৰদ্ধা কৰো কাৰণ তেওঁলোকৰ অন্তৰত স্বদেশ প্ৰেম আছে। .....

(সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোক, আমি এটা সময়ত সেই একেখন মঞ্চৰ পৰাই আহিছো। আজি ইয়াত সেইসময়ৰ অসম চুক্তিৰ লগত জড়িত মন্ত্ৰী, বিধায়ক সকল ইয়াত বহি আছে। সেইকাৰণেই কৈছো যে অসমৰ গৰিষ্ঠ সংখ্যক যি লোক সকল আছে, নিৰপেক্ষ ভাৱে কোনো ৰাজনৈতিক দলৰ লগত জড়িত নহয়. তেওঁলোকে আন্তৰিকতাৰে বিচাৰিছে যে এই নাগৰিকত্ব সংশোধনী বিধেয়কখন বাতিল হ'ব লাগে। অসম গণ পৰিষদ দল এটা সময়ত আপোনালোকৰ লগত মিত্ৰ দল হিচাপে আছিল। তেওঁলোকৰ সদস্যই কৈছে, আজি আপোনালোকৰ সকলো সদস্যই কৈছে যে আপোনালোকে এইক্ষেত্ৰত আপোনালোকৰ ভূমিকা গ্ৰহণ কৰক। আপোনালোকে ইতিহাসৰ পৰা শিক্ষা ল'বলৈ চেষ্টা কৰক। এটা সময়ত জাতি-মাটি-ভেটিৰ শ্লোগান দি আপোনালোকে শাসনত বহিছে। পৰৱৰ্ত্তী সময়ত এই জাতি-মাটি-ভেটিৰ শ্লোগান পাহৰি গৈছে। আজিকালি আপোনালোকে নতুন শ্লোগান গ্ৰহণ কৰিছে- হিন্দু জাতি-হিন্দু মাটি- হিন্দু ভেটি। এতিয়া আমাৰ অসমত আপোনালোকৰ কাৰণে শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমন্ত মাধৱদেৱ আৰু আজান ফকিৰৰ দৰে মহাপুৰুষৰ

কোনো স্থান নাই। মই ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ অন্য এটা অংশলৈ আহিছো। মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অসমৰ যিবোৰ জ্বলন্ত সমস্যা আছে, ইয়াত অন্তর্ভুক্ত হোৱা নাই। ৰাজ্যপালৰ ভাষণত অসম চৰকাৰৰ যিবোৰ নীতি, সেই নীতিয়ে ৰাজ্যৰ জ্বলন্ত সমস্যাসমূহ কেনেধৰণে দূৰ কৰিব তাত কোনোধৰণৰ স্পষ্ট নির্দ্দেশনা নাই। আজি আপোনালোকে দেখিছে ৰাজ্যপালৰ ভাষণত চৰকাৰৰ বিভিন্ন কাম-কাজৰ কথা কৈছে। কিন্তু সেই ভাষণত চৰকাৰখনে ৰাজ্যখনক কেনেদৰে সঠিক দিশত আগবঢ়াই নিব তাৰ সঠিক দিশ নির্ণয় কৰা নাই। মই আজি এটা আমাৰ ৰাজ্যৰ ডাঙৰ সমস্যাৰ কথা উনুকীয়াব বিচাৰিছো। আজি বাতৰি কাকতত এটা ডাঙৰ কথা উল্লেখ কৰা হৈছে। সেইটো হৈছে, নিবনুৱা সমস্যা। চক্ৰধৰ গগৈ ডাঙৰীয়াই বহুখিনি চৰকাৰখনৰ কথা ক'লে। এতিয়া আমিও ক'ব লাগিব যে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই নির্বাচনৰ আগত প্ৰতিশ্ৰুতি দিছিল যে প্ৰত্যেক বছৰতে ২ কোটি নিবনুৱা সমস্যাৰ সমাধান কৰিব। কিন্তু এইটো এতিয়া পাহৰি গ'লে নহ'ব। বর্তমান কোৱা হৈছে যে বিমুদ্ৰা কৰণৰ যি ভুল নীতি তাৰ ফলত ৪৫ বছৰৰ ভিতৰত নিবনুৱাৰ হাৰ সর্বাধিক বৃদ্ধি হৈছে। আজি আমি আমাৰ ৰাজ্যখনৰ ক্ষেত্ৰতো দেখিছো যে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰৰ কোনো সঠিক নীতি নাই। সেই নীতিৰ অভাৱত যোৱা কেইবছৰে আমাৰ নিবনুৱা সকলে যিধৰণে আগবাঢ়িব লাগিছিল, সেইধৰণে আগবাঢ়িব পৰা নাই। বর্তমান সদনত মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আছে। তেখেতক মই উনুকীয়াই দিছো যে যোৱা সদনত তেখেতে আমাক ৫০০ খনকৈ Form দিছিল, 'স্বয়ং' নামৰ আঁচনিৰ অধীনত। কিন্তু আমি দেখিলো যে সেই আঁচনিবিলাকৰ কোনোধৰণৰ কার্য্যকৰী হোৱা নাই। মোৰ সমষ্টিৰ কথা মই ক'ব পাৰিম। কিন্তু মই ৰাজ্যখনৰ কথা মই ক'ব নোৱাৰিম। মই এইটো কথাই ক'ব পাৰিম যে আপুনি দিয়া Form বিলাক বেঙ্কৰ পৰা লৈ বেঙ্কত জমা দিয়া বুলি ক'লে। কিন্তু সেই আঁচনিখন যেনেধৰণে আগবাঢ়িব লাগিছিল, তাৰ পৰা সুবিধা পাব লাগিছিল, বেঙ্কৰ পৰা লোণ লৈ তেনেধৰণে আঁচনিখন কার্য্যকৰী হোৱা দেখা নাই। গতিকে এই ক্ষেত্ৰত চৰকাৰ খনক দৃষ্টি দিবলৈ অনুৰোধ জনাইছো। মই বিৰোধী দলৰ বিধায়িকা। আজি এই কথাখিনি কোৱা মোৰ দায়িত্ব। আপোনালোক শাসক দলে এই কথা নাভাৱিব যে আপোনালোকৰ সংখ্যাগৰিষ্ঠতা বেছি, আপোনালোকে গাৰ জোৰেৰে , কথাৰে সকলো কাম কৰি দিব পাৰিব। কিন্তু মোৰ দায়িত্ব হৈছে যে ৰাজ্যখনৰ যিসমূহ জ্বলন্ত সমস্যা সর্বসাধাৰণ লোকে ভুগি আছে, সেইসমূহ সঁচা কথা আপোনালোকৰ আগত কোৱা। এইটো সংসদীয় গণতন্ত্ৰ হয়। আমি যদি বিৰোধী দলৰ সদস্য সকলে সঁচা কথাখিনি সদনৰ মজিয়াত নকওঁ, আপোনালোকে সদায় ভাল কথাবোৰে কৈ থাকিব। সেইকাৰণে মই কৈছো যে আপোনালোকে অতীতৰ পৰা শিক্ষা ল'বলৈ চেষ্টা কৰক। মই এই সদনত বিৰোধী দলৰ সদস্যা হিচাপে যি দায়িত্ব সেইখিনি মই সদায় পালন কৰি আহিছো। এইটো কথা নহয় যে আমি বিৰোধী দলৰ সদস্য কাৰণে যিকোনো কথা সমালোচনা কৰিব লাগে কাৰণে কৰিছো। আমাৰ যিখিনি জনসাধাৰণ আছে, তেওঁলোকে তেওঁলোকৰ জ্বলন্ত সমস্যাবোৰ এই সদনৰ মজিয়াত আহি ক'ব নোৱাৰে আৰু তেওঁলোকৰ কথাবোৰ বিৰোধী দলৰ সদস্য সকলে কোৱাটো দায়িত্ব। সেয়েহে মোৰ দায়িত্ববোধেৰে এই কথাখিনি কৈছো যে অসমৰ যি নিবনুৱা সমস্যাটোৰ ক্ষেত্ৰত চৰকাৰে এটা ইতিবাচক দৃষ্টিভঙ্গী গ্ৰহণ কৰিব লাগে। শেষত মই এইটো কথাই ক'ব বিচাৰিছো যে ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ আগবঢ়াইছে আমি দেখিছো যে সেই ভাষণত অসমৰ জ্বলন্ত সমস্যাসমূহ প্ৰকৃতার্থত প্ৰতিফলন হোৱা নাই। যিবোৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে, ঘোষণা কৰিছে সেইবোৰ প্ৰকৃতার্থত বাস্তৱত কি পর্য্যায়ত আছে, সেইবোৰ নিৰীক্ষণ কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। মই

সেইকাৰণে ৰাজ্যপালৰ যিখিনি ভাষণ, যি ধন্যবাদ সূচক প্ৰস্তাৱক মই ধন্যবাদ দিব নোৱাৰিলো। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য সকলৰ যদি কিবা objection আছে, মোলৈ লিখি দিয়ক। মই নিজে আঁতৰাই দিম। আজি এইটো ৰাজ্যপালৰ ভাষণৰ ওপৰত debate. সেয়েহে সকলোৱে মনযোগেৰে কথাখিনি শুনিলে ভাল হয়। মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া খুব কম সময়ৰ ভিতৰত আপুনি কওঁক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, বিধায়ক (নাওঁবৈচা) ঃ** মামনীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদ সূচক যিটো প্ৰস্তাৱ চৰকাৰী পক্ষই আনিছে, মই আমাৰ দলৰ পৰা তাৰ বিৰোধীতা কৰিছো। চৰকাৰী পক্ষ ৰ ফালৰ পৰা এটা কথা কোৱা হৈছে যে শ্ৰদ্ধেয় প্ৰয়াত ভূপেন হাজৰিকা ডাঙৰীয়াৰ নাম উচ্চাৰণ কৰোতেই সদনত বিৰোধীয়ে হুলস্থূল কৰিছে। কথাটো ছাৰ, এনেকুৱা নহয়। ৰাজ্যপাল মহোদয়ে যেতিয়া কৈছিল যে The days since the last budget session have been quite momentous for our state : We are greatful for all the blessings of peace, harmony, এই লাইনটোলৈ যাওঁতেই অগপ দলৰ মাননীয় সভাপতি অতুল বৰা ডাঙৰীয়াই বাধা দিছিল যে নহয়, বৰ্তমান অসমত শান্তি, শৃঙ্খলা, Citizenship Ammendment Bill ৰ ব্যাঘাত জন্মিছে। তেতিয়া হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল। কিন্তু সদনত এটা wrong concept হৈ আছে যে প্ৰয়াত ভূপেন হাজৰিকাদেৱৰ নামটো কোৱাৰ লগে লগে সদনত হলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছে। নহয়, ভূপেন হাজৰিকা অসমৰ সম্পদ, অসমৰ Asset. গতিকে এইটো ছাৰ, wrong signal যাব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ গঠনৰ পূৰ্বে যিখন ইস্তাহাৰ প্ৰকাশ কৰিছিল, তেখেতসকলে ইস্তাহাৰ বুলি নকৈ Assam Vision Document বুলি কৈছিল। এই ইস্তাহাৰ খন ৰাজ্যপাল মহোদয়ৰ ভাষণত reflect হোৱা দৰকাৰ। আগৰ দুখনমান ভাষণত আমি দেখিছো কিছু পৰিমাণে reflect হৈছিল। কিন্তু এইবাৰ অলপ slip হৈছে। অসম চুক্তিৰ কথা আমাৰ অজন্তা নেওঁগ বাইদেউ ডাঙৰীয়ানীয়ে কৈ গৈছে। ইয়াত কোৱা হৈছিল যে অসম চুক্তি আখৰে আখৰে পালন কৰা হ'ব। আগৰ ৰাজ্যপালৰ ভাষণত উল্লেখ আছিল। এইবাৰ অলপ slip হৈছে। এইবাৰ শব্দটো নাই। চৰকাৰখনে চৰকাৰ গঠনৰ আগত জাতি-মাটি আৰু ভেঁটিৰ কথা কৈছিল আৰু চৰকাৰ গঠনৰ পিছত প্ৰদূষণমুক্ত, সন্ত্ৰাসমুক্ত, দূৰ্নীতিমুক্ত আৰু বিদেশীমুক্ত এই ৪টা শ্লোগানৰ কথা কৈছিল। তিনিওটা আৰু পিছৰ চাৰিটা, এই সাতটা শ্লোগান শুনিবলৈ ভাল। কিন্তু বৰ্তমান আমি যদি চাওঁ প্ৰদূষণমুক্ত, সন্ত্ৰাসমুক্ত, দূৰ্নীতিমুক্ত এই তিনিটাত চৰকাৰ ব্যৰ্থ হৈছে। যিহেতু সময় কম, মই ৰেকৰ্ড লৈ আহিছো, show কৰিলোহেঁতেন। জাতি আৰু ভেটীৰ কথা কৈ ১৪৯ খন তৈলক্ষেত্ৰ চৰকাৰখনে বাহিৰৰ কোম্পেনীক গতাই দিছে। আগৰ যিখন কংগ্ৰেছ চৰকাৰ আছিল, সেই কংগ্ৰেছ চৰকাৰখনে অসমৰ মাটি বাংলাদেশক গতাই দিয়াৰ সিদ্ধান্ত লৈছিল। তেতিয়া আজিৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী তেতিয়া বিজেপি দলৰ সভাপতি আছিল। তেতিয়া অসমত বহুত আন্দোলন হৈছিল। কিন্তু এই চৰকাৰখন অহাৰ পিছত মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ঢাকাত গৈ অসমৰ মাটি বাংলাদেশক গতাই দিলে। অৰ্থাৎ সলনি হৈ গ'ল। মাটি আৰু ভেঁটিৰ লগত তেওঁলোকে এইটো কৰিলে আৰু বিদেশীমুক্তিৰ কথা যিটো ক'লে, ইয়াত মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত ৮ নম্বৰ পৃষ্ঠাত কাঁটা তাঁৰৰ বেৰৰ সম্পৰ্কে কৈছে। আঢ়ৈ বছৰৰ পৰা আমি এই কথাটো শুনি আহিছো। ৪.৩৫ কিলোমিটাৰ কাঁটা তাঁৰৰ বেৰ দিবলৈ এতিয়াও বাকী আছে কৰিমগঞ্জত। কেইবাজন বিধায়ক আৰু মইয়ো এই প্ৰশ্নটো

আনিছিলো। মই ক'লে ছাৰ, বেলেগ colour ত যাব। গতিকে বিজেপি বিধায়কসকলে কি প্ৰশ্ন আনিছিল আৰু চৰকাৰে তাৰ উত্তৰ কি দিছিল মই সেইটো ক'ব বিচাৰিছো।

বিজেপিৰ বিধায়ক সকলে কি প্ৰশ্ন আনিছিল আৰু চৰকাৰে তাৰ উত্তৰত কি কৈছিল সেই কথাখিনি ক'ব বিচাৰিছো। বিজেপিৰ মাননীয় সদস্য বিমল বড়া ডাঙৰীয়াৰ ১২-০২-২০১৮ তাৰিখৰ তৰাচিহ্নিত প্ৰশ্ন নং ৭৪, তেতিয়া চৰকাৰ পক্ষৰ অগপৰ বিধায়ক ক্ৰমে ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ তৰাচিহ্নিত প্ৰশ্ন নং ৭৩ , পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ ১৯-০২-২০১৮ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ২৮৯- এই তিনিওটা প্ৰশ্নই কাটা তাঁৰৰ বেৰৰ সম্পৰ্কত আছিল। আঢ়ৈ বছৰৰ পৰা চৰকাৰখনে কৈ আছে যে ৪.৩৫ কিঃমিঃৰ বেৰ দিবলৈ চৰকাৰে বাংলাদেশ চৰকাৰৰ লগত আলোচনা কৰি আছে আৰু এতিয়াও আলোচনা প্ৰক্ৰিয়াতে আছে একো আগ বঢ়া নাই। আধা কিঃমিঃ বাদ দিয়ক ০.৩৫ কিঃমিঃৰ কাটা তাঁৰৰ বেৰেই চৰকাৰে দিব পৰা নাই। তাৰ পিছত, বিদেশীমুক্ত অসমৰ সম্পৰ্কত আৰু এটা কথা যদি কয় যে কিমান বিদেশী চৰকাৰখনে বহিষ্কাৰ কৰিলে, সেই সম্পৰ্কে মোৰ হাতত ১৯৮৫ চনৰ পৰা ২০১৮ চনলৈকে তথ্য আছে যে কোন চনত কিমানজন বিদেশীক অসমৰ পৰা বহিষ্কাৰ কৰা হৈছে। বেলেগ তথ্যৰ কথা নকওঁ, এই চৰকাৰখন যিহেতু ২০১৬ চনত আহিছে, আজিৰ মাননীয় মন্ত্ৰী আৰু তেতিয়াৰ মাননীয় বিধায়ক শ্ৰী তপন কুমাৰ গগৈ ডাঙৰীয়াই তৰাচিহ্নিত প্ৰশ্ন নং ১৭৪ ৰ অধীনত এটা প্ৰশ্ন আনিছিল যাৰ উত্তৰত চৰকাৰে কৈছিল যে ২০১৬ চনৰ অক্টোৱৰ মাহলৈকে মাত্ৰ ১৩ জন বিদেশী বহিষ্কাৰ কৰিবলৈ সমৰ্থ হৈছিল আৰু আজিৰ তাৰিখত অসম বাতৰি কাকতত এটা বাতৰি ওলাইছে যে ২০১৭ চনত মাত্ৰ ১৭ জন আৰু ২০১৮ চনত মাত্ৰ ৫৩ জন বিদেশী চৰকাৰখনে বহিষ্কাৰ কৰিবলৈ সক্ষম হৈছে। এইটো এটা ৰেকৰ্ড । গতিকে চৰকাৰে অসমখন ক'ত বিদেশীমুক্ত কৰিব পাৰিলে ? যদি বিদেশী আছেই তেন্তে কেনেকৈ বিদেশীমুক্ত কৰিব পাৰিলে? জাতি-মাটি-ভেটিৰ শ্ল'গান দিয়েই অসমত বিজেপিৰ চৰকাৰখন আহিছে। এই সম্পৰ্কত অলপ আগতে শ্ৰীমতী অজন্তা নেওগ বাইদেউৱে কৈ গৈছে আৰু সিদিনা মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই সংবিধান দোহাৰিpreamble ত কি লিখা আছে কৈছে, অসম চৰকাৰত বিজ্ঞ আইনবিদ আছে, আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াও যথেষ্ট অভিজ্ঞ আইনবিদ, তেখেতেও জানে preamble ত কি লিখা আছে। গতিকে চৰকাৰে যি Citizenship Amendment Bill আনিবলৈ লৈছে এইটো সংবিধান আৰু অসম চুক্তি বিৰোধী । তেখেত সকলে অসম চুক্তিৰ ৬ নং দফাৰ কথা কৈ আছে কিন্তু ৬ নং দফাৰ আগৰ ৫ নং দফাত স্পষ্টভাৱে উল্লেখ আছে যে ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশাৰ পিছত যি সকল মানুহ আহিছে, either Hindu or Muslim, সকলো মানুহ detect হৈ depart হ'ব লাগিব। কিন্তু তেখেত সকলে অসম চুক্তিৰ ৫ নং দফা ভংগ কৰি Citizenship Amendment Bill আনি আছে আৰু মানুহক কৈ আছে যে আমি চুক্তিৰ ৬ নং দফা implement কৰিবলৈ গৈ আছো। য'ত ৫ নং দফা নাথাকিব তাত ৬ নং দফা implementৰ কি প্ৰয়োজন আছে? যদি implement হ'বই লাগে তেন্তে দুটা দফাই implement হ'ব লাগে। এতিয়া আমি যদি চাওঁ, আমাৰ ৰাজ্যপালৰ ভাষণত আমাৰ দল আৰু অগপই দুটা amendment আনিছো, কিন্তু অসমৰ largest opposition party য়ে amendment দিয়া নাই। বিধান সভাত amendment নানিলেও তেওঁলোকে এই সম্পৰ্কত ক'ব পাৰে তাত কোনো আইনী বাধা নাই। কিন্তু, ইয়াৰ দ্বাৰা মোৰ সন্দেহ হয় যে, চৰকাৰ পক্ষ আৰু largest opposition party ৰ মাজত কিবা বুজা-বুজি আছে নেকি? কাৰণ Citizenship Amendment Bill ৰ ক্ষেত্ৰত দেখা যায় যে, ঠিক

যেনেকৈ অসমৰ মাটি বাংলাদেশক গতাই দিয়াৰ সিদ্ধান্ত পূৰ্বৰ চৰকাৰখনে লৈছিল, সেইটো এইখন চৰকাৰে কাৰ্যকৰী কৰিছে। এই চৰকাৰ খনৰ আগতেও কিন্তু Citizenship Amendment Bill ৰ সিদ্ধান্ত পূৰ্বৰ চৰকাৰে লৈছিল। অধ্যক্ষ মহোদয়, মই খুব চমুকৈ কেইটামান তথ্য দাঙি ধৰিব বিচাৰিছো। কেন্দ্ৰৰ বিজেপি চৰকাৰে ২০১৬ চনৰ ১৫ জুলাইত Citizenship Amendment Bill আনিছিল। এই সম্পৰ্কত মই details ত নাযাওঁ কাৰণ সকলোৱে জানে তাত কি আছে। এই প্ৰক্ৰিয়াটো ২০১১ চনৰ পৰাই আৰম্ভ হৈছিল আৰু আজি ৮ বছৰ পুৰণি বেমাৰ এতিয়া ওলাইছে। মই কোনো বিতৰ্কত যাব বিচৰা নাই, মাত্ৰ facts and figure খিনি সদনৰ মজিয়াত দাঙি ধৰিব বিচাৰিছো। মোৰ হাতত এটা তথ্য আছে, 2nd June, 2015 ৰ The Economic Timesত প্ৰকাশিত বাতৰিটোত লিখা আছিল যে, At an executive meeting of Assam Pradesh Congress Committee (APCC) held recently, APCC President Anjan Dutta said, 'We will take up the unresolved issue of the citizenship for the Bengali Hindus, Buddhists, Christians and people of other minority communities who came to Assam after being subjected to inhuman torture post the partition of India'. ঠিক একেই resolution বিজেপিয়ে লৈছিল আৰু সেইটো মই দেখুৱাই আছো। মাজুলীত যেতিয়া বিজেপিৰ ৰাজ্যিক অধিবেশন হৈছিল তাত resolution টো ডাঃ ৰণোজ পেগু ডাঙৰীয়াই move কৰিছিল। আমি যেতিয়া স্কুলত পঢ়িছিলো তেতিয়াৰ পৰাই ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ লগত আমাৰ খুব আন্তৰিক সম্পৰ্ক আছিল। তেখেতৰ political history চাই মই আচৰিত হওঁ যে তেখেতে এনেকুৱা resolution কেনেকৈ move কৰিব পাৰে। ইয়াত মই মাত্ৰ দুই শাৰী পঢ়ি দিম, বেলেগলৈ নাযাওঁ-The BJP resolution said the citizenship amendment bill was introduced to solve the citizenship problem created by the division of the country at the time of independence and is currently under consideration of a Joint Parliamentary Committee. এই resolution টোৰ সম্পৰ্কত 12-10-2018 ৰ The Telegraph কাকতত এটা বাতৰি ওলাইছিল যে, The political resolution was read out by the BJP legislator from Dhemaji, Dr. Ranoj Pegu, Raliway Minister Shri Rajen Gohain, Lok Sabha MP, Shri Ramen Deka and Smti Bijaya Chakraborty, Forest Minister, Shri Parimal Suklabadya and former MLA Smti Sushila Hazarika also spoke in support of this resolution. তাৰ মানে কংগ্ৰেছে ২০১১ চনত যিটো resolution লৈছিল সেইটোৱেই বিজেপি চৰকাৰে ২০১৮ চনত ল'লে। এই সম্পৰ্কত সংসদত যেতিয়া যুটীয়া সংসদীয় সমিতিক দিয়া হৈছিল তেতিয়া অসমৰ পৰা শ্ৰী ৰমেন ডেকা, শ্ৰী ভূৱনেশ্বৰ কলিতা, শ্ৰীমতী সুস্মিতা দেৱকে আদি কৰি ৰাজ্যসভা আৰু লোকসভা উভয়ৰে কেইবাগৰাকী সাংসদক এই সমিতিখনত membership দিয়া হৈছিল। কিন্তু, মোৰ ভাৱিলে দুখ লাগে যে অসমৰ কোনো এগৰাকী সাংসদে ইয়াৰ বিৰোধিতা কৰা নাই। আকৌ ভাৱিলে আচৰিত লাগে আৰু ধন্যবাদো দিব লাগে যে একমাত্ৰ Biju Janata Party ৰ MP, Shri Bhartruhari Mehtab and CPM ৰ MP, Md. Selim এওঁলোক দুজনে স্পষ্টভাৱে কৈছিল যে, "It is clear cut violation of Assam Accord."

Md. Selim এ badly oppose কৰিছিল। Biju Janata Party ৰ MP, Shri Bhartruhari Mehtab এ কৈছিল যে, "Assam is a fragile state and needs atmosphere. It is important that nothing should be done to unsettled the peace, tranquility and brotherhood in the State. At present, the preparation of NRC is under way in the State under the direction and supervision of the Supreme Court while the exercise is still on. The inclusion of Bangladesh in this Bill will only confront the already detailed delicate state affairs in the State. It would, therefore, be more important that the NRC exercise is first allowed to be completed and then the issue of refugee from Bangladesh is addressed." আনহাতে অসমৰ MP শ্ৰী ৰমেন ডেকাই কোনো ধৰণৰ amendment দিয়া নাই কাৰণ তেওঁলোকে মুকলিকৈ কৈ আছে যে Citizenship Amendment Bill আনিবই। শ্ৰী ভুবনেশ্বৰ কলিতাই কৈছে যে, "Therefore, we feel that a cut off year should be finalized." শ্ৰীমতী সুস্মিতা দেৱে কৈছে যে, "Through the deliberation of the Bill, I have consistantly maintained that I am in favour of awarding unconditional and guaranteed citizenship to those who have got a historical claim to it." তাৰ মানে অধ্যক্ষ মহদোয়, সুস্মিতা দেৱেও ইয়াক মুকলি ভাৱে সমৰ্থন কৰিছে। অসমৰ মানুহখিনিক লৈ কেনে ধৰণে ৰাজনীতি কৰি থকা হৈছে তাৰ এটা সাংঘাতিক তথ্য মই দিব বিচাৰিছো। Citizenship Amendment Bill খন অনাৰ আগতে হিন্দু-বাংলাদেশীসকলক নাগৰিকত্ব দিব লাগে বুলি তৰুণ গগৈ ডাঙৰীয়াই ২০ এপ্ৰিল, ২০১২ ত এখন memorandum দিছিলে। সকলো একেই। কংগ্ৰেছে যি কৰিছিলে, বি জে পি ও একেখিনি কামেই কৰিছে। আগতে কংগ্ৰেছ চৰকাৰে যিটো সিদ্ধান্ত লৈছিলে বি জে পি চৰকাৰে সেইটো কাৰ্য্যকৰী কৰিছে। কংগ্ৰেছে কেবিনেট সিদ্ধান্ত লৈছিলে ২২-০৭-২০১৪ চনত। মোৰ হাতত record আছে। তাৰ পিছত অসম চৰকাৰে এখন official চিঠি দিছিলে কেন্দ্ৰীয় চৰকাৰক। চিঠিখন আছিলে From Shri M.P. Sharma, ACS, Joint Secretary to the Government of Assam, Home & Political Department to Shri Ajay Kumar Tanujia, Deputy Secretary to the Government of India, Ministry of Home Affairs. এই চিঠিখনত স্পষ্টভাৱে উল্লেখ আছে -"granting of asylum/citizenship to those persons who have helped to flee Bangladesh in fact of religious prosecution or discrimination."

তৰুণ গগৈ ডাঙৰীয়াই দিয়া memorandum খনতো স্পষ্টভাৱে লিখা আছে- "Those persons who were Indian citizen at the time of partition and were subsequently compelled to leave their homes and hearts in the new country due to persecution attrocities and insecurity of life and property, deserve humanity and consideration under the existing system and laws. Such persons are liable to face prosecution expulsion and deportation Citizenship Amendment Bill অসম চুক্তিৰ সম্পূৰ্ণ বিৰোধী।

আমি AIUDF দলো এই বিলখনৰ তীব্ৰ বিৰোধী। কংগ্ৰেছ আৰু বি জে পি দুয়োটা দলতে ভোটৰ ৰাজনীতি চলি আছে। আমি ভোটৰ ৰাজনীতিত নাই। আমি অসমৰ মানুহ আৰু অসমৰ মানুহ আমাৰ।

অধ্যক্ষ মহোদয়, জিন্না সম্পৰ্কত অসমৰ এগৰাকী মাননীয় মন্ত্ৰীয়ে কৈছে যে অসমৰ কেইবাটাও সমষ্টি জিন্নাই লৈ যাব। কোন এই জিন্না? আমাৰ মনত আঘাত লাগিছে। বি জে পি ৰ পূৰ্ব্বৰ দলটো আছিলে ভাৰতীয় জনসংঘ। ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক আছিলে ড০ শ্যাম প্ৰসাদ মুখাৰ্জী। যিজন মানুহে লাহোৰ declare কৰিছিলে সেইজন হৈছে A.K Fazrul Haque.তেওঁ আছিলে মুছলিম লীগৰ এজন ডাঙৰ লিডাৰ। তেখেতৰ আণ্ডাৰতে ড০ শ্যাম প্ৰসাদ মুখাৰ্জী বিত্ত মন্ত্ৰী আছিলে। জিন্নাৰ সম্পৰ্কত ২০০৫ চনত L.K Adwani য়ে পাকিস্তানত গৈ তেখেতৰ গুনগান লিখি থৈ আহিছে। গতিকে আমি জিন্নাৰ বংশধৰ নহয়। অসম ধৰ্মৰ আধাৰত গঢ়া ৰাজ্য নহয়, অসম ভাষাভিত্তিক ৰাজ্য। ইয়াত হিন্দু মুছলিম সকলোৰে সমান অধিকাৰ আছে।

মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যোৱা ২৮ জানুৱাৰী, ২০১৯ তাৰিখে যিটো ভাষণ দিছে তাত অসমৰ বাস্তৱ ছবি প্ৰতিফলিত হোৱা নাই। সেইকাৰণে আমি তেখেতক কোনো পধ্যেই ধন্যবাদ দিব নোৱাৰো। এইখিনিকে কৈ মই মোৰ বক্তব্য শেষ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী।

**শ্ৰী আব্দুল খালেক (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মামুন ইমদাদুল হক চৌধুৰীয়ে আপত্তিজনক
কথা কৈছে যে আমি Amendment দিয়া নাই। সেইটো nexus ৰ কথা কৈছে। এই বিধানসভাত সেই সময়ত পাটোৱাৰী ডাঙৰীয়া বিৰোধী দলপতি আছিলে। Amendment নিদিয়াৰ পৰম্পৰাও আছিলে। দ্বিতীয় কথাটো হৈছে যে আমি কেতিয়াও কোৱা নাই যে নাগৰিকত্ব দিব লাগে। তৰুণ গগৈ ডাঙৰীয়াই যিটো কথা কৈছিলে সেইটো হৈছে persecution ৰ বলি হোৱা যিখিনি লোক আছে তেওঁলোকক shelter দিয়াৰ কথা কোৱা হৈছে। ধৰ্মৰ ভিত্তিত নাগৰিকত্ব দিয়াৰ আমি বিৰোধী।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী (দেৰগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮ জানুৱাৰী তাৰিখে অসমৰ মাননীয় ৰাজ্যপাল দেৱে দিয়া ভাষণৰ যিটো ধন্যবাদসূচক প্ৰস্তাৱ সেইটো আমি মানি লব নোৱাৰো। তাত আমি দুটা সংশোধনী আনিছো। প্ৰথমতে ঘগ্ৰাপাৰৰ ঘটনা সন্দৰ্ভত আমি দলীয়ভাৱে সেইটো ন্যায়িক তদন্ত বিচাৰিছো। দ্বিতীয়তে NRC প্ৰস্তুত হৈ থকা সময়ত নাগৰিকত্ব সংশোধনী বিধেয়ক খন লোকসভাত ইতিমধ্যে পাচ হৈছে। কেইবাজনো বক্তাই ইতিমধ্যে ইয়াৰ ওপৰত বক্তব্য দিছে। চমুকৈ মই অলপ ক'ব বিচাৰিছো।

নাগৰিকত্ব সংশোধনী বিধেয়কখন লোকসভাত পাচ কৰি অসমত থকা যিখিনি শান্তি সম্প্ৰীতি আছে সেইখিনি নাশ কৰাৰ প্ৰয়াস কৰিছে। ব্ৰিটিছৰ শাসন থকাৰ সময়ত অসমত তেতিয়াই এটা চক্ৰান্ত হৈছিল। অসমীয়া ভাষাক নস্যাৎ কৰি বাংলা ভাষা ব্যৱহাৰ কৰিছিল ১৮৩৬ চনত। যাৰফলত অসমীয়া ভাষাক আকৌ প্ৰতিষ্ঠা কৰিবৰ কাৰণে সাহিত্য কাণ্ডাৰী সকলে যুঁজ কৰিবলগীয়া হৈছিল য'ত ব্ৰিটিছৰ মাইলছ্ ব্ৰনচনেও সহায় কৰিছিল। সেই চক্ৰান্ত আকৌ অহা যেন আমাৰ সন্দেহ হয়। তাৰ পিছৰ পৰ্য্যায়ত ১৯৬২ চনত আকৌ সেই ভাষা আন্দোলন আৰম্ভ হয় য'ত কেইবাজনো অসমীয়া শ্বহীদ হ'ল। বৰ্তমানৰ চৰকাৰখনে নাগৰিকত্ব সংশোধনী বিধেয়কখন

লোকসভাত পাচ কৰাৰ পিছত ৰাজ্যসভাতো পাচ কৰাৰ বাবে যি আগভাগ লৈছে ইয়াৰ দ্বাৰা অসমৰ ভাষা সংস্কৃতি বিপন্ন হ'ব। বিদেশীৰ ক্ষেত্ৰত কোনো ধৰ্ম ভিত্তি হ'ব নালাগে।

এটা কথা স্পষ্টভাৱে আছে। লোকসভাত ২০১৬ চনৰ ১১ মে'ত উত্থাপন কৰিছিল Revised petrolling সীমা সম্পৰ্কত। ঠিক তেনেদৰে ২২ জুলাই ২০১৫ চনত ৰাজ্যসভাত এই প্ৰস্তাৱটো উত্থাপন কৰিছিল যে - "A revised procedure has been adopted in case of Bangladeshi immigrants in 2009 and then amended in 2011. This involves sending the illegal Bangladeshi immigrants back who are intercepted at the border while entering India illegally." ঠিক তেনেদৰে ্আকৌ long term Visa দিয়া সম্পৰ্কতো লোকসভাত আলোচনা হৈছিল। এইখিনি Document মোৰ লগত আছে। প্ৰয়োজন হলে আপোনালোকক দিম। এতিয়া প্ৰশ্নটো হ'ল অসমত বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীয়ে বাস কৰে। বৰ্তমান অসমত সকলোতে আমি অসমীয়া ভাষাটো ব্যৱহাৰ কৰি আহিছো কিন্তু এই Citizenship Amendment Bill ৰ জৰিয়তে অসমীয়া ভাষাটো বা অসমীয়া সংস্কৃতিটো ভৱিষ্যতে লোপ পোৱাৰ সম্ভাৱনা আমি দেখিছো। বিদেশী সম্পৰ্কে ইতিমধ্যে লোকসভা আৰু ৰাজ্যসভা তথা অসম চুক্তিত স্পষ্টভাৱে এই কথাটো উল্লেখ আছে। অসম চুক্তিৰ ৫ নং দফাৰ এটা বাক্য মই গাই দিব বিচাৰিছো - "Foreigners who came to Assam, on or after March 25, 1971, shall continued to be detected, deleted and practical steps shall be taken to expell such foreigners.

অসম চুক্তিখন ইতিমধ্যেই সংসদত rectify কৰা হৈছে। আৰু সেই সম্পৰ্কত ভাৰতীয় সংবিধানত ইতিমধ্যে কেইবাজনো বক্তাই কৈছে, ভাৰতীয় সংবিধানে ধৰ্ম নিৰপেক্ষ মানে secularism মানি লৈছে। Pleamble ত সেই কথাখিনি আছে। থকাৰ পিছতো কিয় এই কথাখিনি কৈছে মই বুজি পোৱা নাই। আমি এই সম্পৰ্কত, এটা কথা উল্লেখ কৰিব বিচাৰিছো, সিদিনা এখন কিতাপত পঢ়িছিলো, মই নামটো নকওঁ অধ্যক্ষ মহোদয়, তামিলনাডুত চৰকাৰীভাৱে প্ৰায় ৫ লাখ হিন্দু লোক শৰনাৰ্থী হিচাপে আছে। এই বিলখনত সেই কথাখিনিও যদি থাকিলহেতেন, শ্ৰীলংকা শব্দটো যদি থাকিলহেতেন, জৈন, শিখ, পাৰ্টী, সেইখিনিও ইয়াত নাই। গতিকে এই ক্ষেত্ৰত মই এটা অনুধাৱন কৰিছো আমাৰ মামুন ইমদাদুল হ'ক চৌধুৰী ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে, দুয়ো পাৰ্টীৰ। কাৰণ এই বিলখনত ২০১১ চনত আনিছিল। য'ত নেকি বীৰেন বৈশ্য সাংসদ আৰু দীপক কুমাৰ দাসে ৰাজ্যসভাত বিলখন ফালি বন্ধ কৰিব লগা হৈছিল। আৰু সেই একেখন বিলকে পুনৰ আকৌ বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে আনিছে। যাৰ ফলত এতিয়া এই বিলখন অসমৰ মানুহৰ ওপৰত এক ভীষণ গোৰ মাৰিব বুলি কব লাগিব। ভীষণ সংকটৰো সন্মুখীন হ'ব। সেই কাৰণেই মই এই বিষয়ত এটা ক'ব বিচাৰিছো, যে Citizenship Amendment Bill আমাৰ দলৰ ফালৰ পৰা মিত্ৰতা কৰোতেই এই সম্পৰ্কত আমাৰ গোটেই বক্তব্যখিনি দিয়া হৈছিল। আৰু যাৰ কাৰণেই নেকি আমি মিত্ৰপক্ষৰ পৰা আঁতৰি আহিব লগা হ'ল। চৰকাৰৰ পৰা আমি আতৰি আহিছো। এই Citizenship Amendment Bill খন বৰ্তমানেও সময় আছে। মই আমাৰ শাসক পক্ষক এটা অনুৰোধ জনাব বিচাৰিছো ৰাজ্যসভাত বিলখন পাচ নহলে বা যদি নকৰে তেতিয়াহ'লে অসম বাচিব। মই আশা কৰিছো, মাননীয় মুখ্যমন্ত্ৰীকে ধৰি মাননীয় শাসক পক্ষক মই এটা অনুৰোধ জনাইছো, এই বিলখন পাচ নকৰাকৈ যাতে ৰাখে। অসমীয়া ভাষা আৰু সংস্কৃতি

যাতে সংৰক্ষিত হয়, আমি মুক্তভাৱে ইয়াত যাতে বৰ্তি থাকিব পাৰো, তাৰ এটা ব্যৱস্থা কৰিবৰ কাৰণে আমি অনুৰোধ জনাইছো। বিশেষ ভাবে, এই Citizenship Amendment Bill আমি কোনো কাৰণতে আমাৰ দলে মানি নলয়, আৰু সেই কাৰণেই আজি মাননীয় ৰাজ্যপালে শান্তি সম্প্ৰীতি অটুত আছে বুলি কোৱা কথা খিনিত আমি দ্বিমত প্ৰকাশ কৰিছো। আৰু সেই দিনাখন ৰাজ্যপালৰ ভাষণ প্ৰসংগত মই পুনৰ দোহাৰিছো। ড০ভূপেন হাজৰিকাক ভাৰত ৰত্ন দিয়াত আমি আদৰণী জনাইছো। কিন্তু লগতে এই কথাখিনিও জনাই দিছো, ২০১১ চনত তেখেতৰ মহাপ্ৰয়াণ ঘটাৰ পাছতেই সমগ্ৰ অসমে দাবী তুলিছিল, ভাৰতৰত্ন দিব লাগে। কিন্তু দুৰ্ভাগ্য, সেই ভাৰতৰত্ন দিবৰ কাৰণে ৭-৮ বছৰ লাগিল। অসমৰ ৰাইজৰ দাবী, অসমে কোনোদিন একে আশাৰে বস্তু পোৱা নাই। দাবী কৰিলেহে পায়, আন্দোলন কৰিলেহে পায়। গতিকে আমি তেখেতক ভাৰতৰত্ন দিয়াত আদৰণি জনাইছো। কিন্তু ৭ বছৰ লগাৰ কাৰণে দুখ প্ৰকাশ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** Please conclude.

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী,সদস্য ঃ-**শেষত, মই এটা কথাই ক'ব বিচাৰিছো, ৰাজ্যপালে যোৱা ২৮ জানুৱাৰীত তেখেতৰ বক্তব্যত আমি ধন্যবাদ জনাব পৰাকৈ ব্যৱস্থা ৰখা নাই। যাৰ জৰিয়তে অসমীয়া ভাষা সংস্কৃতি, অসমীয়া জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহিছে। সেই বাবে আমি ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন জনাব নোৱাৰো, এইখিনি কথাৰেই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-**ধন্যবাদ। মাননীয় মুখ্যমন্ত্ৰী।

**শ্ৰী সৰ্বানন্দ সোনোৱাল, মুখ্যমন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় ৰাজ্যপালৰ বাজেট ভাষণৰ ওপৰত সন্মানীয় এই পবিত্ৰ সদনৰ সদস্য- সদস্যা সকলে ধন্যবাদসূচক বক্তব্যৰ ওপৰত তেখেতসকলে অভিমত প্ৰকাশ কৰিছে। মই আৰম্ভনিতেই এই ধন্যবাদসূচক অনুষ্ঠানত অংশগ্ৰহণ কৰা মাননীয় দেবানন্দ হাজৰিকা, মাননীয় হাফিচ বচিৰ আহমেদ, মাননীয় তৰুণ গগৈ ডাঙৰীয়া, মাননীয় পবিন্দ্ৰ ডেকা ডাঙৰীয়া, মাননীয় ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়া, মাননীয় চক্ৰধৰ গগৈ ডাঙৰীয়া, মাননীয়া অজন্তা নেওঁগ ডাঙৰীয়ানী, মাননীয় মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া আৰু ভবেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াক মই বিশেষ ভাবে ধন্যবাদ জনাইছো। বিশেষকৈ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণ বক্তব্যৰ আৰম্ভনিতেই অসমীয়া জাতীয় জীৱনৰ হিয়াৰ আমঠু সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ডাঙৰীয়াক ভাৰত চৰকাৰৰ তৰফৰ পৰা সৰ্বোচ্চ অ-সামৰিক সন্মান ভাৰতৰত্ন প্ৰদান কৰাৰ বাবে তেখেতে অসমৰ জনগনৰ হৈ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক কৃতজ্ঞতা জ্ঞাপন কৰি আৰু লগতে অসমৰ লগতে উত্তৰপুৰ্বাঞ্চলৰ প্ৰত্যেকখন ৰাজ্যৰ সকলো শ্ৰেণীৰ ৰাইজে ভূপেনদাক মনে প্ৰাণে ভাল পাইছিল। সেই কাৰণে ভূপেনদাক এই সন্মান যঁচাৰ বাবে সকলো খুব আনন্দিত হৈছে। কাৰণ ভূপেনদাৰ প্ৰতি শ্ৰদ্ধা ভক্তি আছে প্ৰতিগৰাকী ব্যক্তিৰ। আৰু ভূপেনদাই তেখেতৰ জীৱন কালত উত্তৰপুৰ্বাঞ্চলক সকলো সময়তে মানবীয় দৃষ্টিভংগীৰে একাকাৰ কৰি ৰখাৰ বাবে তেখেতৰ গীতৰ যোগেদি আপ্ৰাণ চেষ্টা চলাই গৈছে। সেই বাবে কেৱল অসমৰ বুকুতে নহয়, অৰুণাচল হওঁক, নাগালেণ্ড হওঁক, প্ৰতিখন উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যতেই ভূপেনদা বিৰাজমান। লগতে ভাৰতবৰ্ষৰ পশ্চিমবংগৰ পৰা আৰম্ভ কৰি মহাৰাষ্ট্ৰ, গুজৰাট, ৰাজস্থান সকলো ৰাজ্যতেই ভূপেনদাৰ প্ৰতি ৰাইজৰ যিটো মৰম, শ্ৰদ্ধা আছে, তাৰ বাবে আজি সমগ্ৰ ভাৰতবৰ্ষই ভূপেনদাৰ এই সন্মানৰ বাবে উৎসাহিত হৈছে। আৰু ভূপেনদাই বিশ্বৰ মানৱ সমাজক একত্ৰিত কৰাৰ বাবে অসমৰ বুকুত জন্মলাভ কৰিও ৭ শ কোটি জনতাৰ মাজত ভাতৃত্ববোধ গঢ় দিয়াৰ নিমিত্তে তেখেতে যি ৰচনা কৰিছিল, তাৰ বাবে আমি অসমীয়া সন্তান হিচাবে গৌৰৱান্বিত। বিশ্বৰ

বুকুত ভূপেনদাই অসমীয়া জাতিক মৰ্য্যদা সহকাৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। মই ভূপেনদালৈ কৌটি কৌটি প্ৰণাম জনাইছো, আৰু লগতে মই আজি এই পবিত্ৰ সদনত উপস্থিত থকা প্ৰতি গৰাকী সদস্য-সদস্যাক বিশেষভাবে ধন্যবাদ জনাইছো যে আপোনালোকৰ বক্তব্যত ভূপেনদাৰ প্ৰতি আপোনালোকে যিখিনি শ্ৰদ্ধা নিবেদন কৰিছে, যদিও বা ভূপেনদাই বহুত দিনৰ আগতে এই স্বীকৃতি পাব লাগিছিল কিন্তু মই বিশেষকৈ এই কথাই ক'ব লাগিব যে পূৰ্বৰ চৰকাৰে, কংগ্ৰেছ চৰকাৰে সময় মতে সিদ্ধান্ত লোৱা হলে হয়তো বহুত দিনৰ আগতে স্বীকৃতি প্ৰদান কৰাটো সম্ভৱ হ'ল হয়। যি কি নহওঁক মই এটি কথাত বিশেষ ভাৱে গৌৰৱ অনুভৱ কৰো যে বিজেপি নেতৃত্বাধীন NDAচৰকাৰ সেই সময়ত ১৯৯৯ চনৰ, প্ৰয়াত প্ৰধান মন্ত্ৰী ভাৰতৰত্ন, স্বপ্নদষ্টা অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই লোকপ্ৰিয় গোপীনাথ বৰদলৈক ভাৰতৰত্ন সন্মান জনোৱাৰ বাবে বলিষ্ঠ পদক্ষেপ লৈছিল আৰু ২০১৯ চনত ভূপেন দাক, বি জে পি নেতৃত্বাধীন এন ডি এ চৰকাৰখনে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত এই সৰ্বোচ্চ সন্মান অৰ্পণ কৰি পুনৰবাৰ এই কথা প্ৰমাণ কৰিলে যে, ভাৰতীয় জনতা পাৰ্টিয়ে মনে প্ৰাণে অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰক সন্মান কৰে, শ্ৰদ্ধা কৰে আৰু আমাৰ ভাষা, কৃষ্টি-সংস্কৃতি, মাটি-ভেটি সকলোকে শ্ৰদ্ধা সহকাৰে আকোৱালি লয়। সেইবাবে হয়তো পৰম শ্ৰদ্ধাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০১৪ চনত প্ৰধান মন্ত্ৰীৰ দায়িত্ব লৈ তেখেত প্ৰথমটো বক্তব্যতেই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিষয়ে যেনেধৰণে গুনাণুকীৰ্তন কৰিছিল, সংসদৰ মজিয়াত, এই কথা আপোনালোক সকলোৰে মনত আছে নিশ্চয়। তেখেতে কৈছিল, অসম তথা উত্তৰ পূৰ্বাঞ্চল ভাৰতবৰ্ষ অষ্টলক্ষ্মী। স্বাধীনতাৰ যোৱা ৭০ বছৰত, মোৰ মনত নাই হয়তো কোনোবাই যদি কিবা কথাৰ প্ৰসংগত কৈছিল, মই নাজানো। কিন্তু সংসদৰ মজিয়াত অসম তথা উত্তৰ পূৰ্বাঞ্চলক এনে শব্দ বাক্যৰে গুণানুকীৰ্তন কৰা মই ভাৱো ৭০ বছৰ স্বাধীনতা ইতিহাসত নৰেন্দ্ৰ মোডী ডাঙৰীয়াই প্ৰথম গৰাকী প্ৰধান মন্ত্ৰী। গতিকে ইয়াৰ পৰাই এই কথাটো সুস্পষ্ট হৈছে যে, মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত সততাৰ নিষ্ঠাৰে দৃঢ়তাৰে কঠোৰ পৰিশ্ৰমৰ যোগেদি ভাৰতবৰ্ষৰ জনগণক ঐক্যবদ্ধ প্ৰচেষ্টাৰে গঢ় দিয়াৰ নিমিত্তে সকলোৰে প্ৰতি সমদৃষ্টি ৰাখি সমমৰ্য্যদা প্ৰদান কৰি সম উন্নয়নৰ বাবে যি বলিষ্ঠ কাৰ্য্যসূচী হাতত লৈছিল, এই কথাবিলাকে আজি ভাৰতবৰ্ষৰ প্ৰতিটো জাতি-জনগোষ্ঠী ভাষাভাষী ধৰ্মাবলম্বী লোকক উদ্ধুদ্ধ কৰিছে। এইখন ৰাষ্ট্ৰত মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰনেতৃত্বত সকলো সুৰক্ষিত। শতকৰা এশ শতাংশই সুৰক্ষিত। ইয়াত কোনো ৰাজ্যৰ, কোনো লোকে শংকিত আৰু চিন্তিত হোৱাৰ কাৰণ নাই। কাৰণ কামে-কাজে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই সন্মুখৰ পৰা দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰি এই কথা তৃলমূল পৰ্য্যায়ত প্ৰতিপন্ন কৰিছে। গতিকে সেইবাবে অসমৰ ৰাইজ, উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজ, মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আমি সম্পূৰ্ণৰূপে সুৰক্ষিত। এই কথা মই আকৌ আজি এই সদনত গভীৰ বিশ্বাসেৰে আপোনালোকক জনাব বিচাৰো। অসমৰ জনগণক শ্ৰদ্ধাসহকাৰে, বৰাক-ব্ৰহ্মপুত্ৰ পাহাৰ-ভৈয়ামৰ ৰাইজক জনাব বিচাৰো যে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই, প্ৰধান মন্ত্ৰী হিচাপে যিমান আন্তৰিকতাৰে উত্তৰ পূৰ্বাঞ্চলক ক্ষিপ্ৰ উন্নয়নৰ বাবে আজি বলিষ্ঠ পদক্ষেপ লৈছে, এনে পদক্ষেপ পূৰ্বতে অন্যান্য দলৰ প্ৰধান মন্ত্ৰী সকলে ল'ব পৰা নাছিল। আমাৰ স্বয়ং ৰাজ্যখনৰ দহ বছৰ এই ৰাজ্যৰ ৰাজ্যসভাত প্ৰতিনিধিত্ব কৰি ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীৰ দায়িত্ব লোৱা, ড° মনমোহন সিং ডাঙৰীয়াৰ কাৰ্য্যকালতো সেইবিলাক কাম সম্ভৱ হোৱা নাছিল। কিন্তু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ এই বিষয়ত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজৰ যিবিলাক সুক্ষ্ম চিন্তা-চৰ্চা আৰু মানুহৰ জীৱনৰ

আশা আকাংক্ষা সকলো বিলাক কথা গভীৰ ভাবে অনুধাৱন কৰাৰ, তেখেতৰ যিখিনি যোগ্যতা আছে তাৰ বাবে হয়তো আজি উত্তৰ-পূৰ্বাঞ্চলৰ সম্পদ সম্ভাৱনাক তেখেতে আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে আৰু এই বিলাক সহজ সৰল কথা নহয় যে, উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মী বুলি অভিহিত কৰিবৰ বাবে ইয়াৰ বাবে বিতং গৱেষণা আৰু বিতং অধ্যয়নৰ প্ৰয়োজন আৰু সেইবিলাক কাম মোডী ডাঙৰীয়াই প্ৰধান মন্ত্ৰী হোৱাৰ প্ৰাকমূহুৰ্ত্ততে তেখেতে সম্পূৰ্ণকৈ অধ্যয়ণ কৰাৰ বাবে আজি উত্তৰ পূৰ্বাঞ্চলক ভাৰতবৰ্ষৰ নতুন ইঞ্জিন হিচাপে গঢ় দিয়াৰ যি শক্তিশালী লক্ষ্য স্থিৰ কৰিছে, ভাৰতবৰ্ষৰ আধুনিক ভাৰত নিৰ্মাণ প্ৰক্ৰিয়াৰ বাবে। গতিকে এইটো এটা আমাৰ সকলোৰে বাবে, উঠি অহা ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ বাবে অত্যন্ত উৎসাহজনক কথা। আজি অসমৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে বিশ্বৰ বুকুত শক্তিশালী ৰূপত নিজক প্ৰতিষ্ঠা কৰাৰ বাবে এটা সুন্দৰ পথৰ সন্ধান পাবলৈ সক্ষম হৈছে। আধুনিক ধ্যান ধাৰণাৰে আন্তঃগাথনিৰ অৱস্থা টনকিয়াল কৰি যাতায়াত আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী ৰূপত গঢ় দি আজি অসমে দক্ষিণ পূৱ এছিয়াৰ উল্লেখযোগ্য ৰাজ্য হিচাপে প্ৰতিষ্ঠাৰ যাত্ৰাত আজি আত্মনিয়োগ কৰাৰ বাবে দৃঢ়তাৰে আগবাঢ়িছে। গতিকে এই সকলোবিলাক কাম সম্ভৱ হৈছে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বৰ বাবে। তেখেতে যিখিনি কথা আজিলৈকে আমাৰ সন্মুখত ৰাখিছে স্বচ্চতাৰে ৰাখিছে। ভাৰতবৰ্ষৰ জনগণক অগাধ শ্ৰদ্ধা আৰু ভক্তিৰে তেখেতে, তেখেতৰ মনৰ যিখিনি কথা, সেই কথাবিলাক সুস্পষ্টভাৱে উল্লেখ কৰি, এই কথা তেখেতে বাৰম্বাৰ কৈছে যে, এইখন ৰাষ্ট্ৰৰ যিখিনি শক্তি আছে, সম্পদ আছে এই সকলোবিলাক বিকাশ ঘটাবৰ বাবে আমি সকলোৱে চব কা চাথ, চব কা বিকাচ নীতিৰ দ্বাৰা ঐক্যবদ্ধ প্ৰচেষ্টাৰে শক্তিশালী ৰূপত আমি আত্মনিয়োগ কৰিব লাগিব। গতিকে মই বিশ্বাস ৰাখিছো মাননীয় আমাৰ আজি এই পবিত্ৰ সদনৰ সদস্য-সদস্যা সকলে আগন্তুক দিনত এই কথা মনত ৰাখি নিশ্চিতভাৱে সকলোৱে সহযোগিতাৰ ভিত্তিত আমি অসমৰ বৰাক ব্ৰহ্মপুত্ৰ, পাহাৰ ভৈয়ামত বসবাস কৰা ৩৩ খন জিলাৰ সকলো লোককে সমদৃষ্টি ৰাখি আমি অসমৰ বুকুত শান্তি সম্প্ৰীতি ভাতৃত্ববোধ ৰক্ষা কৰি আমাৰ ভৱিষ্যত প্ৰজন্মক শক্তিশালীভাৱে গঢ় দিয়াৰ নিমিত্তে আমি যাত্ৰা আৰাম্ভ কৰিব লাগিব। কাৰণ এই যাত্ৰাত সকলোৱে অংশ গ্ৰহণ কৰিলেহে আমি এই যাত্ৰাত সফলতা অৰ্জন কৰিব পাৰিম। ভাৰতীয় জনতা পাৰ্টীৰ বিশেষকৈ নেতৃত্বাধীন মিত্ৰজোটৰ অসমৰ চৰকাৰখনে, অসমৰ সকলো খিলঞ্জীয়া ভূমিপুত্ৰক দৃঢ়তাৰে আগুৱাই নিয়াৰ নিমিত্তে বিভিন্ন ধৰণৰ কাৰ্য্যসূচীৰ যোগেদি আমি ইতিমধ্যে আমাৰ যাত্ৰা আমি আৰম্ভ কৰিছো। গতিকে আমাৰ সকলো চিন্তাত আমি সদায় সাৰ্বজনীন নীতি গ্ৰহণ কৰি আহিছো। আমাৰ কাম-কাজৰ যোগেদি আমি বিশ্বাস কৰো সকলো লোককে আমি মৰ্য্যদা সহকাৰে অসমৰ বুকুত জীয়াই থকাৰ বাবে সুযোগ-সুবিধা প্ৰদান কৰিব পাৰিম। গতিকে সেই যুক্তিতেই মই বিশ্বাস ৰাখিছো যে আগন্তুক দিনত আপোনালোক সকলোৱে ১২৬ জন আমি বিধায়কে ঐক্যবদ্ধ প্ৰচেষ্টাৰে অসমৰ বুকুত ভৱিষ্যত প্ৰজন্মক শক্তিশালী ৰূপত গঢ় দিবৰ বাবে আমি সকলো সময়তে বুজাবুজিৰ মাধ্যমেৰে শান্তি সম্প্ৰীতি জীয়াই ৰাখিব লাগিব। কাৰণ আজি কিছু দিনৰ পৰা যিটো পৰিবেশ আৰু পৰিস্থিতি উদ্ভৱ কৰোৱা হৈছে। যোৱা দুবছৰ আঠমাহৰ আমাৰ কাৰ্য্যকালত,আপোনালোক সকলোৱে দেখিছে এই পবিত্ৰ সদনৰ আমাৰ বিৰোধী দলৰ বিধায়কসকলেও দেখিছে যে এইখন চৰকাৰে কোনো কাম লুকুৱাই কৰা নাই। আপোনালোকক আস্থাত লৈ আমি এই জয়যাত্ৰা অব্যাহত ৰখাৰ নিমিত্তে প্ৰয়াস কৰিছো। সেইবাবে মই ভাৱো যে, আপোনালোকৰো দায়িত্ব আছে এইখন অসম শক্তিশালী ৰূপত গঢ় দিয়াৰ নিমিত্তে আপোনালোক নিজ নিজ সমষ্টিৰ পৰা, সমষ্টিৰ ৰাইজৰ সন্মুখত প্ৰতিজ্ঞা আপোনালোকে লৈ এই পবিত্ৰ সদনত

পদাৰ্পণ কৰিছে। গতিকে এই পবিত্ৰ সদনৰ পৰাই অসমৰ ভৱিষ্যত শক্তিশালী ৰূপত গঢ় দিব লাগিব। আমি সকলোৱে মনত ৰখা উচিত,আমাৰ আচৰণ, আমাৰ কাম-কাজ উঠি অহা প্ৰজন্মই সুক্ষ্মভাৱে দৃষ্টি ৰাখিছে। উঠি অহা প্ৰজন্মই আমাক সমাজৰ, আমাক সকলোৱে অনুকৰণ কৰাৰ বাবে প্ৰয়াস কৰিছে। গতিকে আমি প্ৰতিগৰাকী জনপ্ৰতিনিধিয়েই এই কথা মনত ৰাখিব লাগিব, নিজ নিজ সমষ্টিৰ প্ৰতিটো পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী সকলে, পুত্ৰ কন্যা সকলে যাতে আগন্তুক দিনত সুস্থ সৰল শৈক্ষিক পৰিৱেশত শিক্ষা গ্ৰহণ কৰিব পাৰে, ইয়াৰ বাবে আমি সকলোৱে সামন্তৰালভাৱে দায়ীবদ্ধ। গতিকে আমি যিকোনো কষ্ট আৰু ত্যাগৰ বিনিময়ত অসমৰ সুস্থ সৰল শৈক্ষিক পৰিৱেশ জীয়াই ৰাখিবই লাগিব। আজি এই মূহুৰ্তত কেৱল নিজৰ সস্তীয়া ৰাজনীতি স্বাৰ্থ সিদ্ধিৰ বাবে আমি যদি উঠি অহা প্ৰজন্মৰ বাবে সেই বৌদ্ধিক শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ কামত আত্মনিয়োগ কৰো, তেতিয়াহ'লে আমাক সময়ে কেতিয়াও ক্ষমা নকৰে। গতিকে সেইবাবে মোৰ সকলোৰে ওচৰত আহ্বান, বিশেষকৈ আমি চৰকাৰ গঠন কৰাৰ দিনৰে পৰা আপোনালোকে লক্ষ্য ৰাখিছে যে, আমি শিক্ষাক প্ৰাধান্যতা দিছো, শিক্ষাক অগ্ৰাধিকাৰ দিছো। আমি বিশ্বাস কৰো শিক্ষাৰ যোগেদিহে আগন্তুক আমাৰ ভৱিষ্যতৰ প্ৰজন্মক শক্তিশালী ৰূপ দিব লাগিব। সেইবাবে শিক্ষাৰ যোগেদি এখন শক্তিশালী সমাজ নিৰ্মাণ কৰাৰ যাত্ৰাত আমি দৃঢ়তাৰে আগবাঢ়ি যাব বিচাৰো। গতিকে সেই পৰিৱেশ আমি উঠি অহা প্ৰজন্মক প্ৰদান কৰিব লাগিব। প্ৰতিখন শিক্ষানুষ্ঠানত যাতে আমাৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে উন্নত মানদণ্ডৰ শিক্ষা গ্ৰহণ কৰিব পাৰে, ইয়াৰ বাবে আমাৰ পৰম শ্ৰদ্ধাৰ মাতৃ -পিতৃ সকলে, শিক্ষক-শিক্ষয়িত্ৰী সকলে দায়বদ্ধতাৰে দায়িত্বসহকাৰে নিজৰ পুত্ৰ কন্যা, নিজৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি কৰিব পাৰে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক দিনত আমি প্ৰতিগৰাকী জনপ্ৰতিনিধিও নিজ নিজ সমষ্টিত এই পৰিৱেশ জীয়াই ৰখাৰ নিমিত্তে প্ৰয়াস কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মই সদনৰ পৰা অনুমতি ল'ব বিচাৰিছো আধাঘণ্টাৰ কাৰণে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো, যেতিয়া আমাৰ পূৰ্বৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই বক্তব্য ৰাখি আছিল, তেতিয়া শাসকীয় দলৰ বহু বিধায়কে মাজে -মাজে অকণমান টিপ্পনী মাৰি আছিল। তেতিয়া মই আপোনাক কৈছিলো যে, আমি double দিম বুলি। কিন্তু দিয়া নাই double টো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সন্মান জনাই আমি মাজে মাজে interrupt কৰা নাই। কিন্তু এই ব্যৱহাৰটো তেওঁলোকে অলপ শিকিলে ভাল পাম। মায়ে কৈছিলে মৰম দিলে মৰম পাবি, সন্মান দিলে সন্মান দিবি।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। কোনেও coment নিদিব। মাননীয় মুখ্যমন্ত্ৰী, আপুনি continue কৰক।

**শ্ৰী সৰ্বানন্দ সোনোৱাল, মাননীয় মুখ্যমন্ত্ৰী ঃ** মননীয় অধ্যক্ষ ডাঙৰীয়া, মই আমাৰ এই পবিত্ৰ সদনত যিসকল জনপ্ৰতিনিধি আমি সকলোৱে সমৱেত হৈছো, সকলোৰে যিখিনি সমাজখনৰ প্ৰতি আমাৰ সামাজিক দায়িত্ব আৰু কৰ্তব্য আছে, সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য আছে এই ক্ষেত্ৰত বিশেষভাৱে দায়বদ্ধতাৰে কাম কৰাৰ বাবে মই আহ্বান জনাইছো। আজি এই মুহুৰ্ত্তত বিশেষকৈ মাননীয় সদস্যসকলে তেখেতসকলৰ বক্তব্যত যি শংকা প্ৰকাশ কৰিছে বৰ্ত্তমান পৰিস্থিতিক লৈ, কাৰণ আজিৰ দিনটোত মই ভাবো এই সদনতে আটাইতকৈ বেছি মাননীয় বিধায়ক-বিধায়িকাই বৰ্ত্তমান পৰিস্থিতিৰ ওপৰত বক্তব্য ৰাখিছে। গতিকে মই ভাবো যে আমাৰ এই সদনত সকলোৱে মনত ৰাখিব লাগিব । এই খন সমাজত যদি আমি জনপ্ৰতিনিধিসকলে সকলোৱে সংযত হৈ সাৱধানেৰে সমাজখনক সংশোধন কৰো, সকলো বিষয়ত ধৈৰ্য্যসহকাৰে যুক্তিৰ আধাৰত প্ৰতিটো

সমস্যা পৰ্য্যালোচনা কৰো তেতিয়াহ'লে এইখন সমাজত কেতিয়াও অস্থিৰতা সৃষ্টি হ'ব নোৱাৰে । এইখন সমাজত যিকোনো বিষয় আমাৰ সন্মুখত দেখা দিলে আমি সকলোৱে মিলি সৰ্ব্বসাধাৰণ ৰাইজক ইয়াৰ পৰা উচিত বাৰ্ত্তাটো প্ৰেৰণ কৰিব লাগে। কাৰণ যুক্তিৰ আধাৰত যিটো বিষয়বস্তু আলাপ আলোচনা হ'ব, সেই বিষয়বস্তুৱেই স্থায়িত্ব লাভ কৰিব। আবেগ আৰু অনুভূতিৰ দ্বাৰা এটা বিষয় সৰ্ব্বকালৰ কাৰণে মানুহৰ মাজত স্থায়িত্ব লাভ কৰাৰ ক্ষেত্ৰত আমি সফলতা অৰ্জন কৰিব নোৱাৰো । তেতিয়া সমাজৰ কাৰণে এইটো লাভজনক নহয় বৰঞ্চ ক্ষতিকাৰক হ'ব। গতিকে সেই বাবে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক লগতে সকলোকে মই আহ্বান জনাইছো, আজি চিটিজেনশ্বিপ এমেণ্ডমেণ্ড বিল ,২০১৬ক লৈ যিমানবিলাক ব্যাখ্যা দাঙি ধৰা হৈছে, অসম চুক্তি সম্পূৰ্ণ ৰূপে উলঙ্ঘা কৰাৰ কথা কৈছে, বাস্তৱতেতো সেইটো নহয়। যিটো অসম চুক্তিৰ ক্ল'জ -৫ ,তাত কি আছিল? Detection, Deletion, Deportation - যদিওবা অতদিনে এই বিষয়টোত বহুত আলাপ আলোচনা হ'ল, তথাপিও প্ৰকৃতাৰ্থত এই দফাটো কাৰ্য্যকৰী ৰূপ দিয়াৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ কাৰ্য্যকালতে ইয়াক নিষ্ঠাৰে, এই দফাৰ কাৰ্য্যকৰীকৰণৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হ'ল। ইয়াৰ পূৰ্ব্বতে বহু ৰাজনৈতিক নেতাই - বিশেষকৈ আপোনালোকে বেয়া নাপাব, কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰ কেন্দ্ৰ আৰু ৰাজ্যত থাকোতে ২০০৫ চনৰ ৫ মে তাৰিখে নতুন দিল্লীত যেতিয়া ত্ৰিপাক্ষিক বৈঠক হৈছিল সেই বৈঠকত দুটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছিল । এই দুটা গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ এটা হৈছে Indo-Bangla Border seal within one year আৰু দ্বিতীয়টো হৈছে NRC Updation within two years. এইবিলাক কথা আমাৰ মনত আছে , আপোনালোকৰ সকলোৰে আছে। কিন্তু সেইবোৰ সিদ্ধান্ত কাৰ্য্যকৰী ৰূপ দিব নোৱাৰিলে , যি কাৰণতে নহওক অসম চুক্তি ভাৰত বাংলা সীমান্ত চীল কৰাৰ যেনেধৰনে Ground preparation ৰ প্ৰয়োজনীয়তা আছে, সেই Ground preparation নিষ্ঠাৰে নকৰাৰ বাবে ভাৰত-বাংলা সীমান্ত চীল কৰাৰ ক্ষেত্ৰত পূৰ্ব্বৰ চৰকাৰে নুন্যতম সফলতা অৰ্জন কৰিব নোৱাৰিলে । কিন্তু মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দায়িত্ব লৈয়েই Indo- Bangla Land Boundary Agreement স্বাক্ষৰ কৰি এই বিষয়ত দৃঢ়তাৰে কাম কৰাটো সম্ভৱ কৰি তুলিলে। তাৰ বাবে আমি ক্ষিপ্ৰভাবে ভাৰত বাংলা সীমান্ত seal কৰাৰ কামত আগবাঢ়িছো। আৰু এই কাম এতিয়া আমাৰ কাৰ্য্যকালতে শেষ হ'ব, এই কথাটো নিশ্চিত । আমি ভাৰত-বাংলা সীমান্ত চীল কৰিম। আপোনালোকে কিন্তু নোৱাৰিলে। সেই কথাটো আপোনালোকে মানি লোৱা উচিত। N RC Updation, 2010 চনত বৰপেটা আৰু ছয়গাওঁৰ দুটা ৰাজহ চক্ৰৰ এন আৰ চিৰ কাম আপোনালোকে আৰম্ভ কৰিছিল Pilot Project হিচাপে । যি কাৰণতে নহওক কিয়, আপোনালোকে এই কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে বৰঞ্চ আপোনালোকে ইয়াক বন্ধ কৰিব লগা হ'ল। কিন্তু পৰৱৰ্ত্তী সময়ত এই কাম মহামান্য উচ্চতম ন্যায়ালয়ৰ তত্বাবধানত আৰু জি এক্ট, ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ যৌথ প্ৰচেষ্ঠাত, আজি আমাৰ কাৰ্য্যকালত চূড়ান্ত খঁচৰা প্ৰকাশ পোৱা পৰ্য্যন্ত আমি সফলতা অৰ্জন কৰিলো । মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশত ৩১ জুলাই, যি লক্ষ্য স্থিৰ কৰি দিয়া হৈছে সেই মতে ৩১ জুলাই ২০১৯ৰ ভিতৰত N RC Updation ৰ কাম সম্পূৰ্ণ হ'ব । এন আৰ চি এনেধৰনৰ সাংবিধানিক দলিল হ'ব, যিখন দলিল ভাৰত বৰ্ষৰ বুকুত প্ৰথম অসমেই প্ৰস্তুত কৰি কামত আত্মনিয়োগ কৰিছে। গতিকে এই দলিলখনৰ Clause -5 ৰ যিটো Detection, এই দলিলৰ কাম সম্পূৰ্ণ হ'লেই প্ৰথমে এই কাম সম্পূৰ্ণ হ'ব। কাৰণ এন আৰ চিয়ে নিৰ্দ্ধাৰিণ কৰিব যে, অসমৰ বুকুত থকা স্বদেশীৰ সংখ্যা

কিমান? বৈধ কিমান? ভাৰতীয় নাগৰিকৰ সংখ্যা কিমান আৰু বিদেশীৰ সংখ্যা কিমান? বিদেশী আৰু স্বদেশীৰ মাজৰ পাৰ্থক্যটো স্পষ্টভাৱে তথ্যৰ ভিত্তিত এই দলিলে প্ৰমাণ দাঙি ধৰিব। আজিৰ তাৰিখত বিভিন্ন জনে বিভিন্ন বক্তব্যৰ যোগেদি অসমৰ বুকুত কিমান সংখ্যক বিদেশী আছে, বিভিন্ন ধৰণৰ তথ্য তেখেতসকলৰ বক্তব্যত দাঙি ধৰিছে। কিন্তু এই তথ্যবিলাকৰ যুক্তিযুক্ততা ক'ত? কিন্তু এতিয়া এন আৰ চিৰ কাম সম্পূৰ্ণ হ'লেই আমি সকলোৱে সুস্পষ্ট হ'ম- অসমৰ বুকুত আমি ইমান দিনে সন্দেহ কৰি থকা সেই অবৈধ বিদেশীৰ সংখ্যা কিমান ? এই কথাবিলাক আজি জল-জল, পট - পটকৈ আমাৰ দৃষ্টিত ধৰা দিছে। গতিকে ক্লছ -৫ ৰ প্ৰথম দুটি কাম সম্পূৰ্ণ হোৱাৰ পিছতহে, পৰৱৰ্ত্তী সময়ত আন দুটাৰ কেনেকৈ কাৰ্য্যকৰী ৰূপ দিয়া হ'ব এই ক্ষেত্ৰত ভাৰত চৰকাৰে চুড়ান্ত সিদ্ধান্ত লৈছে । গতিকে সেই বাবে আমি এই কথা কেতিয়াও কোৱা উচিত নহয় যে, আমি অসম চুক্তিৰ ক্ল'জ -৫ সম্পূৰ্ণৰূপে উলংঘা কৰিছো। ক্ল'জ -৫ ৰ কাম নিষ্ঠাৰে সম্পূৰ্ণ·কৰাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা যোৱা দুটা বছৰ ৫৫ হাজাৰ ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰী এই ক্ষেত্ৰত নিয়োগ কৰি আমি নিষ্ঠা সহকাৰে মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশনা আমি পালন কৰি আহিছো। এইটো এটা ৰাষ্ট্ৰীয় দায়িত্ব। ভাৰতবৰ্ষৰ বুকুত অসমেই হ'ব প্ৰথমখন ৰাজ্য যিখন ৰাজ্যত এন আৰ চি -অসম চুক্তিৰ আধাৰত প্ৰকাশ পাব । কাৰণ NRC-51 and successive voters List upto 24th March Midnight ,1971 গতিকে সেই বাবে মই ভাবো আমাৰ সন্মানীয় সদস্য-সদস্যাসকলে এই কথাত এনেধৰণে বিশ্লেষণ কৰাটো বেছি সমীচিন হ'ব । কাৰণ এই বিশ্লেষণটো সাংবিধানিক সন্মতি- এই বিশ্লেষণটো কেৱল মই নিজে সৃষ্টি কৰা বিশ্লেষণ নহয়। আপোনালোকেও পৰ্য্যালোচনা কৰি দেখিব , কাৰণ গোটেই প্ৰক্ৰিয়াটো আৰম্ভ কৰাৰ মূলতে হ'ল - অ'তদিনে অসমৰ বুকুত আমি বহুতেই বহুধৰণৰ আলাপ আলোচনাত এই বিষয়ক লৈ জড়িত হৈ আছিলো যদিও প্ৰকৃত সত্যটো NRC Updation ৰ যোগেদিহে আবিস্কাৰ কৰাটো সম্ভৱ। দ্বিতীয়তে ভাৰত বাংলা সীমান্ত চীল কৰা সন্দৰ্ভত আপোনালোকেও জানে যে, Land Boundary Agreement হোৱাৰ পিচতে আজি কৰিমগঞ্জ আৰু কাছাৰ , ধুবুৰী আৰু দক্ষিণ শালমৰা , মানকাছাৰ এই আমাৰ যিটো ভাৰত বাংলা সীমান্ত Rivereine এলেকা কাৰণে অ'তদিনে সমাধানসুত্ৰ আবিস্কাৰ কৰিব পৰা নাছিল । কিন্তু আমি দৃঢ়তাৰে ভাৰত চৰকাৰৰ ৰাজনাথ সিং ডাঙৰীয়াৰ সৈতে মিলিত হৈ বিতংভাবে বহু আলাপ আলোচনা কৰি Rivereine এলেকাতো seal কৰাৰ নিমিত্তে আগবাঢ়িছো ।

এই আমাৰ ভাৰত বাংলাৰ সীমান্তত River line এলেকাৰ বাবে অতদিনে Solution আবিস্কাৰ কৰিব পৰা নাছিল, সমাধানৰ সুত্ৰ আবিস্কাৰ কৰিব পৰা নাছিল। কিন্তু আমি মাননীয় গৃহমন্ত্ৰী ভাৰত চৰকাৰৰ ৰাজনাথ সিং ডাঙৰীয়াৰ সৈতে মিলিত হৈ বিতং ভাৱে কথা আলাপ আলোচনা কৰি River line এলেকাটো Seal কৰাৰ নিমিত্তে Technological Solution ইয়াত কাৰ্য্যকৰী ৰূপদিয়াৰ নিমিত্তে সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। আপোনালোকে জানিব এতিয়ালৈকে গোটেই Device বিলাক তাত Lay down কৰা হৈছে আৰু ইতিমধ্যে যি এজেন্সিয়ে কাম কৰি আছে তেখেত সকলৰ তৰফৰ ফালৰ পৰা জনোৱা হৈছে যে অহা মাৰ্চ মাহৰ ভিতৰত এই কামৰ সম্পূৰ্ণ হ'ব। গতিকে সেই বাবে মই ভাৱো অসম চুক্তিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দফা detection, deleation, deportation clause 5 এই বিষয়টো আন্তৰিকতাৰে গ্ৰহণ কৰা হৈছে। ভাৰত বাংলা সীমান্ত Seal কৰা বিষয়টো আন্তৰিকতাৰে গ্ৰহণ কৰা হৈছে আৰু শেহতীয়াকৈ অসমৰ উদ্যোগ জগতৰ বাবে উঠিঅহা লক্ষ্য লক্ষ্য নিবনুৱা যুৱক-যুৱতীৰ বাবে এটা

উল্লেখযোগ্য বতৰা কিছুদিনৰ আগতে অসমৰ বুকুলৈ আহিল। ভাৰত চৰকাৰৰ কেবিনেট সভাত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই Numaligarh Refinery, নুমলীগড় শোধানাগাৰ প্ৰতিষ্ঠা হৈছিল অসম চুক্তিৰ আধাৰত। পূৰ্বতে ইয়াৰ উৎপাদন ক্ষমতা আছিল কেৱল ৩ নিযুত মিলিয়ন টন। অথাৎ ৩ নিযুত মিলিয়ন টনৰ উৎপাদন ক্ষমতালৈ এই শোধানাগাৰটো প্ৰতিষ্ঠা হৈছিল। কিন্তু বিভিন্ন সময়ত খাৰুৱা তেলৰ অভাৱৰ বাবে উৎপাদন শক্তি বিভিন্ন সময়ত হ্ৰাস কৰিব লগা হৈছে। কিন্তু গোটেই বিষয়টোৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা কৰি ভাৰত চৰকাৰৰ তৰফৰ পৰা এই শোধানাগাৰৰ উৎপাদন শক্তি ৯ নিযুট মিলিয়ন টনলৈ বৃদ্ধি কৰাৰ নিমিত্তে যি প্ৰস্তাৱ দাখিল কৰা হ'ল কেন্দ্ৰীয় চৰকাৰৰ হাতত আৰু সেই প্ৰস্তাৱক অনুমোদন জনাই আগন্তুক দিনত এই কাম সম্পূৰ্ণ কৰাৰ বাবে ভাৰত চৰকাৰৰ তৰফৰ পৰা ২২ হাজাৰ ৫ শ কোটি টকা ইয়াত ব্যয় কৰাৰ বাবে অনুমতি প্ৰদান কৰিলে। গতিকে এনে ধৰণৰ সিদ্ধান্ত এইবিলাক ঐতিহাসিক সিদ্ধান্ত। মই ভাৱিছে যে সমগ্ৰ অসমত প্ৰতিগৰাকী অসমীয়া সন্তানে আন্তৰিকতাৰে স্বাগতম জনাব আৰু বিশেষকৈ আপোনালোকে জানেই নহয় অহা ৪৮ মাহৰ ভিতৰত এই প্ৰকল্পৰ কাম শেষ হ'ব। প্ৰথম দিনটোৰ পৰা ইয়াত ৪ হাজাৰ যোগ্যতা সম্পন্ন ব্যক্তিয়ে দিনে-নিশাই পৰিশ্ৰম কৰিব আৰু এনেধৰণে ৪৮ মাহ পৰিশ্ৰম কৰাৰ পিছত এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব। এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ লগে লগে ইয়াৰ উৎপাদিত সামগ্ৰী বাংলাদেশ, নেপাল, ম্যানমাৰ আৰু ভূটানৰ বজাৰ দখল কৰিব। এইটো অসমৰ বাবে সৰ্বকালৰ বাবে অত্যন্ত আমাৰ উদ্যোগ জগতত আমাৰ অৰ্থনৈতিক জগতত এটা উল্লেখযোগ্য বতৰা, কাৰণ ইয়াৰ পৰাই আমাৰ ভৱিষ্যতৰ প্ৰজন্মক আমি নিজক বৰ্তমান সময়ত ভালদৰে প্ৰস্তুত কৰি যাতে আগন্তুক দিনত বিভিন্ন কৰ্মক্ষেত্ৰত এই ব্যৱসায়টো নিয়ন্ত্ৰণ কৰিব পাৰে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আমি শিক্ষা ব্যৱস্থাক সৰল ৰূপ দিয়াৰ নিমিত্তে আমি প্ৰাথমিক বিদ্যালয় পৰ্য্যায়ৰ পৰা গুণোৎসৱ আয়োজন কৰিছো। গুণোৎসৱৰ লক্ষ্যই হৈছে Quality Education. কাৰণ Quality Educationৰ যোগেদি Quality of life can be determined in the country, in the State and in the society গতিকে সেইবাবে আগন্তুক দিনত আমাৰ উঠিঅহা চাম টোক যোগ্যদক্ষ্য নাগৰিক হিচাপে গঢ় দি আগন্তুক দিনত জীৱনৰ বাতত বিভিন্ন কৰ্মপথত যাতে যোগ্যতাৰে নেতৃত্ব দিব পাৰে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি ভৱিষ্যত অসম কেনেধৰণে দক্ষিন-পূৱ এছিয়াত গঢ় দিয়াৰ নিমিত্তে আমি প্ৰয়াস কৰিছো আৰু এই গোটেই বিষয়টোৰ ক্ষেত্ৰত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি দৃঢ়তাৰে আমাক সহযোগিতা আগবঢ়াইছে এই কথাবিলাক আমি সকলোৱে কিন্তু আন্তৰিকতাৰে বিশ্লেষণ কৰা উচিত। কাৰণ অসম এতিয়া আৰু পিছপৰি নাথাকে। কিন্তু যদিহে আপোনালোকে অশান্তি সৃষ্টি কৰি থাকে। অসহিষ্ণুতা, অস্থিৰতা এইবিলাক সমাজৰ কাৰণে মঙ্গলজনক শব্দ নহয়। গতিকে সকলোৱে সহিষ্ণুতা প্ৰদৰ্শণ কৰিব লাগিব আৰু "Citizenship Amendment Bill 2016" ৰ সন্দৰ্ভত আপোনালোকে যুক্তি সহকাৰে এপদ এপদকৈ আমি আলাপ আলোচনাত জড়িত হোৱা উচিত। ইয়াত কি অসুবিধা আছে? ইয়াতো আৰু লুকাভাকু কৰিবলৈ নাই। কাৰণ অখণ্ড ভাৰতত আমি একেলগে আছিলো, বৰ্তমানৰ পাকিস্তান, বাংলাদেশ আমি সকলোৱে একেলগে আছিলো অখণ্ড ভাৰতত। বিভাজন হ'ল ধৰ্মৰ ভিত্তিত আপোনালোকে সকলোৱে জানে। দুখন ইছলামিক দেশ হ'ল বাংলাদেশ আৰু পাকিস্তান আৰু সেই দেশবিলাকত ধৰ্মীয় সংখ্যালঘু হিচাপে স্বীকৃতি প্ৰাপ্ত খ্ৰীষ্টান, বৌদ্ধিছ, জৈন, শিখ, পাৰ্চী, হিন্দু তেখেত সকলক বিভিন্ন সময়ত অত্যাচাৰ কৰা হ'ল, এইবিলাক কথা এতিয়াৰ কথা নহয়, সেই তাহানি ১৯৫০ চনৰ পৰা ১৯৪৭ চনৰ পৰা ধাৰাবাহিক ভাৱে এনেধৰণৰ ঘটনা সংঘটিত হৈ আহিছে। তেতিয়ায়ে সেই সময়ৰ প্ৰধান মন্ত্ৰী

পণ্ডিত নেহেৰু, গৃহ মন্ত্ৰী বল্লভ ভাই পেটেলে কেনেধৰণে তেনেধৰণৰ ধৰ্মীয় উৎপীড়নৰ বলি হৈ নিৰাপত্তাহিনতাত ভূগি ভাৰতবৰ্ষলৈ অহা লোকক আশ্ৰয় দিয়া, নিৰাপত্তা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল এই কথা আপোনালোক সকলোৱে জানে। ইতিহাসৰ পাতত এইবিলাক কথা সু-স্পষ্টভাৱে উল্লেখ আছে, এইবিলাক মই পুনৰ দোহাৰিব বিচৰা নাই। নেহেৰু আৰু লিয়াকতৰ চুক্তিয়ে হ'ক এই সকলোবিলাক কথাৰ ভিত্তিতে ৰাষ্ট্ৰীয় নীতি গঠন কৰা হৈছিল আৰু ৰাষ্ট্ৰীয় নীতিৰ আধাৰতে এনেধৰণৰ ৰাষ্ট্ৰীয় সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আজি যিটো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অতদিনে এনেধৰণৰ ধৰ্মীয় উৎপীড়নৰ বলি হৈ যি সকল লোকে অনিশ্চয়তাৰ মাজত থাকিব লগা হৈছিল তেখেত সকলক মানৱীয়তাৰ খাতিৰত আজি ভাৰতবৰ্ষৰ বুকুত আশ্ৰয় দিয়াৰ নিমিত্তে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু এই সিদ্ধান্ত কেৱল অসম বা উত্তৰ-পূৰ্বাঞ্চলক লৈ নহয়। এই সিদ্ধান্ত সমগ্ৰ ভাৰতবৰ্ষৰ বাবে। ভাৰত ৰাষ্ট্ৰই ইয়াৰ ফলশ্ৰুতিত, যি দায়িত্ব দৃঢ়তাৰে পালন কৰিব। এই কথা মাননীয় গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়াই উভয় সদনতে সু-স্পষ্টভাৱে ব্যখ্যা কৰিছে, উল্লেখ কৰিছে। গতিকে এই ক্ষেত্ৰত অনাহকত অসমৰ সৰ্বসাধাৰণ ৰাইজক শংকিত কৰাৰ কি যুক্তি যুক্ততা আছে? আৰু এক কোটি নব্বৈ লাখ এই তথ্য ক'ৰ পৰা পালে? মইতো অধ্যয়ণ কৰি চাইছো, বিভিন্ন গৰাকীক সুধিছো ক'ত আছে, এক কোটি নব্বৈ লাখ অসমলৈ আহিব, বাংলাদেশৰ পৰা আহি অসমৰ মাটি-ভেটি গ্ৰাস কৰিব, ভাষা সংস্কৃতি সম্পূৰ্ণৰূপে বিপদাপন্ন কৰিব, অস্তিত্ব বিলীন হৈ যাব? এনেধৰণৰ কথাৰে সমাজ খনক বিভ্ৰান্তিৰ সৃষ্টি কৰা উচিত নহয়। কাৰণ আমাৰ সকলোৰে সম দায়িত্ব আছে। আজি আমি শাসক ট্ৰেজেৰি ব্ৰাঞ্চত বহিছো, আপোনালোকে বিৰোধীত বহিছে, একালত আপোনালোকে এই দিশত আছিল কিন্তু আমাৰ সকলোৰে এই পবিত্ৰ সদনত সম দায়িত্ব আছে। কেৱল শাসক দলৰ এইটো দায়িত্ব আছে এনেকুৱা নহয়, শাসক দলে আপোনালোকক যদি ফাকি কথা কয় সেইটো বেলেগ কথা। কাৰণ শাসক দলটোৱে আপোনালোকক আস্থাত লৈ কাম কৰিছে। আপোনালোকে আৰম্ভনিৰে পৰা এইখন চৰকাৰৰ সব কা সাথ সব কা বিকাশ নীতি নমুনা আপোনালোকে চাবলৈ সক্ষম হৈছে। আপোনালোকৰ যিকোনো বিষয়ত আমি মৰ্য্যদা সহকাৰে সকলো ধৰণৰ বাজেটৰ ধন ধাৰ্য্য কৰি আপোনালোকক সহযোগিতা আগবঢ়াইছো। There is no discrimination. গতিকে সেইবাবে মই ভাৱো যে আপোনালোকৰো দায়িত্ব আছে। সমাজখনক প্ৰকৃত সত্য কথাৰ উমান দিয়াৰ আপোনালোকৰ দায়িত্ব আছে, জনোৱাৰ দায়িত্ব আছে। কেৱল শাসক দলৰে এইটো দায়িত্ব আছে, এনে নহয়। গতিকে মই ভাৱো যে এইখন অসম এতিয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব লাগিব। আমাৰ ভৱিষ্যতৰ প্ৰজন্মই ভাৰত বৰ্ষৰ ২৯ খন ৰাজ্যৰ ৭ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ন হৈ আমাৰ শ্ৰেষ্ঠতা প্ৰদৰ্শণ কৰিব পাৰিব লাগিব। ইয়াৰ বাবে quality educationৰ দৰকাৰ আৰু ইয়াৰ বাবেই সুস্থ-সৰল শৈক্ষিক পৰিবেশৰ দৰকাৰ। এই সুস্থ-সৰল শৈক্ষিক পৰিবেশ যদি আমি অনাহকত বিনষ্ট কৰিবৰ বাবে নানা ধৰণৰ কুচক্ৰান্তত লিপ্ত হওঁ সেইটো এটা মহাপাপ জাতিটোৰ বাবে কাৰণ উঠি অহা প্ৰজন্মৰ ভৱিষ্যত নষ্ট কৰাৰ আমাৰ কাৰোৰে অধিকাৰ নাই। আমাৰ জীৱন কালত আমি যদি ১০ জন ভাল মানুহ সৃষ্টি কৰিব পাৰো সেইটোৱে হৈছে আমাৰ জীৱনৰ উল্লেখযোগ্য সফলতা। গতিকে, সেইবাবে মই সকলোকে আহ্বান জনাইছো আপোনালোকে অস্থিৰ নহ'ব। এইখন চৰকাৰ থকালৈকে অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সকলো শ্ৰেণীৰ ৰাইজ সুৰক্ষিত। অসমীয়া, মাৰোৱাৰী, বিহাৰী, বঙালী, পাঞ্জাবী, নেপালী, হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধিছ, জৈন সকলো আমি সুৰক্ষিত। সকলো জাতি-জনগোষ্ঠী, জন-জাতি, অনুসূচিত জাতি, সৰু বৰ সকলোৰে

সমমৰ্য্যদাৰে সমউন্নয়নৰ দিশত আগ বাঢ়ি যোৱাৰ ক্ষেত্ৰত এইখন চৰকাৰে দৃঢ়তাৰে কাম কৰি আছে আৰু কাম কৰি যাব। আমাৰ মাজত সহিষ্ণুতা আছে, আমাক কিমান কিমান ভাষাৰে বিভিন্ন কথা কৈছে, পৰিভাষাবিলাক আমি সকলোৱে চাইছো। মই এইকাৰণে বিভিন্ন সভাত কৈছো অসমীয়া অভিধানখন ইমান চহকী, তাহানী কালৰে পৰা মহান মনিষি ব্যক্তি সকলে, পণ্ডিত ব্যক্তি সকলে বহু কষ্ট সাধনাৰ যোগেদি এই অভিধান সৃষ্টি কৰি গৈছে। তাত সাৱলিল শব্দ বাক্য সুন্দৰভাৱে প্ৰয়োগ কৰাৰ নিমিত্তে মহাপুৰুষ সকলে আমাক মহান বানী অৰ্পন কৰি গৈছে, গতিকে সেইবাবে মই ভাৱো সমাজখনে এই কথা বিলাক অনুধাবন কৰিব লাগে, গুৰুজনাৰ কথা কলেই যথেষ্ট নহয়। গুৰু জনাৰ কথা কৈ যদি পৰৱৰ্তী সময়ত গুৰুৱে দিয়া শিক্ষা যদি অৱমাননা কৰো, কৰ্মক্ষেত্ৰত যদি ইয়াক পালন নকৰো তেতিয়া হ'লে গুৰুক অৱমাননা কৰা হয়। গতিকে মই ভাবো এইখন অসম মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱ, মাধৱদেৱ আৰু আজান পীৰৰ দেশ ইয়াত সদায় সমন্বয়ৰ দ্বাৰা ভক্তি ভাৱেৰে সমাজ নিৰ্মাণ কৰাৰ নিমিত্তে গুৰুজনাই কঠোৰ পৰিশ্ৰমৰ সাধনাত মগ্ন হ'বৰ বাবে পৰামৰ্শ প্ৰেৰণ কৰি গৈছে। তেখেতৰ অমৰ সৃষ্টিত ভক্তিৰস প্ৰদান কৰিছে আৰু ভক্তি ৰসৰ যোগেদি সমাজ বিশ্বৰ বুকুত শক্তিশালী ৰূপত পদাৰ্পণ কৰাৰ নিমিত্তে আজি যোগ্যতা অৰ্জন কৰিছে। গতিকে মই সকলোকে আহ্বান জনাইছো পৰম শ্ৰদ্ধাৰ এই পবিত্ৰ সদনৰ সদস্য/সদস্যা সকল আপোনালোকে সহযোগ কৰক, অসমখনক আমি ঐক্যবদ্ধ ভাৱে আগুৱাই নিব লাগিব। এইখন অসম এতিয়া আৰু পিছপৰি নাথাকে, আপোনালোকে শুনি ভাল পাব মই যেতিয়া Vietnam লৈ গৈছিলো ১৫ গৰাকী সফল খেতিয়কক লগত লৈ গৈছিলো কাৰণ দক্ষিণ পূব এছিয়াৰ কৃষি খণ্ডত উল্লেখ যোগ্য সফলতা অৰ্জন কৰা ৰাষ্ট্ৰখনেই হৈছে Vietnam. আজি ৩০ বছৰ আগতে এইখন ৰাষ্ট্ৰ আটাইতকৈ দুৰ্বল আছিল, খাদ্য বস্তুৰ সন্ধানত বিভিন্ন ৰাষ্ট্ৰৰ কাষ চাপিছিল কিন্তু আমাৰ প্ৰয়াত প্ৰধান মন্ত্ৰী, আমাৰ আদৰ্শৰ নেতা অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই সেইখন ৰাষ্ট্ৰলৈ, তাৰ জনগণক উৎসাহিত কৰি ভাৰত চৰকাৰৰ তৰফৰ পৰা নানা ধৰণৰ কাৰিকৰী দিশত সুযোগ প্ৰদান কৰাৰ আজি ৩০ বছৰ পিছত আমি দেখিছো, সেইখন ৰাষ্ট্ৰই এতিয়া কৃষি খণ্ডত অন্যতম উল্লেখযোগ্য স্থান বিশ্বৰ বুকুত দখল কৰিবলৈ সক্ষম হৈছে। সেই ১৫ গৰাকী সফল খেতিয়কক যেতিয়া মই Vietnam ৰ খেতিয়ক সকলে কেনেধৰণে সফলতা অৰ্জন কৰিছে, তাত তেনেধৰণে কৃষক আৰু Agriculture Scientist য়ে যৌথ ভাৱে আৰু Procurement & Marketing এই সকলো Linkage বিলাকৰ ক্ষেত্ৰত সাম্য জ্ঞান অৰ্জন কৰাৰ নিমিত্তে যেতিয়া তেখেত সকলক লৈ গৈছিলো আৰু মোৰ লগত কেইবা গৰাকী আমাৰ সন্মানীয় বিধায়ক গৈছিল, আমি সকলোৱে গৈ এই কথা বিলাক বিভিন্ন ঠাইত যেতিয়া পৰ্য্যবেক্ষণ কৰিলো তেতিয়া প্ৰকৃতাৰ্থত আৱিষ্কাৰ কৰিলো, যে এখন ৰাষ্ট্ৰৰ যেতিয়া জন-গণ ঐক্যবদ্ধ প্ৰচেষ্টা আৰু দৃঢ়তাৰে কঠোৰ পৰিশ্ৰমত আত্ম নিয়োগ কৰে, সেই ৰাষ্ট্ৰ কেতিয়াও কোনোৱে Defeat কৰিব নোৱাৰে। সেই কাম আজি Vietnam এ সম্ভৱ কৰি দেখুৱালে। গতিকে সেইবাবে মই তালৈ গৈ দেখিলো খেতিয়ক সকলে যথেষ্ট উৎসাহিত হৈ আহিল, মই তাৰ পিছত তেখেত সকলৰ লগত বাৰ্তা লাভ কৰিলো গুৱাহাটীত তেখেত সকলে ক'লে যে এইটো এটা আমাৰ জীৱনৰ উল্লেখযোগ্য অভিজ্ঞতা আৰু এই অভিজ্ঞতা বিলাক আগন্তুক দিনত আমি আমাৰ খেতি পথাৰত প্ৰয়োগ কৰিম। আজি অসমৰ খেতিয়কৰ উৎপাদিত জৈৱিক ক্ষেত্ৰত উৎপাদিত ফল-মূল আৰু শাক-পাচলি আজি ডুবাই আৰু লণ্ডনৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে আমাৰ কাৰ্য্যকালত, এই বিলাক সাধাৰণ ঘটনা নহয়। ৰিমা দাস-হিমা দাসৰ যি সফলতা এই সফলতাই আজি ডেকা শক্তিক এনে ধৰণে উৎজ্জীৱিত কৰি তুলিছে

যে সকলোৱে কৰ্ম সংস্কৃতিৰ প্ৰতি ধাপলি মেলিছে আৰু সকলোৱে জানে যে চৰকাৰে যি বিলাক Policy গ্ৰহণ কৰিছে, এই Policy ৰ পৰা যদি লাভান্বিত হ'ব লগীয়া হয় তেতিয়া হ'লে পৰিশ্ৰম কৰিব লাগিব। এনেধৰণৰ সুন্দৰ সাংস্কৃতিক দিশত, ক্ৰীড়াৰ ক্ষেত্ৰত, শৈক্ষিক দিশত, কৃষি খণ্ডৰ সকলো ক্ষেত্ৰতে বিশেষ ভাবে দৃঢ়তাৰে আগবাঢ়ি যাব খোজা সমাজখনক যদি আপোনালোকে হতাশগ্ৰস্ত কৰে, নানা ধৰণৰ বিভ্ৰান্তি সৃষ্টি কৰি যদি সমাজখনৰ মনোবল নাইকিয়া কৰে, তেতিয়া হ'লে আপোনালোকক কেতিয়াও সময়ে ক্ষমা নকৰে। আমিটো এইখন সমাজ আৰু ৰাজ্যক ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ় দিয়াৰ মানসিকতাৰে এই পবিত্ৰ সদনত প্ৰৱেশ কৰিছো। আজি Advantage Assam আয়োজন কৰিলো আমি সকলোকে লগত লৈ।প্ৰথমতে আমাৰো কিছু Nervousness আছিল, বিশ্ব বিনিয়োগ সন্মিলনত বিভিন্ন গৰাকী আগশাৰীৰ উদ্যোগ পতিক আমি আমন্ত্ৰণ জনালো। আমি ভাবিছিলো আহিব নে নাই? কিন্তু মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আমাৰ প্ৰতি থকা আন্তৰিকতা আৰু সদিচ্ছা ভাবে Global Investor Summit সফল হ'ল, ২৪০ খন চুক্তিত স্বাক্ষৰ কৰা হ'ল। আৰু ৭৯ হাজাৰ কোটি টকা বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰাৰ আমি প্ৰতিশ্ৰুতি লাভ কৰিবলৈ সক্ষম হ'লো। আজি আপোনালোকে শুনি ভাল পাব। মাননীয় গগৈ ডাঙৰীয়াই কৈছে ইয়াত কোনো Recruitment হোৱা নাই, ইমান Opportunity Create হৈছে আজি সেই Advantage Assam ৰ পৰৱৰ্তী সময়ত ১২ হাজাৰ কোটি টকা ইতিমধ্যে অসমৰ বুকুত বিনিয়োগ হৈছে আৰু অসমৰ পলাশবাৰীত প্ৰতিষ্ঠা কৰা ঔষধ কোম্পানীৰ উৎপাদিত সামগ্ৰী এতিয়া আমেৰিকাৰ বজাৰ দখল কৰিছে । এই বিলাক কথাই যুৱ শক্তিক যথেষ্ট উৎসাহিত কৰিছে, সেইবাবে কৰ্মসংস্কৃতিৰ প্ৰয়োজন আৰু কৰ্ম সংস্কৃতিৰ বাবে পৰিৱেশ লাগে, সুস্থিৰ পৰিৱেশ লাগে, শান্তিৰ বাতাবৰণ লাগে ইয়াৰ বাবে আপোনালোক সকলোৱে আৰু আমি মিলি এই বাতাৱৰণ সৃষ্টি কৰিব লাগিব। নাগৰিকত্ব "সংশোধনী" বিধেয়ক, ২০১৬ ৰ ওপৰত কিবা ক'বলগীয়া থাকিলে আপোনালোকে কব আমি আলাপ আলোচনাত বহিম কিন্তু ইয়াৰ বাবে ৰাজপথত গৈ উচ্ছৃংখলতাৰ সৃষ্টি কৰি মানুহক ভিত্তিগ্ৰস্ত কৰি মানুহৰ গণতান্ত্ৰিক অধিকাৰ বিনস্ত কৰাৰ কাৰো অধিকাৰ নাই, চৰকাৰে জনসাধাৰণৰ স্বাৰ্থত কাম কৰি যাব। আমি প্ৰতি গৰাকী খাটিখোৱা, দিন হাজিৰা কৰা শ্ৰমিকৰ পৰা আৰম্ভ কৰি বান বিধ্বস্ত খেতিয়ক প্ৰতিগৰাকী নাগৰিকক মৰ্য্যদা সহকাৰে অসমৰ বুকুত জীয়াই ৰখাৰ নিমিত্তে আমি যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব, তেখেত সকলে যাতে মৰ্য্যদা সহকাৰে গণতান্ত্ৰিক অধিকাৰ ভোগ কৰিব পাৰে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰখনে দায়বদ্ধতাৰে কাম কৰি যাম আৰু সেইবাবে মই সকলো পক্ষকে আহ্বান জনাইছো যে কোনোৱে হাতত আইন তুলি নলব, আইন হাতত তুলি ল'লে কিন্তু চৰকাৰে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত আমাৰ যিখিনি সাংবিধানিক দায়িত্ব আমি নিষ্ঠাৰে পালন কৰিবৰ কাৰণে বাধ্য হ'ম। আমাক শান্তি লাগে, সমন্নয় লাগে, শান্তি আৰু সমন্নয় অবিহনে পৃথিৱীৰ কোনো ৰাষ্ট্ৰই প্ৰগতিৰ দিশত আগবাঢ়ি যাব নোৱাৰে। সেইবাবে মই সকলোকে আহ্বান জনাইছো কাৰণ এইখন ৰাজ্যত উঠি অহা চামটোৰ বাবে আজি আমি কিমান সংখ্যক মেডিকেল কলেজ ইয়াত প্ৰতিষ্ঠা কৰিলো। ইয়াৰ আগতে কেৱল ৬খন মেডিকেল কলেজ আছিল আৰু আমাৰ ২বছৰ ৮মাহৰ কাৰ্য্যাকালতে ৮খন মেডিকেল কলেজৰ কাম আৰম্ভ হ'ল আৰু প্ৰতিখন মেডিকেল কলেজত ১০০খনকৈ মুঠ ৮০০ খন আসন শিক্ষাৰ্থী সকলৰ কাৰণে আৰু ৰোগী সলকৰ কাৰণে ৫০০ খনকৈ বিচনাৰ ব্যৱস্থা কৰা হৈছে, অৰ্থাৎ 8 in multiply by 500 = 4000, বিচনাৰ ব্যৱস্থা ৰোগী সকলৰ বাবে ৰখা হৈছে আৰু উঠি অহা চামটোৱে চিকিৎসা বিজ্ঞানত যাতে পাৰদৰ্শিতা দেখুৱাব পাৰে ইয়াৰ

বাবে তেখেত সকলৰ অধ্যয়ণৰ বাবে সুযোগ লাভ কৰিব পাৰে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি Nursing College, Dental College আৰু ১৯ খনকৈ Cancer Hospital প্ৰতিষ্ঠা কৰাৰ যি দৃঢ় যাত্ৰাত আমি পদাৰ্পণ কৰিছো, ইয়াৰ বাবে পৰিৱেশটো সুস্থ-সৰল কৰি ৰাখিব লাগিব। উদ্যোগ হওঁক, কৃষি হওঁক পৰ্যটন সংস্কৃতি হওঁক সকলো কৰ্মক্ষেত্ৰত প্ৰতিগৰাকী শিল্পীয়ে, প্ৰতি গৰাকী নিষ্ঠাবান ব্যক্তিয়ে যদিহে কঠোৰ পৰিশ্ৰম কৰিব লগীয়া হয় ইয়াৰ বাবে পৰিৱেশ গণতান্ত্ৰিক ভাবে শান্তিপূৰ্ণ অৱস্থাত জীয়াই ৰাখিবই লাগিব। মই আশা ৰাখিছো যে আগন্তুক দিনত আপোনালোক সকলোৱে এই ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াব। আমাৰ চৰকাৰৰ নীতি হৈছে Team Assam, Team India তথা মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যেতিয়া প্ৰধান মন্ত্ৰীৰ দায়িত্ব লৈ ঘোষণা কৰিছিল, মইও তেতিয়া Team Assam ৰ কথা কৈছিলো অৰ্থাৎ আপোনালোক সকলোৱে আমি ১২৬ জন একেলগে থাকিব লাগিব। আপোনালোকে ৰাজনৈতিক দল হিচাপে যদি আমাৰ Policy, Programme বিলাক যদি আপত্তি জনক দেখে তেতিয়া সেইটো গণতান্ত্ৰিক ভাৱে আপত্তি কৰিব তাত আমাৰ ক'বলগীয়া নাই, সেইটো আমি সদায় Welcome কৰো। যোৱাকালি মই এখন সভাত কৈছো যে গণতন্ত্ৰৰ সকলো ৰং য়েই আমাৰ আপোন, তাত কলা, ৰঙা, বগা, নীলা যিয়েই নহওঁক কিয় গতিকে There is no discrimination inclusive society কাক কয়? 'সবকা চাথ, সবকা বিকাশ' কাক কয়। আজি মাননীয় অধ্যক্ষ ডাঙৰীয়াইও কিছু পৰিমাণে কলা কাপোৰ পৰিধান কৰিছে মইওঁ কলা কোট পিন্ধি আহিছো তাৰ মানে আপুনিও কলা কাপোৰ পিন্ধি আহিছে। গতিকে এইটো ধাৰণা দিয়া উচিত নহয় যে আমাৰ কলা ৰং ৰ প্ৰতি বিদ্বেষ ভাব আছে। বিভিন্ন ব্যক্তিৰ বিভিন্ন ৰুচি বোধ আছে, তেওঁলোকৰ ৰুচিবোধ মতে খাদ্য পচন্দ কৰে কাপোৰো পচন্দ কৰে, কোনোবাই কলা পোচাক পৰিধান কৰে, কোনোবাই নীলা, বগা পোচাক পৰিধান কৰে, কিন্তু সমাজখনত আমি কলা পোছাক পিন্ধিও এটা ভাল মনৰ অধিকাৰী হব পাৰো, ইতিবাচক চিন্তা ধাৰাৰ অধিকাৰী হ'ব পাৰো মনটোহে আচল কথা। মনটো পৰিষ্কাৰ কৰিবৰ কাৰণেটো স্বচ্ছ ভাৰত অভিযান, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। মহামানৱ মহাত্মা গান্ধীয়ে সেইবাবে এই মহান বাণী আমাৰ হাতত অৰ্পন কৰি গৈছিল, গতিকে মহাত্মা গান্ধীৰ সেই মহান বাণী আমি হৃদয়ত স্থান দি আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কন্যাকুমাৰীৰ পৰা কাশ্মীৰ লৈকে, গুজৰাটৰ পৰা অৰুণাচল প্ৰদেশলৈকে এই বিশাল উপমহাদেশত বসবাস কৰা সকলো লোককে তেখেতে আহ্বান জনাইছে, আঁহক আমি সকলোৱেই মিলি পৰিস্কাৰ মনৰ অধিকাৰী হওঁ, পৰিস্কাৰ কাম কৰো আৰু পৰিস্কাৰ পৰিবেশ নিৰ্মাণ কৰি ভাৰতবৰ্ষক বিশ্বৰ গুৰু স্থানত প্ৰতিস্থা কৰো। সেইদৰে উঠি অহা প্ৰজন্মক পৰিস্কাৰ মনৰ অধিকাৰী কৰি তুলিবই লাগিব। স্বামী বিবেকানন্দই কৈছিল ইতিবাচক দৃষ্টি ভংগীৰ প্ৰতি গৰাকী ব্যক্তিয়েই সমাজত আমুল পৰিবৰ্তন আনিব পাৰিব, সমাজ নিৰ্মান কৰিব পাৰিব। গতিকে মহান মনিষী সকলৰ সেই মহৎ বাণী বিলাক কেতিয়াও অথলে যাব নোৱাৰে। আজি পবিত্ৰ সদনত আপোনালোকে ৰাজ্যখনৰ বাজেট ভাষণৰ ওপৰত যিখিনি বক্তব্য আগবঢ়াইছে, তাৰ ওপৰত মই আপোনালোকক এটা নিশ্চয়তা দিব বিচাৰিছো যে, মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষেত্ৰত এনে কোনো সিদ্ধান্ত নলয় যি সিদ্ধান্তই অসমৰ তথা উত্তৰ পূৰ্বাঞ্চলৰ মানুহৰ মনত আঘাট দিব পাৰে। এই কথা নিশ্চিত। এই কথা মই পুনৰ কৈছো। গতিকে আপোনালোকে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যি আন্তৰিকতাৰে, যি সদিচ্ছাৰে অসম চুক্তিৰ ৬ নং দফাক কাৰ্য্যকাৰী ৰূপ দিবৰ কাৰণে উচ্চ স্তৰৰ কেবিনেট পৰ্যায়ত কমিটি গঠন কৰিছে আৰু terms and refference

ইমান সুন্দৰ ভাৱে উপস্থাপন কৰিছে, ইয়াৰ পূৰ্বতে কোনো কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় কেবিনেটত অসম চুক্তিৰ গুৰুত্বপূৰ্ণ ৬ নং দফাক এনে মৰ্যাদা সহকাৰে তথা গুৰুত্ব সহকাৰে লোৱা নাছিল। গতিকে সেইবাবেই মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ এই সদিচ্ছাক আৰু আন্তৰিকতাক কেতিয়াও "ললীপপ" বুলি আখ্যা দিয়াটো উচিত হোৱা নাই। মানুহৰ সদিচ্ছাক আৰু আন্তৰিকতাক যদি এনেদৰে সন্দেহৰ দৃষ্টিৰে চোৱা হয়, তেতিয়া সমাজ কেনেকৈ শক্তিশালী হব? গতিকে সেইবাবেই মই আপোনালোককো আহ্বান জনাইছো যে এই কথাখিনি আপোনালোকেও সূক্ষ্ম ভাৱে বিবেচনা কৰক। আপোনালোকৰ জ্যেষ্ঠ সদস্যইও কৈছে যে অসম চুক্তিৰ গুৰুত্বপূৰ্ণ ৬ নং দফাটো কাৰ্যকৰী ৰূপ দিয়াটো সম্ভৱ নহ'ব। কিন্তু আমি কাম কৰিবলৈ আহিছো, আমি আপোনালোকৰ ওচৰত জবাৱদিহি, আমি অসমৰ ৩ কোটি ৩০ লক্ষ্য মানুহৰ ওচৰত জবাৱদিহি।

এই যে সিদ্ধান্তটো আহিল, এইটো সাধাৰণ ভাবে অহা নাই, তাৰ কাৰণে আমি পৰিশ্ৰম কৰিব লগীয়া হৈছে। অসমৰ ৰাইজে খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ যিটো বিষয়ত শংকা আৰু চিন্তাৰ উৎপত্তি হৈছে সেইটো স্থায়ী ভাৱে নাইকীয়া কৰাৰ নিমিত্তে সাংবিধানিক ৰক্ষা কবচৰ যিটো শক্তিশালীব্যৱস্থা প্ৰবৰ্তন কৰাৰ বাবে যি শক্তিশালী সিদ্ধান্ত লৈছে, সেই শক্তিশালী সিদ্ধান্তটো কাৰ্যকাৰী কৰাৰ কাৰণে আপোনালোক সকলোৱে সহযোগীতা কৰা উচিত। কাৰণ ৬ নং দফাৰ সাংবিধানিক ৰক্ষা কবচৰ ক্ষেত্ৰত তেখেতে কমিটিখনৰ বাবে "Terms of Reference" ত সুস্পষ্ট ভাৱে উল্লেখ কৰিছে। **প্ৰথমটো,** মাটি-ভেটি ৰক্ষাৰ ক্ষেত্ৰত আপোনালোকৰ সাংবিধানিক ৰক্ষা কবচটো কেনেকুৱা হব। **দ্বিতীয়টো,** ৰীতি-নীতি, সংস্কৃতি, ঐতিহ্য আৰু ভাষা, বিভিন্ন ভাষা, অসমীয়া ভাষাৰ লগতে অন্যান্য খিলঞ্জীয়া ভাষা ৰক্ষাৰ বা নিৰাপত্তাৰ ক্ষেত্ৰত আপোনালোকে কেনেধৰণে সাংবিধানিক ৰক্ষা কবচ বিচাৰে। **তৃতীয়তে,** বিধান সভাৰ মজিয়াত কিমান সংখ্যক আসন খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ বাবে সংৰক্ষণ হোৱাটো বিচাৰে। **চতুৰ্থতে,** ২২০০ খন পঞ্চায়তত আপোনালোকে কিমান সংখ্যক আসন সুৰক্ষিত হোৱাটো বিচাৰে। **শেষত,** নিযুক্তিৰ ক্ষেত্ৰত ইয়াৰ খিলঞ্জীয়া নিবনুৱা যুৱক-যুৱতী সকলৰ বাবে কিমান সংখ্যক আসন সংৰক্ষিত হ'ব লাগে। এই গোটেই কথাবিলাক আগন্তুক দিনত অসমৰ সকলো ৰাইজ মিলি জাতিটোৰ সংবিধানিক ৰক্ষা-কৱচৰ নমুনা প্ৰস্তুত কৰাৰ নিমিত্তে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি সুৱৰ্ণ সুযোগ দিছে, এই সুযোগটো আমি সকলোৱে গ্ৰহণ কৰা উচিত। জাতিটোৰ ভৱিষ্যত সুৰক্ষাৰ বাবে অসম চুক্তিৰ ৬ নং দফাটোৱেই হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ দফা। গতিকে মই ভাৱো যে সময় থাকোতে এই পৱিত্ৰ সদনত আপোনালোকে অৰ্থাৎ বিৰোধী পক্ষই এই কথাটো ইতিবাচক দৃষ্টিংভংগীৰে চিন্তা কৰক। আপোনালোকে এইটো কোনো সস্তীয়া ৰাজনীতিৰ অভিসন্ধি বুলি নাভাৱিব।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া প্ৰশ্ন হৈছে যে ৬ নং দফাটো কাৰ্যকৰী ৰূপ দিয়াৰ দায়িত্ব আমি সকলোৱে যদি নিষ্ঠাৰে পালন কৰো, তেন্তে ছবছৰীয়া গণ আন্দোলনৰ প্ৰত্যেক উদ্দেশ্যত আমি সফল হ'ব পাৰিম। সকলোবোৰ কথা সুন্দৰ ভাৱে ৬ নং দফাটোত উল্লেখ কৰা আছে আৰু এই দফাটোক পূৰ্বৰ চৰকাৰৰ দিনতে কিয় অগ্ৰাধিকাৰ দিয়া নহল, মই আজিও ভাৱিলে আচৰিত হওঁ। কাৰণ আটাইতকৈ গুৰুত্বপূৰ্ণ দফা এইটোৱেই আছিল। যিহেতুকে আমি ১৯৫১ ৰ পৰা ১৯৭১ চনলৈ যিমান সংখ্যক অবৈধ বিদেশীৰ দায়িত্ব ল'লো আৰু আজিৰ তাৰিখত তেওঁলোকৰ সতী-সন্ততিয়ে নীতিগত ভাৱে আৰু বিধিগত ভাৱে তেওঁলোকৰ নাম এন.আৰ.চি. ত অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ'ল। গতিকে এই বৃহৎ সংখ্যক মানুহৰ উপস্থিতিৰ বাবে আমাৰ জন-গাঁথনি ব্যাপক ৰূপত সলনি হ'ল। সেইবাবে খিলঞ্জীয়া ভূমি পুত্ৰ সকলৰ অস্তিত্ব ৰক্ষাৰ কাৰণেই এই ৬ নং দফাটো

ইয়াত সংযোজন কৰা হৈছে। গতিকে আমি ভাবো এই ক্ষেত্ৰত আপোনালোক সকলোৰে একমত গতিকে আমি সকলোৰে মিলি নিষ্ঠাৰে ইয়াক পালন কৰিব লাগে। অসম চুক্তি কিয় হৈছিল কাৰণ তেতিয়া অসমৰ ৰাইজে সাংবিধানিক ৰক্ষা-কৱচ বিচাৰিছিল। অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে মাটি-ভেটি থাকিবই লাগিব। মাটিৰ পৰাহে ভেঁটিটো হ'ব। ভেঁটিটোৱেই হল, আমাৰ আজো ককাৰ ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ভাষা আৰু সাহিত্য। ভেটিয়েই যদি নাথাকে, তেন্তে আমাৰ ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ভাষা আৰু সাহিত্য ক'ত অৱস্থান কৰিব? তাৰ পিছত সেই মাটিৰ ওপৰতেই আমি আমাৰ সাংবিধানিক অধিকাৰ, ৰাজনৈতিক অধিকাৰ সাংবিধানিক বিধিব্যৱস্থাৰ দ্বাৰা সাব্যস্ত কৰিব লাগিব

গতিকে মই ভাৱো যে, এই পবিত্ৰ সদনে ৬ নং দফাটো কাৰ্যকৰী ৰূপ দিয়াৰ বাবে এই পবিত্ৰ সদনে একমত প্ৰকাশ কৰা উচিত। আজি যি সকলে অসম চুক্তিৰ কথা কৈ আছে তেখেত সকলে যদি ভাবিলেহেতেন এই চুক্তিৰ মূল লক্ষ্য কি আছিল কেৱল চৰকাৰ গঠন কৰাই অসম চুক্তিৰ লক্ষ্য নাছিলহু ৰাজনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তন ইয়াৰ লক্ষ্য আছিল। ইয়াৰ মূল লক্ষ্য আছিল, অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ সকল তথা ইয়াত বসবাস কৰা হিন্দুৱেই হওঁক, ভাৰতীয় মুছলমানেই হওঁক, খ্ৰীষ্টান বা বুদ্ধ ধৰ্মৰ লোকেই হওঁক সকলোৰে মৰ্যাদা ৰক্ষা কৰা । গতিকে আজিৰ তাৰিখত এই কথা সত্য যে আজি অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ সকল অসমৰ বুকুতেই যথেষ্ট অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছে। খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ গৰিয়া, মৰিয়া, কেচি , জোলহা, ছৈয়দ যি সকল লোক আছে, এই সকল আজি অস্তিত্বৰ সংকটত পৰিছে এইটোও সঁচা। গতিকে লাচিত বৰফুকনৰ সৈতে বাঘ হাজৰিকাই মিলি মোগলৰ বিৰুদ্ধে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰাৰ বাবে যি বিক্ৰমেৰে শৰাইঘাটৰ যুদ্ধত আত্মনিয়োগ কৰিছিল আৰু সেই সকলৰ সমাজ খনক সুৰক্ষিত কৰাৰ বাবেই অসম চুক্তি। সেয়েহে, অসম চুক্তিখন সদায় সাৰ্বজনীন দৃষ্টিভংগীৰে, ধৰ্মীয় নিৰপেক্ষতাৰ দৃষ্টি ভংগীৰে, অসমৰ অস্তিত্ব ৰক্ষা কৰাৰ দিশত সফলতা অৰ্জন কৰাৰ বাবেই অসম চুক্তি আছিল। গতিকে এই কথাটো ভবা উচিত নহয় যিহেতুকে আমাৰ দলৰ প্ৰতি গৰাকী দায়িত্বশীল মন্ত্ৰীয়েই হওঁক, বিধায়কেই হওঁক বা সাংসদেই হওঁক, সকলোৰে এই বিষয়টোৰ ক্ষেত্ৰত বাৰম্বাৰ অসমৰ বিভিন্ন সভা-সমিতিত গৈ সুস্পষ্ট ভাৱে দাঙি ধৰিছে। গতিকে যিটো দিশৰ পৰা অসমলৈ আজি ভাবুকি আহিছে এই কথাবিলাক আপোনালোকে অনুধাৱন কৰিব পাৰিব লাগিব। মই ভাৱো সকলো পক্ষই যদি অসমৰ জাতি-মাটি আৰু অধিকাৰৰ প্ৰতি নুন্যতমো দায়িত্ব থকা বুলি ভাৱে তেন্তে আপোনালোকে দায়বদ্ধতাৰে মুক্ত কণ্ঠেৰে এই ৬ নং দফা কাৰ্যকৰী ৰূপ দিয়াৰ বাবে আগবাঢ়ি আহক । এই ছয় নং দফা কাৰ্য্যকৰী ৰূপ দিয়াৰ কাৰণে আপোনালোকে আগবাঢ়ি আহক। দ্বিতীয়তে, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ। এইটোটো ৪০ বছৰীয়া এটা দিশ আৰু সকলো খিলঞ্জীয়া ভূমিপুত্ৰ। গতিকে ভাৰত চৰকাৰৰ তৰফৰ পৰা আমাক এটি সুযোগ প্ৰদান কৰিছে যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ কৰি আপোনালোকে খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ঐতিহ্য, তেখেত সকলক বিশেষ ভাৱে আগুৱাই নিবৰ বাবে প্ৰয়াস কৰক। সেইবাবে বৰ্তমান যিমান সংখ্যক জনজাতি সম্প্ৰদায়ৰ লোক আছে তেখেত সকলৰ সাংবিধানিক সা-সুবিধা নুন্যতম ক্ষতিগ্ৰস্ত নকৰি ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ বাবে ভাৰত চৰকাৰে অসম চৰকাৰক ইয়াৰ নমুনা প্ৰস্তুত কৰিবৰ বাবে নিৰ্দ্দেশ দিছে। যাৰ ভিত্তিত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক অধ্যক্ষ হিচাবে লৈ আমি কনভেনাৰ চন্দন ব্ৰহ্ম আৰু তপন গগৈ, পল্লৱ লোচন দাস, নৱ কুমাৰ দলেক সদস্য হিচাবে লৈ এই Group of Minister গঠন কৰিছো। Group of Minister এ সকলোৰে সৈতে আন্তৰিকতাৰে মত বিনিময়

কৰিছে। আন্তৰিকতাৰে মত বিনিময় কৰি জনজাতি আৰু ছয় জনগোষ্ঠীৰ সকলোৰে সৈতে অন্তৰঙ্গ আলাপ আলোচনা কৰি, সকলোৰে দিহা পৰামৰ্শ লৈ আগন্তুক দিনত প্ৰতিবেদন দিল্লীৰ ওচৰত দাখিল কৰিব। গতিকে এইয়া আমাৰ এইখন চৰকাৰৰ স্পষ্ট দৃষ্টিভংগী। কাৰণ আমি অসমৰ বুকুত নিচিন্ত ভাৱে খিলঞ্জীয়া ভুমিপুত্ৰ সকলৰ নিৰাপত্তা বিচাৰো। সেইবাবে বহু আন্তৰিকতাৰে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই এই সুযোগ আমাৰ হাতত অৰ্পণ কৰিছে। গতিকে অসমৰ বুকুত থকা ১২৬ গৰাকী বিধায়কে এই কথাটো আমাৰ অসমক ভালপোৱা, অসমীয়াক ভালপোৱা বৃহত্তৰ অসমীয়া বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা সমাজখনক ভালপোৱা প্ৰতিগৰাকী জন-প্ৰতিনিধিক এই ক্ষেত্ৰত দৃঢ়তাৰে, আন্তৰিকতাৰে, নিষ্ঠাৰে জড়িত হোৱা উচিত। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই কথা বিলাক এই কাৰণেই অতি গুৰুত্বপূৰ্ণ কাৰণ এই কথা বিলাকক লৈ নানান ধৰণৰ ভুলবাৰ্তা প্ৰেৰণ কৰা হৈছে। অনাহকত উত্তেজনাৰ সৃষ্টি কৰা হৈছে। গতিকে এই অসমখন একবিংশ শতিকাৰ অসম। এইখন অসম প্ৰতিযোগিতাৰ পৃথিৱীৰ অসম। এইখন অসমত এতিয়া আমি যিমান সংখ্যক জাতি-জনগোষ্ঠী আছো সকলোৰে মিলিত প্ৰচেষ্টাৰে, দৃঢ়তাৰে কঠোৰ পৰিশ্ৰমত আত্মনিয়োগ কৰিলেহে অসমে প্ৰতিযোগিতাৰ পৃথিৱীত নিজৰ স্থান নিশ্চিত কৰিবলৈ সক্ষম হ'ব। বিজ্ঞান, প্ৰযুক্তি, সাহিত্য, কৃষ্টি, সংস্কৃতি, ক্ৰীড়া সকলো ক্ষেত্ৰতেই জাকত জিলিকা ৰাজ্য হিচাবে ইয়াক গঢ় দিবলৈ হ'লে আমি উঠি অহা প্ৰজন্মক বিশেষভাৱে গঢ় দিব লাগিব। সেইবাবে শান্তি আৰু সম্প্ৰীতিৰ অত্যন্ত আৱশ্যক। আপোনালোকে সন্দেহ প্ৰকাশ নকৰিব। ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন মিত্ৰজোঁটৰ অসম চৰকাৰখনে সংখ্যা লঘু, সংখ্যা গুৰু সকলোকে সমদৃষ্টি ৰাখি কাম কৰিছে। আমাৰ কাৰ্য্যকালতেই সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰী সকলক উচ্চ শিক্ষাৰ বাবে ১২ খন কলেজ প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লৈছো। Residential school 30 খন, ইয়াৰ পূৰ্বতে কোনো চৰকাৰে যদিওবা তেখেত সকলে সংখ্যালঘুৰ প্ৰতি বৰ দৰদ দেখুৱাই কিন্তু কামে-কাজে অন্তৰৰ পৰা সেই সদিচ্ছা আন্তৰিকতা দেখুৱাব পৰা নাছিল। আজি অসমৰ বুকুত বসবাস কৰা অসমীয়া, বঙালী, মাৰোৱাৰী, বিহাৰী, পাঞ্জাৱী, নেপালী আমি একেলগে শ শ বছৰ ধৰি জীয়াই আছো। অনাহকতে আমাৰ মাজত কোনোবাই যদি সংঘাটৰ সৃষ্টি কৰিব বিচাৰে, সেই কথা আমি কোনো যুক্তিত সহ্য নকৰো আৰু আমাৰ সকলোৰে দায়িত্ব আছে সকলোৰে মাজত সদিচ্ছা আৰু আন্তৰিকতা জীয়াই ৰখাৰ। নহ'লে জনপ্ৰতিনিধি হোৱাৰ যুক্তিযুক্ততা ক'ত? জনপ্ৰতিনিধি হৈ মানুহক উচতনি দিয়াৰ দায়িত্ব পালন কৰিবলৈ আহিছো নেকি এই পবিত্ৰ সদনত? জনপ্ৰতিনিধি হৈ সমাজত আন্তৰিকতাৰে সমাজ নিৰ্মাণৰ কামত যদি আত্মনিয়োগ কৰো তেতিয়াহে প্ৰকৃতাৰ্থত জনপ্ৰতিনিধিৰ নৈতিক দায়িত্ব, সামাজিক দায়িত্ব পালন কৰা হ'ব। গতিকে মই ভাৱো যে মাননীয় অধ্যক্ষ ডাঙৰীয়া, আগন্তুক দিনত এইখন অসমত আমি সকলোৰে মিলাপ্ৰীতিৰে থাকিব লাগিব আৰু আমাৰ যিখিনি চিন্তা চৰ্চা এই চিন্তা চৰ্চা বিলাক আমি সকলো সময়তে বিৰোধীৰ ওচৰতো ৰাখিছো আৰু বিৰোধীৰ পৰাও আমি দিহা-পৰামৰ্শ বিভিন্ন সময়ত লৈছো। আপোনালোকে জানে NRC publication ৰ আগমুহূৰ্তত আমি সৰ্বদলীয় সভা পাতিছো, সকলোৰে দিহা পৰামৰ্শ লৈছো। গতিকে আমি কেতিয়াও বিৰোধীক অৱজ্ঞা কৰা নাই। বিৰোধী সকলৰো সেই কাৰণে দায়িত্ব আছে। আপোনালোকে আজি বিভিন্ন কাৰ্য্যসূচী বিলাকত আপোনলোকেও বিভিন্ন ধৰণৰ আপত্তিজনক কাম কাজত জড়িত হোৱা বুলি মানুহৰ মাজত অভিযোগ উঠিছে। সেই অভিযোগ বিলাক আপোনালোকে খণ্ডন কৰিব লাগে। সেইটো সমীচিন হোৱা নাই। কাৰণ বিৰোধীৰ যিটো দায়িত্ব সমাজৰ প্ৰতি সেইটো আপোনালোকেও কামে-কাজে প্ৰতিপন্ন কৰিব লাগিব। শাসক দলে আপোনালোকক বাৰম্বাৰ আহ্বান জনাইছো যে আপোনলোকেও সমাজৰ প্ৰতি সেইখিনি দায়িত্ব

পালন কৰাৰ নিমিত্তে আপোনালোকে আন্তৰিকতা প্ৰদান কৰিব লাগিব। আজি সন্মুখত থকা লোকসভা নিৰ্বাচনৰ বাবে অনাহকত, সামাজিক উত্তেজনাৰ সৃষ্টি কৰাতো সমীচিন হোৱা নাই। নিৰ্বাচন আহিব আৰু যাব। কিন্তু এই সদন সদায় থাকি যাব। এই সদন সদায়েই অসমৰ তিনিকোটি ত্ৰিশ লাখ মানুহৰ বাবে দায়বদ্ধতাৰে কাম কৰি যাবই লাগিব। নিৰ্বাচনত কোনোবা হাৰিব, কোনোবা জিকিবই। এইটো ডাঙৰ কথা নহয়। কিন্তু সমাজখনৰ বাবে আমি সকলোৱে দৃঢ়তাৰে আত্মনিয়োগ কৰি যাব লাগিব। সেই বাবেইটো সামাজিক দায়িত্ব পালন কৰিবৰ বাবে জনপ্ৰতিনিধি হৈ এই পবিত্ৰ সদনত আমি প্ৰৱেশ কৰিছো। গতিকে মই ভাৱো যে আগন্তুক দিনত আপোনালোক সকলোৰে সহযোগিতা নিশ্চিতভাৱে লাভ কৰিবলৈ সক্ষম হ'ম আৰু পুনৰবাৰ মই আপোনালোকক কৈছো যে, যিকোনো বিষয়ত আপোনালোকৰ ক'বলগীয়া থাকিলে মোকো সাক্ষাৎ কৰিব। I am always available for every body. কোনো বিৰোধীৰ বিধায়কে ক'ব নোৱাৰে যে মুখ্যমন্ত্ৰীক সাক্ষাৎ নাপাওঁ। মুখ্যমন্ত্ৰীক আপোনালোকে যিকোনো সময়ত সাক্ষাৎ কৰিব পাৰে আৰু মনৰ কথা ক'ব পাৰে। মই সদায় ধৈৰ্য্য সহকাৰে শুনো। মই ৰাইজৰ গালি বিলাক আৰ্শীবাদ হিচাবে লৈছো আৰু ল'বই লাগিব কাৰণ গনতন্ত্ৰ হয়। কেতিয়াবা ভাল বুলি ক'ব, কেতিয়াবা বেয়া বুলি ক'ব। কিন্তু মই সমাজত কৈ ডাঙৰ নহয়। সমাজখন মোৰ বাবে সদায় নমস্য। সেইবাবে সমাজৰ প্ৰতি দায়িত্বৰে, দায়বদ্ধতাৰে কাম কৰিবলৈ মই মুখ্যমন্ত্ৰী হিচাপে আপোনালোকৰ সন্মুখত থিয় হৈছো। মোৰ সতীৰ্থ সকলৰ সৈতে মই সকলো কথা আন্তৰিকতাৰে মত বিনিময় কৰি কাম কৰো। We work as a team. আমাৰ ইয়াত প্ৰকৃত গণতন্ত্ৰ আছে। আমি প্ৰত্যেক গৰাকী সন্মানীয় বিধায়ক, মন্ত্ৰী একেলগে মিলি কাম কৰো আৰু আপোনালোককো মই গণতান্ত্ৰিক মনৰ আমি যে মানুহ ইয়াৰ উমান দিবৰ বাবে আপোনালোকক বিভিন্ন সময়ত আন্তৰিকতাৰে সহযোগিতা আগবঢ়াই আহিছো। গতিকে আজি মই এই মুহূৰ্ত্তত মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই বিশ্বাস ৰাখিছো যে আগন্তুক দিনত অসমৰ ৰাইজৰ স্বাৰ্থত এই পবিত্ৰ সদনত সকলোৱে মিলি কাম কৰি যাব আৰু এই কথাটো মই মুখ্যমন্ত্ৰী হিচাপে সতীৰ্থ মন্ত্ৰী আৰু বিধায়ক সকলৰ হৈ মই আপোনালোকক এই কথা ক'ব বিচাৰো যে এইখন চৰকাৰ সদায়েই অসমৰ ৰাইজৰ হকে দায়িত্ব সহকাৰে, দায়বদ্ধতাৰে কাম কৰি যাব। আমি অসমৰ খিলঞ্জীয়া ভুমিপুত্ৰ সকলক কোনো যুক্তিতেই ক্ষতিগ্ৰস্ত নকৰো। আমাৰ এই চৰকাৰৰ ছত্ৰছায়াত শতকৰা ১০০% ই নিৰাপদ আৰু আমি সকলো বৃহত্তৰ অসমীয়া জাতিৰ সতি-সন্ততিক বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ - ভৈয়ামক একাকাৰ কৰি অসমৰ ভৱিষ্যত গঢ় দি যাম। তাকেই মই বিশেষভাৱে ব্যক্ত কৰি অত সময় মাননীয় অধ্যক্ষ ডাঙৰীয়াই যিখিনি সুযোগ প্ৰদান কৰিলে ইয়াৰ বাবে আপোনাক মই বিশেষভাৱে ধন্যবাদ জনাইছো আৰু লগতে আমাৰ পবিত্ৰ সদনৰ বিধায়ক - বিধায়িকা সকলে এইখিনি বক্তব্য দিয়াৰ ক্ষেত্ৰত যিখিনি সহযোগিতা আগবঢ়ালে তাৰ বাবে সকলোকে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**Hon'ble Speaker :** When CM is the Leader of the House, I think we should heart him patiently. This is my view. I am the speaker. I can give any rulling but when leader is giving certain important speaches I think it is our duty to listen patiently those things. মই ইয়াত দুখন সংশোধনী প্ৰস্তাৱৰ জাননী পাইছিলো। সংশোধনীৰ প্ৰথমখন জাননী আছিল মাননীয় হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ লগত। আপোনালোকে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী হাফিজ বছিৰ আহমেদ, বিধায়ক (বিলাসীপাৰা পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহাশয়, আজি

আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই যিখিনি বক্তব্য ৰাখিলে যথেষ্ট সন্তোষজনক। আমি যি পইণ্টৰ ওপৰত সংশোধনী প্ৰস্তাৱ আনিছিলো যে অসমৰ শান্তি, সম্প্ৰীতি, সংহতি আৰু ভাতৃত্ববোধ এইটো বজাই ৰাখিব লাগে। তেখেতে এই ক্ষেত্ৰত যথেষ্ট খিনি কথা কৈছে। আমি দুখ পাওঁ যে Detection,deportion and deletion ৰ কথা কৈছে। Detection নোহোৱালৈকে ক'ত কিমান বিদেশী বা সন্দেহযুক্ত আছে নে নাই, সেইটো আমি ক'ব নোৱাৰো। কিন্তু তথাপিও চৰকাৰী কৰ্ত্তৃপক্ষৰ ফালৰপৰা যদি এইধৰণৰ সাম্প্ৰদায়িক উক্তি আহে তেতিয়া আমি দুখ পাওঁ আৰু এইটো বিভাজনমূলক কথা, এইটোৱে আমাৰ মাজত ভুল বুজা-বুজিৰ সৃষ্টি কৰিব পাৰে। তথাপিও মুখ্যমন্ত্ৰীদেৱে আমাক যি আশ্বস্ত কৰিলে, তাৰ কাৰণে আমি তেখেতক ধন্যবাদ জনাইছো আৰু পিছলৈ যাতে এনেধৰণৰ baseless কথা কৈ আমাৰ মাজত কোনোধৰণৰ বিভাজনৰ পৰিৱেশ সৃষ্টি নহয়, তাৰ কাৰণে আশা ৰাখি আৰু তেখেতে যিখিনি কথা ক'লে গোটেইখিনি বাস্তৱায়িত হ'ব বুলি আমি আশা ৰাখিছো আৰু এই ক্ষেত্ৰত আমাৰ সহযোগিতাও থাকিব। এইখিনি কৈ আমি যি সংশোধনী প্ৰস্তাৱ আনিছিলো আমি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা হৈছে। গতিকে দ্বিতীয়খন সংশোধনী প্ৰস্তাৱ আছিল আমাৰ মাননীয় অতুল বৰা, কেশৱ মহন্তকে আদি কৰি অসম গণ পৰিষদ দলৰ আছিল। ইয়াত ভৰেন্দ্ৰ নাথ ভড়ালী আছে চিগনেটৰী, উঠাই ল'ব নে?

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী, বিধায়ক (দেৰগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ ভাষণ আমি শুনিলো। তেখেতে যথেষ্ট সংবেদনশীলভাৱে কথাখিনি উত্থাপন কৰিছে। কিন্তু এটা কথা মই বুজি পোৱা নাই। এন আৰ চি আপডেট হোৱাৰ পিছত জুলাই মাহত আমি বিদেশীৰ সংখ্যাটো গম পাম। ডিটেকশ্যনটো হ'ব। কিন্তু এতিয়া যদি ৰাজ্য সভাত নাগৰিকত্ব সংশোধনী বিল খন গৃহীত হয়, এই যিখিনি মানুহ ইয়াত নাগৰিকত্ব পাব তেওঁলোকৰ নামটো অৰ্ন্তভুক্ত হ'ব নে নাই? যদি হয় তেতিয়াহ'লে আমাৰ কি হ'ব? সেই সম্পৰ্কে স্পষ্ট বক্তব্য নাপালো। গতিকে এইখিনি জানিব বিচাৰিছো আৰু দ্বিতীয়তে আৰু এটা কথাত মই আশ্বস্ত হ'ব পৰা নাই। ভাৰতৰ প্ৰধানমন্ত্ৰী মহোদয়ে অসমৰ ক্ষেত্ৰত অসম বিৰোধী সিদ্ধান্ত নলৈ, এন আৰ চি খন আপডেট হোৱাৰ পিছত জুলাই মাহৰ পিছত যদি এই বিলখন আনিলেহেঁতেন তেতিয়া আমি এই কথাত আশ্বস্ত হ'লোহেঁতেন। কিন্তু এতিয়া এন আৰ চিৰ কাম চলি থাকোতেই এই নাগৰিকত্ব সংশোধনী বিলখন আনিলে, এইটো মই বুজি নাপালো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটোৰ মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিব বিচাৰিছে।

**শ্ৰী সৰ্বানন্দ সোনোৱাল, মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ভড়ালী ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে, মই আপোনাৰ কথাৰ উত্তৰটো এনেধৰণে দিব বিচাৰিছো। যদি এইখন বিধেয়ক গৃহীত হয় এইটো হোৱাৰ পিছত আপোনালোকে জানে গৃহ মন্ত্ৰালয়ৰ তৰফৰ পৰা এটা বিবৃতিৰ যোগেদি খুব স্পষ্ট কৰি দিয়া হৈছে নাগৰিকত্ব দিয়াৰ ক্ষেত্ৰত বিতং ভাৱে তৃণমূল পৰ্য্যায়ৰ পৰা পৰীক্ষা নিৰীক্ষা কৰি ৰাজ্য চৰকাৰে যি প্ৰতিবেদন দিব, ইয়াৰ ভিত্তিতেই কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত ল'ব। অৰ্থাৎ যিহেতুকে এইখন বিল গৃহীত হোৱাৰ পিছত প্ৰথমতে যি গৰাকী ব্যক্তিয়ে নাগৰিকত্ব বিচাৰি আবেদন জনাব, তেওঁ সেইখন জিলাত থকা উপায়ুক্তক আবেদন জনাব লাগিব। তেওঁ কি পৰিস্থিতিত ২০০৬ বা ২০০৭ ত ইয়াত যিহেতু ৩১ ডিচেম্বৰ ২০১৪চনত কাট অফ হয়, আমাৰ ইয়ালৈ ৬ বছৰ আগতে অহা সেই ব্যক্তিজনে শপত নামাত উল্লেখ কৰিব লাগিব আৰু উপায়ুক্তৰ আগত ক'ব লাগিব যে তেওঁ কোন চনত ধৰ্মীয় উৎপীড়নৰ বলি হৈ নানা

হাৰাশাস্তিৰ সন্মুখীন হৈ কোনো মতে প্ৰাণ ৰক্ষা কৰি ভাৰতবৰ্ষৰ অসমৰ গোলাঘাটত বসবাস কৰিবলগীয়া হ'ল। মই এই গোটেই কথাখিনি শপতনামাত উল্লেখ কৰিছো আৰু এই আইন অনুসৰি মোক ভাৰতবৰ্ষৰ নাগৰিকত্ব প্ৰদান কৰিব লাগে। তাৰ পিছত উপায়ুক্তই সম্পূৰ্ণৰূপে এজেঞ্চিৰ জৰিয়তে গাওঁ বুঢ়াই হওঁক বা অন্য কোনো এজেঞ্চিৰ দ্বাৰা পৰীক্ষা-নিৰীক্ষা কৰিব প্ৰকৃতাৰ্থত সেই ব্যক্তিগৰাকী সেই ঠিকনাত আছে নে নাই, সেই সময়ত আহিছিল নে নাই এই সকলোবোৰ কথা উপায়ুক্তগৰাকীয়ে পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত তেওঁৰ প্ৰতিবেদন ৰাজ্যচৰকাৰলৈ প্ৰেৰণ কৰিব। ৰাজ্যচৰকাৰে গোটেই কথাখিনি পৰীক্ষা-নিৰীক্ষা কৰিবলৈ এজেঞ্চিলৈ পঠিয়াব আৰু তাৰ পিছত কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াব। তাৰ পিছত কেন্দ্ৰীয় চৰকাৰে এই প্ৰতিবেদনখন চাই নিজৰ যি এজেঞ্চি পৰিক্ৰমা-International linkage ৰাখি পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ ৰাজনৈতিক বাতাবৰণৰ কথা বুজ ল'ব পাৰে, তেখেতসকলৰ দ্বাৰা পৰীক্ষা-নিৰীক্ষা কৰিব আৰু সেই শপতনামাত যি উল্লেখ কৰিছে যে- কোনো এটা চনত মই বাংলাদেশ, পাকিস্তান বা আফগানিস্তানৰ পৰা মই এনে পৰিস্থিতিত আহিলো। তেতিয়া সেই দেশখনৰ কেনেধৰণৰ ৰাজনৈতিক পৰিস্থিতি আছিল, তাত তেনেধৰণৰ ধৰ্মীয় ৰায়ত হৈছিল নেকি? এই গোটেই কথাবোৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত সত্যতা আৱিষ্কাৰ কৰাৰ পিছতহে চূড়ান্ত সিদ্ধান্ত ল'ব। এই বিলখনৰ যোগেদি নাগৰিকত্বৰ বাবেহে ইয়াত কৰ্ত্তৃত্ব প্ৰদান কৰা হৈছে। গতিকে নাগৰিকত্বৰ ক্ষেত্ৰত এইটো এটা দীঘলীয়া প্ৰক্ৰিয়া। এইটো আপুনি জনা উচিত। মই ভাৱো ইয়াত চিন্তিত হোৱাৰ কোনো কাৰণ নাই। কাৰণ গোটেই দায়িত্বটো ৰাজ্যচৰকাৰৰ ওপৰত প্ৰেৰণ কৰা হৈছে। ৰাজ্যচৰকাৰে তৃণমুল পৰ্য্যায়ত পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত প্ৰতিবেদন দিয়াৰ ওপৰতহে বহুখিনি কথা নিৰ্ভৰ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো আপোনালোকে withdraw কৰিব নেকি?

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী, বিধায়ক (দেৰগাওঁ) ঃ** নকৰো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। মাননীয় সদস্য শ্ৰী দেৱানন্দ হাজৰিকাই উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ অন্তত নিম্নোলিখিত কথাখিনি সংযোগ কৰা হওঁক যে ঃ

১) ৰাজ্যপালৰ ভাষণৰ প্ৰথম পৃষ্ঠাৰ দ্বিতীয় দফাৰ দ্বিতীয় শাৰীৰ "শান্তি, সম্প্ৰতি, ভাতৃত্ববোধ আৰু এক উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে আশিসপুষ্ট এইছোৱা সময়ৰ ওপৰত আমি কৃতজ্ঞ, যি অনাগত দিনবোৰৰ বাবে আমাৰ অগ্ৰদূতৰূপে পৰিগণিত হ'ব।" ৰ পৰিৱৰ্ত্তে "শান্তি, সম্প্ৰতি, ভাতৃত্ববোধ আৰু এক উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে বিগত কিছুদিন অসমৰ বিভিন্ন ঠাইৰ লগতে যোৱা ২৭ জানুৱাৰী, ২০১৯ ইং তাৰিখে নলবাৰী জিলাৰ ঘগ্ৰাপাৰত সদৌ অসম ছাত্ৰ সন্থাৰ নেতা কৰ্ম্মীক শাসকীয় দলৰ কিছু নেতা-কৰ্মীৰ দ্বাৰা আৰক্ষীৰ সন্মুখতে প্ৰহাৰ কৰাই গণতান্ত্ৰিক আন্দোলনৰ মষিমুৰ কৰাৰ বাবে মোৰ চৰকাৰে বলিষ্ঠভাৱে চেষ্টা চলাইছে।

২) ৬ নং পৃষ্ঠাৰ দ্বিতীয় দফাৰ (অসম চুক্তি)ৰ- " অসম চুক্তিৰ ক্ষিপ্ৰ আৰু ফলপ্ৰসু ৰূপায়ণৰ বাবে মোৰ চৰকাৰে বহুতো পদক্ষেপ হাতত লৈছে।" ৰ পৰিৱৰ্ত্তে "মোৰ চৰকাৰে অসম চুক্তিক নস্যাৎ কৰি 'নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬' বিৰোধীতাৰ পৰিৱৰ্ত্তে সমৰ্থন জনোৱাৰ উপৰিও সম্প্ৰতি অব্যাহত থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াও নস্যাৎ কৰিবলৈ মোৰ চৰকাৰ বদ্ধ পৰিকৰ।" এই কথাখিনি সংযোজন কৰিব লাগিব। এই সংশোধনী প্ৰস্তাৱটো শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী সহ আপোনাৰ দলৰ বাকী সদস্যসকল- শ্ৰী অতুল বৰা, শ্ৰী কেশৱ মহন্ত, শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, শ্ৰী ফণীভূষণ চৌধুৰী, শ্ৰী গুণীন্দ্ৰ নাথ দাস, শ্ৰীমতী ৰেণুপমা ৰাজখোৱা, শ্ৰী নৰেন সোনোৱাল,

শ্ৰী সত্যব্ৰত কলিতা, শ্ৰী বৃন্দাবন গোস্বামী, শ্ৰী পবিন্দ্ৰ ডেকা, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী প্ৰদীপ হাজৰিকাই দিছিল।

এই সংশোধনী প্ৰস্তাৱটিৰ সপক্ষে থকাসকলে কওক, “হয়”।

এই সংশোধনী প্ৰস্তাৱটিৰ বিপক্ষে থকাসকলে কওক, “নহয়”।

মই ভাৱো “নহয়”ৰ সপক্ষে, “নহয়”ৰ সপক্ষে, “নহয়”ৰ সপক্ষে।

সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ’ল।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া মুল প্ৰস্তাৱটোলৈ আহিছো। “এই অধিৱেশনত মিলিত হোৱা অসম বিদান সভাৰ সদস্য/সদস্যা সকলে ২৮ জনুৱাৰী, ২০১৯ তাৰিখে ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ বাবে তেখেতৰ ওচৰত ধন্যবাদ জ্ঞাপন কৰে।

প্ৰস্তাৱৰ সপক্ষে থকাসকলে কওক, “হয়”।

প্ৰস্তাৱৰ বিপক্ষে থকাসকলে কওক, “নহয়”।

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

প্ৰস্তাৱটো পাৰিত কৰণ কৰা হ’ল।

প্ৰস্তাৱটো সদনত গৃহীত হ’ল বুলি মই ঘোষণা কৰিলো।

**এতিয়া সদন অহা ৪ ফেব্ৰুৱাৰী ২০১৯ তাৰিখে ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ’ল।**